


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৯ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৬ অক্টোবৰ, ২০২২, ১৯ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 59 Dainandin Barta ■ Guwahati, Thursday ■ 6 October, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




# শুকুলা হাতীৰে আহি নৌকাৰে গ'লগৈ দেৱী দুৰ্গা

## বাৰামুল্লাত গৃহমন্ত্ৰী অমিত শ্বাহৰ বজ্ৰকণ্ঠ— কথা নহয় পাকিস্তানৰে জম্মু-কাশ্মীৰৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে বাহিৰ কৰিব সন্ত্ৰাসবাদ



## বিজয়া দশমীত তল পৰিল শংকৰ জয়ন্তী

## পাঁচটা দিন উৎসাহ-উদ্দীপনাৰ অন্তত অশ্ৰুশিক্ত নয়নেৰে দিলে বিসৰ্জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ সকলো প্ৰান্তত বুধবাৰৰ দিনটোত পালন কৰা হ'ল বিজয়া দশমী। একপ্ৰকাৰ বিদায় পৰৰ বিষাদ যন্ত্ৰণা বুকুত লৈ ■ ৮ পৃষ্ঠাত

## মনোবাঞ্ছা পূৰণৰ নামত শতাধিক জীৱৰ বলিদান

**দৈনন্দিন বাৰ্তাৰ সংবাদ, ৫ অক্টোবৰ ঃ** বছৰটোৰ উৎসৱ শাৰদীয় দুৰ্গোৎসৱৰ সামৰণি পৰিল। দৰ্শক ভক্তৰে গিজগিজাই থকা মণ্ডপসমূহ এতিয়া নিজম। সমাজৰ পৰা অসূয়া শক্তিবোৰ নাশ হোৱাৰ কামনাৰ ■ ৮ পৃষ্ঠাত





## বিজয়া দশমীত দহমূৰীয়াক দাহন

### মহাঅষ্টমীত নগাঁৱৰ কে'বাখনো পূজামণ্ডপত দুৰ্গা দেৱীৰ আশিস ল'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৫ অক্টোবৰ ঃ** যোৱা ৩ অক্টোবৰত মহাঅষ্টমীৰ দিনটোত নগাঁও চহৰৰ কে'বাখনো শতবৰ্ষ গৰকা দুৰ্গা পূজাৰ মণ্ডপত উপস্থিত হয়হি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত ■ ৮ পৃষ্ঠাত

**শ্ৰীমন্ত শংকৰদেৱৰ জন্ম তিথি পালন**

## অমিয়া ৰসত আপ্লুত শংকৰীমনাসক্ত



**দৈনন্দিন বাৰ্তাৰ সংবাদ, ৫ অক্টোবৰ ঃ** সামৰণি পৰিল শাৰদীয় দুৰ্গোৎসৱৰ। আজি দেৱী দুৰ্গাক দিয়া হয় বিসৰ্জন। ৰাজপথত অগণন ভক্তই সমদল কৰি , ফাকু খেলি দেৱীক বিসৰ্জন দিয়ে। দুৰ্গোৎসৱৰ নামত ৰাজ্যখনে উৰুৱালে কোটি কোটি টকা। আজি সমদলত অংশ গ্ৰহণ কৰা একাংশ তথাকথিত ভক্তই সুৰাৰ ৰাগীত মতলীয়া হৈ সমদলত উচ্চস্বৰত বাজি থকা হিন্দী গীতৰ তালে তালে উদ্যাম ■ ৮ পৃষ্ঠাত

## শিৱসাগৰত কুখ্যাত অপৰাধীৰ দপ্‌দপনি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ আন স্থানৰ লগতে শিৱসাগৰতো আৰক্ষীয়ে অব্যাহত ৰাখিছে জোৰদাৰ অভিযান। বিগত প্ৰায় চৈধ্যতা মাহত শিৱসাগৰ আৰক্ষীয়ে প্ৰায় দুশটাতকৈও অধিক সৰবৰাহকাৰী, যোগনীয়াৰৰ লগতে বহুকেইটা মাফিয়াক কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ লগতে বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ জব্দ কৰিবলৈ সক্ষম হৈছিল। শিৱসাগৰ আৰক্ষীয়ে নিৰন্তৰ ইটোৰ পিছত সিটো অভিযান চলাই ঐতিহাসিক শিৱসাগৰ জিলাখনক ড্ৰাগছমুক্ত কৰিবলৈ সকলো প্ৰচেষ্টা চলাই থকাৰ মাজতেই পুনৰ জিলাখনত সংগোপনে সংগঠিত ৰূপত ড্ৰাগছ ব্যৱসায়ী চক্ৰই তৎপৰতা চলোৱাৰ ঘটনাই ৰাইজৰ মাজত তীব্ৰ ■ ৮ পৃষ্ঠাত



**অৰুণাচলৰ লুলুঙত ভাৰতীয় সেনাৰ হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত**

## লেফটেনেণ্ট কৰ্নেল নিহত, আনজন পাইলট চিকিৎসাধীন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৫ অক্টোবৰ ঃ** চুবুৰীয়া পাৰ্বত্য ৰাজ্য অৰুণাচলৰ ভাৰত-চীন সীমান্তৱৰ্তী টাৱাং জিলাত আজি পুৱাৰ ভাগত ভাৰতীয় সেনাৰ এখন হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত এজন সেনা বিষয়া নিহত হোৱাৰ লগতে আন এগৰাকী পাইলট গুৰুতৰভাৱে আহত হয়। তেজপুৰস্থিত ভাৰতীয় সেনাৰ জনসংযোগ বিভাগে ■ ৮ পৃষ্ঠাত

## ন'বেল বঁটাপ্ৰাপকৰ নাম প্ৰকাশ প্ৰক্ৰিয়া আৰম্ভ

**২০২২**

বলবিজ্ঞানৰ গৱেষণাৰ বাবে তিনি বিজ্ঞানীলৈ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা ঃ বিলুপ্ত হোমিনিন ঃ স্বান্তে পাব'লৈ চিকিৎসা বিজ্ঞানৰ ন'বেল ঃ তিনি বিজ্ঞানীলৈ ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৫ অক্টোবৰ ঃ** কেলিফৰ্নিয়া ইনষ্টিটিউট অৱ টেকন'লজীৰ অধ্যাপক জন ফ্ৰাঞ্চিছ ক্লাউচাৰ, পেৰিছৰ ইকোল ■ ৮ পৃষ্ঠাত

Azadi Ka Amrit Mahotsav

সত্যমেৱ জয়তে

সকলোৰে বাবে সুনিশ্চিত হ'ল ব্যয়সাধ্য তথা সুলভ স্বাস্থ্যসেৱা



“সকলোৰে বাবে উত্তম চিকিৎসা সুলভ হোৱাটো আজাদী কা অমৃত কালত এক স্বাস্থ্যৱান ভাৰতৰ দৃষ্টিভংগী হিচাপে বিবেচিত হৈছে। ভাৰতে আজি অনুসৰণ কৰি থকা স্বাস্থ্য নীতিত আমি সকলোৰে স্বাস্থ্যৰ বিষয়ে চিন্তা কৰিছো।”

- নৰেন্দ্ৰ মোদী

**সকলোৰে বাবে আধুনিক স্বাস্থ্য সুবিধা**

- বিগত আঠ বছৰত এইমছৰ সংখ্যা ৮ ৰ পৰা ২৩ লৈ বৃদ্ধি, চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৩৮৭ ৰ পৰা ৬৪৮ লৈ বৃদ্ধি, চিকিৎসা আসনৰ সংখ্যা ৮২ হাজাৰৰ পৰা ১.৫ লাখতকৈও অধিক বৃদ্ধি হৈছে।
- ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ স্থাপনৰ দ্বাৰা চিকিৎসা খণ্ড যথেষ্ট লাভান্বিত হৈছে।
- গাওঁ আৰু চহৰসমূহত লাখ লাখ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ মুকলি কৰাৰ ফলত নাগৰিকসকলৰ স্বাস্থ্যসেৱাৰ সুবিধা সহজ হৈ পৰিছে।

**সকলোৰে বাবে সুলভ চিকিৎসা আৰু ব্যয়সাধ্য মূল্যৰ ঔষধ**

- আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ জৰিয়তে প্ৰতি বছৰে প্ৰতিটো পৰিয়ালত ৫০ কোটিতকৈও অধিক দৰিদ্ৰই ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰে।
- ৮৭০০ ত কৈও অধিক জন ঔষধি কেন্দ্ৰৰ জৰিয়তে জনসাধাৰণৰ বাবে সুলভ মূল্যত উন্নত মানদণ্ডৰ ঔষধ উপলব্ধ কৰোৱা হৈছে; বিগত কেইবছৰমানত প্ৰয়োজনৰ সময়ত জনসাধাৰণৰ প্ৰায় ১৫০০০ কোটি টকাৰ সঞ্চয় হৈছে।

**প্ৰতিৰোধমূলক আৰু সামূহিক স্বাস্থ্যসেৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে**

- পৰম্পৰাগত ঔষধ পদ্ধতি আৰু যোগৰ জৰিয়তে সুস্থ জীৱনশৈলী; গৱেষণা আৰু উদ্ভাৱনৰ বাবে এই খণ্ডত ব্যাপক বিনিয়োগ কৰা হৈছে।
- নলৰ পানী সংযোগ, গেছ, শৌচালয় আৰু স্বচ্ছতা পদ্ধতিৰ ব্যৱস্থাৰ সৈতে ৰোগৰ পৰিমাণ হ্ৰাস হৈছে; লাখ লাখ জীৱন সুৰক্ষিত হৈছে।

দেৱভূমি হিমাচলত বিশ্বমানৰ স্বাস্থ্য আন্তঃগাঁথনি আৰম্ভ কৰা হৈছে

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে বিলাসপুৰৰ এইমছ দেশবাসীলৈ উৎসৰ্গা কৰে

বিলাসপুৰ, হিমাচল প্ৰদেশ, ৫ অক্টোবৰ ২০২২, ৰাতিপুৱা ১১.৩০ বজাৰ পৰা



CBC 22201/13/0127/2223

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৬ অক্টোবৰ, ২০২২ ■ বৃহস্পতিবাৰ ■ ১৯ আহিন, ১৯৪৪ শক





## হৰিনামৰ ধ্বনিৰে মুখৰ যোৰহাটৰ নৰাগাঁও নতুন নামঘৰ

### প্ৰকৃত আধ্যাত্মিক শক্তিৰ বাস্তৱিক জ্ঞান নথকাৰ বাবেই আজিৰ কিছু লোক অজ্ঞান-অন্ধকাৰত ডুব গৈ পথভ্ৰষ্ট হৈছেঃ নদলি ৰুহি দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ৫ অক্টোবৰ ঃ** যোৰহাট জিলাৰ লাহদৈগড়ৰ নৰা বনপিঠাগুৰি ৰাইজৰ সহযোগত আঞ্চলিক ভিত্তিত নৰা গাঁও নতুন নামঘৰ প্ৰাংগণত ৪ আৰু ৫ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্ম জয়ন্তী। ৫অক্টোবৰত তোলন চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মানৱ উত্থান সেৱা সমিতি, উত্তৰ-পূৰ্বাঞ্চল কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক তথা 'মানৱ ধৰ্ম' অসমীয়া আধ্যাত্মিক আলোচনীৰ সম্পাদক নদলি ৰুহিদাসে কয় যে "বৰ অসমৰ সকলো জাতি-জনগোষ্ঠীৰ সমন্বয় সাধন কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ - প্ৰসাৰ কৰিছিল মানৱ জাতিৰ মাজত আধ্যাত্মিক চেতনা। গুৰুজনাৰ প্ৰদত্ত সাংস্কৃতিক সমন্বয় বিশ্ব জাতীয়তাৰ প্ৰতিভূ।' দাসে কয় যে 'আমাৰ পৱিত্ৰ ভাৰতভূমিক কিছু দানৱৰূপী মানৱে সন্ত্ৰাস-অশান্তিৰ লগতে ধৰ্মৰ হানি কৰিছে। আমাৰ প্ৰতিজন ব্যক্তিৰ হৃদয়তে থকা প্ৰকৃত আধ্যাত্মিক শক্তিৰ বাস্তৱিক জ্ঞান নথকাৰ বাবেই আজিৰ কিছুলোক অজ্ঞান -অন্ধকাৰত ডুব গৈ পথভ্ৰষ্ট হৈছে।" হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰা নামঘৰ প্ৰাংগণত আই-মাতৃসকলৰ দিহানাম পৰিৱেশনে ভক্তিপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। দিহাজান হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক টেপুৰাম গগৈ,স্হানীয় গাঁও পঞ্চায়তৰ প্ৰাক্তন মুখ্য সচিব দিলীপ বৰুৱা,অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখী ৰুবী ফুকনে বক্তব্য ৰখা মুকলি সভাত মাহেকীয়া সাহিত্য আলোচনী"দিগদৰ্শন"ৰ সম্পাদক তথা সাংবাদিক পংকজ কুমাৰ দাস, বোধেশ্বৰ বৰুৱা,দেৱ ফুকন,সুভাষ কোঁৱৰ,অমল বৰগোঁহাই,অতুল কোঁৱৰ,প্ৰফুল্ল কোঁৱৰ,কুশল কোঁৱৰ,সত্যজিৎ কোঁৱৰ আদি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। নিশালৈ স্হানীয় শিশু শিল্পীসকলে "বিপ্ৰ দামোদৰ আখ্যান,দন্তবক্ৰৰ মুক্তিলাভ" শীৰ্ষক নাট প্ৰদৰ্শন কৰে।

# শাওতলীৰ নতুনমাটিত কিশোৰীক আক্ৰমণ

## কিশোৰসহ এজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**দৈনন্দিন বাৰ্তা সেৱা, খুমটাই, ৫ অক্টোবৰ ঃ** খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত শাওতলিৰ নতুনমাটি চাহ বাগিছাত ৩ অক্টোবৰত আবেলি প্ৰায় ৪ বজাত এগৰাকী ১৩ বছৰীয়া কিশোৰীক দুৰ্বৃত্তই চোকা অস্ত্ৰৰে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ যে ৩ অক্টোবৰৰ দিনা ঘৰৰ পৰা পূজা চাবলৈ বুলি ওলাই অহা অঞ্জলি মাল নামৰ কিশোৰীগৰাকীক মুখত কাপোৰ বান্ধি তিনিজন দুৰ্বৃত্তই চোকা অস্ত্ৰৰে আক্ৰমণ কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। দুৰ্বৃত্তৰ আক্ৰমণত ডিঙিত বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা কিশোৰীগৰাকীক পাছত অচেতন অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত খুমটাই আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত কিশোৰীগৰাকীক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে তদন্ত আৰম্ভ কৰে। ইফালে, খুমটাই আৰু কমাৰগাঁও আৰক্ষীৰ তদন্তকাৰী দলে আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ ভাষ্য অনুসৰি ঘটনাৰ দিনাই শাওতলীৰ নাথ গাঁৱৰ দেৱাশিস নাথ নামৰ এগৰাকী ১৪ বছৰীয়া কিশোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে কিশোৰজনৰ ভাষ্য অনুসৰি উক্ত ঘটনাৰ লগত জড়িত নাথ গাঁৱৰ অজিত নাথ (৫৫) নামৰ এজন লোকক আটক কৰে। তাৎপৰ্যপূৰ্ণ বিষয় যে কিশোৰীগৰাকীক হত্যাৰ ষড়যন্ত্ৰ কৰা মূল নায়ক আছিল অজিত নাথ। তেওঁ নাথগাঁও ৰাজহুৱা নামঘৰৰ নামঘৰীয়া বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। আনহাতে, আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি ধৃত অজিত নাথ নামৰ ৫৫ বছৰীয়া লোকজনে একে গাঁৱৰে অঞ্জলি মাল নামৰ কিশোৰীগৰাকী ধৰ্ষণ কৰি অন্তঃসত্ত্বা কৰিছিল। যাৰ বাবে জনচক্ষুৰ আঁৰৰ পৰা নিজকে বচাবলৈ ধৃত অজিতে পূজাৰ আনন্দ উল্লাসৰ মাজতে নতুনমাটিত পূজাৰ দোকান দি থকা দেৱাশিস নামৰ কিশোৰজনৰ লগতে আন এজন সতীৰ্থ সৈতে দিন দুপৰতে বাগিচাৰ মাজত নিৰ্জন ঠাইত কিশোৰীগৰাকীক হাত-ভৰি বান্ধি চোকা অস্ত্ৰৰে ডিঙি কাটি হত্যা কৰাৰ চেষ্টা কৰিছিল। ধৃত অজিতৰ পৰিকল্পনাৰ মতে কিশোৰীগৰাকীক হত্যা কৰাৰ কথা আৰক্ষীৰ আগত কিশোৰ দেৱাশিসে স্বীকাৰ কৰিছে। তাৎপৰ্যপূৰ্ণ বিষয় যে ধৃত অজিতৰ সৈতে কিশোৰীগৰাকীক হত্যাৰ পৰিকল্পনা কৰা তিনিজন ব্যক্তি আছিল যদিও আৰক্ষীৰ জেৰাত বৰ্তমান সময়লৈকে আনজন ব্যক্তিৰ কথা স্বীকাৰ কৰা নাই অজিত আৰু দেৱাশিসে। ইফালে খুমটাই আৰক্ষীয়ে দুয়োজন অভিযুক্তক ন্যায়ালয়ত হাজিৰ কৰা ধৃত দেৱাশিসক যোৰহাটৰ শিশু গৃহলৈ আৰু ঘটনাৰ মূল খলনায়ক অজিতক জে'ললৈ প্ৰেৰণ কৰিছে যদিও আন এজন অপৰাধী বৰ্তমান সময়ত মুকলি আকাশৰ তলত থকাত সচেতন ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। আনহাতে, হাত-ভৰি ডিঙিত বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা কিশোৰী গৰাকীক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।



## অসম সাধু সেৱক সন্মিলনৰ মুখ্য উপদেষ্টা, আচাৰ্য চন্দ্ৰকান্ত বৈষ্ণৱৰ ১০৪ বছৰত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৫ অক্টোবৰ ঃ** অসম সাধু সেৱক সন্মিলনৰ মুখ্য উপদেষ্টা,আচাৰ্য তথা দীক্ষাগুৰু চন্দ্ৰকান্ত বৈষ্ণৱ ওৰফে ছাতিৰাম দাসে আজি ১০৪ বছৰ বয়সত তামুলপুৰ জিলাৰ কচুবাৰী গাঁৱৰ নিজ বাসগৃহত ইহলীলা সম্বৰণ কৰে। আচাৰ্যগৰাকীয়ে বাৰ্ধক্যজনিত কাৰণতে আজি কিছুদিন ধৰি অসুস্থ হৈ আছিল। আজি পুৱা শেষ নিশ্বাস ত্যাগৰ বাতৰি পোৱাৰ লগে লগে অনেক আত্মীয় কুটুম্ব তথা গুণমুগ্ধই তেওঁৰ ঘৰলৈ আহি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুৰ প্ৰতি শ্ৰদ্ধা জনাই আজি অঞ্চলটোৰ স্থানীয় ব্যৱসায়ী সকলে তেওঁলোকৰ দোকান- পোহাৰ সমূহ বন্ধ ৰখা পৰিলক্ষিত হয়। শেষকৃত্য সম্পন্ন কৰাৰ পূৰ্বে ভকত - বৈষ্ণৱ সহিতে অঞ্চলটোৰ ৰাইজে এটি শোভাযাত্ৰা উলিয়ায়। অঞ্চলটোৰ অশীতিপৰ নাগৰিক তথা বিশিষ্ট লেখক কামেশ্বৰ হাজৰিকাই জনায় অঞ্চলটোৰ এসময়ৰ এগৰাকী সফল খেতিয়ক তথা সফল অভিভাৱক ছাতিৰাম দাস অবিভক্ত বা' জিলা সাধু সেৱক সন্মিলন তথা সদ্যঘোষিত তামুলপুৰ জিলা সাধু সেৱক সন্মিলনৰ উপদেষ্টা আছিল । কচুবাৰীস্থ তামুলপুৰ আঞ্চলিক বিষ্ণুপুৰী সেৱা আশ্ৰমৰ অন্যতম গুৰি ধৰোতা চন্দ্ৰ কান্ত বৈষ্ণৱ দীক্ষা গুৰু গৰাকীয়ে মৃত্যুৰ সময়ত চাৰি পুত্ৰ-বধূ, তিনিগৰাকী বিবাহিতা জী-জোঁৱাই, বহুসংখ্যক নাতি, নাতিনী আৰু অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি যায়।

## বহিঃৰাজ্যত কৰ্মৰত অসমৰ যুৱকক হত্যা সতীৰ্থৰ



### তামুলপুৰৰ সৌৰাগুৰি গাঁৱৰ ডুলু ৰাজবংশীৰ কেৰালাত সতীৰ্থৰ হাতত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৫ অক্টোবৰ ঃ** বহিঃৰাজ্যত কৰ্মৰত অসমৰ এজন যুৱকক নিজ সতীৰ্থই ডিঙি চেপি হত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে তামুলপুৰ জিলাৰ সৌৰাগুৰি গাঁওৰ ডুলু ৰাজবংশী (২৫) নামৰ এজন যুৱকে ৬-৭ বছৰ ধৰি কেৰালাত কৰ্মৰত হৈ আছিল। ডুলুৰ লগতে একেলগে কাম কৰিছিল তামুলপুৰৰ বতিয়ামাৰীৰ লাকি বড়ো ওৰফে লক্ষ্মী আৰু আন এগৰাকী অসমৰে সতীৰ্থ মনোৰঞ্জনে। আৰক্ষী সূত্ৰৰ খবৰ অনুসৰি দুয়ো সতীৰ্থই কালি সন্ধিয়া ডুলুক নিচাযুক্ত দ্ৰব্য সেৱন কৰোৱাৰ পিছত সাগৰৰ পানীত ডুবাই মৰাৰ চেষ্টা চলায়। এই প্ৰচেষ্টাতো সফল হ'ব নোৱাৰি পিছত কেৰালাৰ কোজিক'ড জিলাৰ কৈলান্দি বীচচত ডিঙি চেপি হত্যা কৰি সাগৰৰ পানীত পেলাই দিছিল দুই বন্ধু মনোৰঞ্জন আৰু লক্ষ্মীয়ে। ঘটনা সংক্ৰান্তত লক্ষ্মী আৰু মনোৰঞ্জনক কেৰালা আৰক্ষীয়ে আটক কৰাৰ লগতে মৃতদেহ উদ্ধাৰ কৰি তথা তদন্ত অব্যাহত ৰাখিছে। স্থানীয় ৰাইজৰ দাবী দোষীক অনতিপলমে কৰায়ত্ত কৰি কঠোৰতকৈ কঠোৰতম শাস্তি প্ৰদান কৰিব লাগে।



*গুৱাহাটীত বুধবাৰে আধ্যাত্মিক ভাৱাপন্ন পূজা-অৰ্চনা*

## চাপানালাত পথ দুৰ্ঘটনাত হতাহত ৩

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত চাপানালাত মঙলবাৰে নিশা সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত তিনিজন লোক হতাহত হয়। জানিব পৰা মতে, এ এছ-০২ এ ৮৩২২ নম্বৰৰ মটৰচাইকেলখনৰ খুন্দাত এজন পথচাৰী গুৰুতৰভাৱে আহত হয়। লগে লগে স্থানীয় লোকৰ সহযোগত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা অনুপ শৰ্মা নামৰ পথচাৰীজনক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসাধীন অৱস্থাতে মৃত্যুক সাবটি লয় লোকজনে। মৃত্যু হোৱা লোকজনৰ ঘৰ বৰবাৰীত বুলি জানিব পৰা গৈছে। ইফালে, দুৰ্ঘটনাটোত দুই মটৰচাইকেল আৰোহী বিকাশ ওৰাং আৰু অমৰ কৰ্মকাৰ নামৰ লোক দুজনো আহত হয়। দুয়োৰে ঘৰ চামগুৰিৰ উদমাৰীত বুলি জানিব পৰা গৈছে।

## লাহৰীঘাট বজাৰত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বজাৰত মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানত ১ ড্ৰাগছ সৰবৰাহ কাৰী আটক কৰা হয়। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী জন ধিঙৰআটি গাঁৱৰ নাম আইনুল ইছলাম। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ পৰা সন্দেহ যুক্ত ড্ৰাগ্‌ছ ভৰ্তি ১টা চাবোনৰ বাকচ, ১টা ম'বাইল ফোন আৰু নগদ ২৪০০ টকা জব্দ কৰে। সম্প্ৰতি ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীজনক আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

## নগাঁৱত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৫ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ আনন্দ উছাহৰ মাজত আজি দশমীৰ দিনাই নগাঁৱত এটা অচিনাক্ত মৃত দেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নগাঁও মাজৰআটি চাৰিআলি সমীপৰ টাউন তেলিয়াগাঁৱৰ কলংত মেটেকাৰ তলত এটা মৃতদেহ প্ৰত্যক্ষ কৰে পথাচাৰীয়ে। পিছত স্থানীয় হয়বৰগাঁও আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ এটা দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃতদেহটো পুৰুষৰ বুলি জানিব পৰা গৈছে। বৰ্তমান সময়লৈকে মৃতদেহ টোৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা নাই।

# বিজয়া দশমীৰ দিনা ভক্তৰ লানি নিছিগা ভিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৫ অক্টোবৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ পিছত এইবাৰ মুকলিমনে ৰাইজ শাৰদীয় দুৰ্গোৎসৱ পালন কৰা পৰিলক্ষিত হৈছে। এইবাৰ মৰিয়নি নগৰত১৬ ঠাইত দুৰ্গাপূজাৰ আয়োজন কৰিছিল। মৰিয়নি নগৰত জয়মতী নগৰ দুৰ্গা পূজা, দৈনিক বজাৰ দুৰ্গা পূজা, কেনেডি পাৰ্ক দুৰ্গা পূজা, চিগনেল কলনী দুৰ্গা পূজা, বিষ্ণু মন্দিৰ দুৰ্গা পূজা, গান্ধী নগৰ দুৰ্গা পূজা, বিৰলা কলনী দুৰ্গা পূজা, ঠাকুৰবাৰী দুৰ্গাপূজা, এএছটিচি দুৰ্গাপূজা ৰেষ্ট কেবিন দুৰ্গা পূজা, কালিবাৰী দুৰ্গাপূজা, ৰে'লৱে ইন্সষ্টিটিউট দুৰ্গাপূজা, সত্যনাৰায়ন সেৱা কেন্দ্ৰ দুৰ্গাপূজা, নিউ বিল্ডিং দুৰ্গাপূজা, ৰাইজিং ইয়ুথ দুৰ্গা পূজা আৰু সুভাস মৈদাম আদি ১৬ ঠাইত পূজা অনুষ্ঠিত কৰা হৈছিল। ক'ভিড সৃষ্ট পৰিৱেশৰ পিছত এই বাৰ মুক্ত মনে ৰাইজ দুৰ্গা পূজালৈ ওলাই আহিছে। আজি বিজয়া দশমীৰ দিনা পাৰ ভঙা ভীৰ দেখিবলৈ পোৱা গ'ল নগৰখনত। নগৰখনৰ ১৬ ঠাইত অনুষ্ঠিত দুৰ্গা পূজাৰ প্ৰতিমাসমূহ যোৱা পুখুৰী আৰু ভোগদৈ নদীত বিসৰ্জন দিয়া হয়। তিতাবৰ মহকুমা পুলিচ বিষয়া মৈত্ৰেয়ী ডেকা, মৰিয়নি চক্ৰ আৰক্ষী বিষয়া দণ্ডিৰাম বৰা, মৰিয়নি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিলোচন নাথৰ লগতে আৰক্ষীয়ে ভিৰ নিয়ন্ত্ৰণ কৰি প্ৰতিমাসমূহ বিসৰ্জন কৰোৱাত নামি পৰা পৰিলক্ষিত হয়। মৰিয়নি ৰাজহ চক্ৰ বিষয়া অসীম বৰগোঁহাই, মৰিয়নি পৌৰসভাৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়া , উপপৌৰপতি প্ৰদীপ দাস, ব্যৱসায়ী সন্থাৰ সম্পাদক মানৱ দাস, কেন্দ্ৰীয় দুৰ্গোৎসৱৰ সমন্বয় সমিতিৰ তনয় বেনাৰ্জী ,সুবিৰ দাসগুপ্ত ,দিলীপ চাহ লগতে সকলো সদস্যই পূৰ্ণ সহযোগিতা আগবঢ়ায়।

### বইটামাৰীত চুৰি কাৰ্য

## দুৱাৰ ভাঙি লুটি নিলে সোণৰ অলংকাৰ-নগদ ধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ৫ অক্টোবৰ ঃ** বইটামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ৰঘুনন্দনপুৰ গাঁৱত কালি নিশা দুৰ্গা পূজাৰ আনন্দৰ মাজতে এক চুৰি কাৰ্য সংঘটিত হয়। গাঁওখনৰ বেংক কৰ্মচাৰী এগৰাকীৰ ঘৰৰ সকলো সদস্য গাঁওখনতে চলি থকা পূজা চাবলৈ যোৱাত চোৰে পিছপিনৰ দুৱাৰ ভাঙি সোণৰ অলংকাৰকে ধৰি নগদ একলাখ টকা লুট কৰি লৈ যায়। পূজাস্থলীৰ পৰা আধা ঘণ্টা পিছতে গৃহস্থ ঘূৰি আহি দুৱাৰ খোলা দেখি হুৱাদুৱা লাগে। ঘটনা সন্দৰ্ভত বইটামাৰী আৰক্ষী চকীত অৱগত কৰা হৈছে।

## এনটিপিচি, বঙাইগাঁৱৰ মুখ্য মহাপ্ৰবন্ধক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰুণাকৰ দাসৰ

**দৈনন্দিন বাৰ্তা সেৱা, ছালাকাটি, ৫ অক্টোবৰ ঃ** কৰুণাকৰ দাসে ৩ অক্টেবৰৰপৰা কাৰ্যকৰী হোৱাকৈ এনটিপিচি, বঙাইগাঁৱৰ মুখ্য মহাপ্ৰবন্ধক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। এনআইটি, ৰৌৰকেল্লাৰ ইলেকিট্ৰকেল ইঞ্জিনীয়াৰিঙৰ এগৰাকী স্নাতক দাসে এনটিপিচি, কোৰবা, উন্‌চাহাৰ, তালচেৰ থাৰ্মেল, তালচেৰ কানিহা আৰু ফাৰক্কাত মূল প'ৰ্টফলিঅ'সমূহ পৰিচালনাৰে এক সমৃদ্ধ আৰু বৈচিত্ৰ্যময় অভিজ্ঞতা আহৰণ কৰিছে। দাসে ১৯৮৬ত এনটিপিচিত এক্সিকিউটিভ ট্ৰেইনী হিচাপে যোগদান কৰিছিল আৰু শক্তি প্ৰকল্পৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ, ইন্ধন পৰিচালনা আৰু ইন্ধন ব্যৱস্থাপনাকে ধৰি বিভিন্ন ক্ষেত্ৰত কাৰ্য্যনিৰ্বাহ কৰিছিল। এনটিপিচি, বঙাইগাঁৱত যোগদানৰ পূৰ্বে শ্ৰী দাসে এনটিপিচি, ফাৰক্কাৰ মুখ্য মহা প্ৰৱন্ধক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অসমস্থিত এনটিপিচি, বঙাইগাঁৱৰ মুৰব্বী হিচাপে কৰুণাকৰ দাসে ৭৫০ মেগাৱাট (৩X২৫০ মেগাৱাট) শক্তি উৎপাদনকাৰী প্ৰকল্পটোৰ সকলো কাম-কাজৰ সমন্বয় সাধন কৰিব। এনটিপিচিৰ বিশিষ্ট কেৰিয়াৰত দাসে সুৰক্ষা, শক্তি কেন্দ্ৰৰ কাৰ্য্যক্ষমতা, অ'এণ্ডএম পন্থা, মানৱ সম্পদ আৰু এনটিপিচিৰ বাণিজ্যিক দিশত একাধিক প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

# মৰিগাঁৱৰ তৰাণি কলবাৰীত প্ৰকৃতিপ্ৰেমীৰ বাবে মুকলি বিনামূলীয়া গছৰ উদ্যান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰবন্ধা-মৰিগাঁও, ৫ অক্টোবৰ ঃ** জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ পৱিত্ৰ ওপজা দিনটোতেই মৰিগাঁও জিলাৰ তৰাণি কলবাৰীত প্ৰকৃতিপ্ৰেমী মঞ্চ অসমে দুৱাৰ মুকলি কৰে বিনামূলীয়া গছপুলি উদ্যানৰ। মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মাই দুৱাৰ মুকলি কৰা এই গছপুলি উদ্যানখনেই বৰ্তমানলৈকে অসমৰ একমাত্ৰ বেচৰকাৰী উদ্যান য'ৰ পৰা প্ৰকৃতিপ্ৰেমী সকলে বিনামূল্যে যিকোনো গছপুলি সংগ্ৰহ কৰিব পাৰিব। অকল ইয়াই নহয় মঞ্চৰ কৰ্মকৰ্তাসকলে বৰ্তমান সময়ত নৱপ্ৰজন্মৰ বাবে অপৰিচিত নানান প্ৰজাতিৰ বনৌষধি সংৰক্ষণ কৰি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষক সমাজে পৰিচয় কৰাই দিব পৰাকৈ এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। তৰানি কলবাৰী মিলন জ্যোতি যুৱক সংঘৰ ব্যৱস্থাপনাত প্ৰকৃতিপ্ৰেমী মঞ্চ অসমে প্ৰতিষ্ঠা কৰা গছপুলি উদ্যানৰ দুৱাৰ মুকলি অনুষ্ঠানত পুৱা মঞ্চৰ পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা শংকৰী ক'লাকৃষ্টিৰ সাধক ফণীধৰ ডেকাদেৱে। সহায় অসমৰ সভাপতি তথা মঞ্চৰ উপ সভাপতি ৰাজু মহন্তৰ পৰিকল্পনা আৰু সামগ্ৰিক ব্যৱস্থাপনাত অনুষ্ঠিত এই সভাত উপস্থিত প্ৰতিগৰাকী ব্যক্তিক মঞ্চৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱাৰ লগতে নৱ নিযুক্ত উপায়ুক্ত মহোদয়ক মিলনজ্যোতি যুৱক সংঘ, দীপ্তি যুৱক সংঘ, তিৱা জনজাতি যুৱক সংঘ, তৰাণি কলবাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়, যখিনীখাল প্ৰাথমিক বিদ্যালয়ৰ বিষয়ববীয়া সকলৰ লগতে তিৱা কৃষ্টিৰ সাধক বিপুল আমচিয়ে সম্বৰ্দ্ধনা জনায়। তৰাণি কলবাৰী গাঁৱৰ গাঁওপ্ৰধান কিৰণ ডেকাই শলাগৰ শৰাই আগবঢ়োৱা উক্ত অনুষ্ঠানতে যোৱা শুক্ৰবাৰে মৰিগাঁও জিলাৰ শুকদল বৰবৰী বিলত চোৰাং চিকাৰীয়ে ফান্দ পাতি বনৰীয়া পক্ষীৰ নিধন যজ্ঞ চলাই থকাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁতে জীৱনলৈ ভাবুকি অহা সাংবাদিক প্ৰবীণ বৰা আৰু স্থানীয় কৃষক প্ৰফুল্ল কাকতিক প্ৰকৃতিপ্ৰেমী মঞ্চ অসমৰ হৈ জিলা উপায়ুক্ত দেৱাশীষ শৰ্মাই সম্বৰ্দ্ধনা জনুৱাৰ লগতে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে এনে কাৰ্যৰ পৰা সমাজৰ সকলো স্তৰৰ ৰাইজকে আতৰি থাকিবলৈ আহ্বান জনায়।



### ধুবুৰীত পুনৰ অচিনাকি মৃতদেহ উদ্ধাৰ

## চাৰিদিন ধৰি মৃতদেহটো ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৫ অক্টোবৰ ঃ** ধুবুৰী আৰক্ষীয়ে ধুবুৰীৰ ফেৰী ইণ্ডিয়া পাৰঘাটত ৩০ বছৰীয়া অচিনাকি মৃত্যুদেহ উদ্ধাৰ কৰে। জানিব পৰা মতে, ২৯ ছেপ্টেম্বৰত পুৱা ১১ বজাত ধুবুৰীৰ ফেৰী ইণ্ডিয়া পাৰঘাটতব্ৰহ্মপুত্ৰত নৈত মৃতদেহটো উপঙি আছিল স্থানীয় লোকে প্ৰতক্ষ্য কৰাৰ পিছত আৰক্ষীক খবৰ দিয়ে। লগে লগে আৰক্ষীয়ে উপস্থিত হৈ মৃতদেহ মৰোনত্তৰ পৰীক্ষা কৰাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত প্ৰেৰণ কৰে। মৰোনত্তৰ পৰীক্ষা কৰাৰ পাছত আজি চাৰিদিন ধৰি অচিনাকি মৃতদেহটো ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত ৰখা হৈছে বুলি জানিব পৰা গৈছে।

NEMCARE
Group of Institutions
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm
❖ BSc Nursing
❖ D Pharm
❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

৬ অক্টোবৰ ■ ২০২২ ■ ১৯ আহিন

# অভাৱ-অনাটনেৰে অম্লান কৰিব নোৱাৰা দুৰ্গোৎসৱ পালন কৰিলে অসমবাসীয়ে

যোৱা এমাহজুৰি বৃহদাকাৰে প্ৰস্তুতি চলাই অসমত অসমীয়া ৰাইজে উলহ-মালহেৰে পালন কৰিলে শাৰদীয় দুৰ্গোৎসৱ। কোভিড কালৰ ভয়াৱহ পৰিস্থিতিৰ অৱসান ঘটাই ৰাজ্যবাসীয়ে প্ৰান্তে প্ৰান্তে পূজাথলী স্থাপন কৰি উখল-মাখল পৰিৱেশৰ আজি অন্ত পেলাবলৈ সাজু হৈছে। যোৱা চাৰি দিন ধৰি পুৱাৰে পৰা দুৰ্গাসহিতে লক্ষ্মী, সৰস্বতী, কাৰ্তিক, গণেশৰ মৃন্ময় মূৰ্তিক বেদীত প্ৰতিষ্ঠা কৰাৰ লগতে বিহিত পূজাৰ শুভাৰম্ভ কৰে। প্ৰতি সন্ধিয়া দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস হৈছিল। মহাসপ্তমীৰ দিনা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ নৱ পত্ৰিকা প্ৰৱেশ, স্থাপন, সপ্তমী বিহিত পূজা, সন্ধিয়া আৰতি, নিশা ১০.৪৯ বজাৰ পৰা ১১-২৭ বজালৈ দেৱীৰ অৰ্ধৰাত্ৰিবিহিত পূজা অনুষ্ঠিত হয়। লোকবিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ গজ অৰ্থাৎ হাতীত উঠি মৰ্ত্যলৈ আগমন ঘটিছে। ইয়াৰ ফল শস্যপূৰ্ণ বসুন্ধৰা। দেৱীৰ নৌকাত গমন হ'ব। যাৰ ফলত ফল-শস্য বৃদ্ধি পাব। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, শংখ-তালৰ ধ্বনি, ঢাক-ঢোলৰ শব্দ, মহিষ মৰ্দিনীৰ পূজা-অৰ্চনা, আৰতি, ওজাপালি, আয়তীৰ নাম উৰুলি আদিৰে দশমীৰ পুৱালৈকে পূজাথলীসমূহ প্ৰাণোচ্ছল তথা জীপাল হৈ থাকিব। দেশৰ লগতে ৰাজ্যজুৰি কোভিডৰ পাছত বয়বস্তু, অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ লগতে পেট্ৰ'ল-ডিজেলৰ অস্বাভাৱিক দাম বৃদ্ধিৰ মাজতে পূজাথলীসমূহ লাখ লাখ টকা ব্যয়েৰে বিভিন্ন আৰ্হিৰে সজাই-পৰাই তোলা হৈছে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ তুলনাত পূৰ্বৰ দৰে এইবাৰো গুৱাহাটী মহানগৰীৰ ভালেসংখ্যক পূজামণ্ডপত আকৰ্ষণীয় তথা দৃষ্টিনন্দন ৰূপত সজাই তোলা হৈছে। মহানগৰীত চাৰি শতাধিক দুৰ্গা পূজা আয়োজিত হৈছে। ইয়াৰ ভিতৰত কিছুসংখ্যক কমিটীয়ে কলকাতাৰ কাৰিকৰ আনি পূজামণ্ডপ, পেণ্ডেল, পোহৰৰ ব্যৱস্থা কৰিছে। চকু চাট মাৰি ধৰা আলোকসজ্জা, কেদাৰ নাথ মন্দিৰ, কম্বোদিয়াৰ এংকৰবাট মন্দিৰ, ডুবাইৰ বুৰ্জ খলিকা, পঞ্জাবৰ স্বৰ্ণ মন্দিৰ, সুউচ্চ শিৰ, ক'ৰবাত কোভিড পৰিৱেশ, আন ক'ৰবাত অসমৰ চহা গ্ৰাম্য জীৱনৰ পৰিৱেশ আদি গঢ় দি ভক্ত দৰ্শনাৰ্থীক আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে ঐতিহ্যমণ্ডিত কামাখ্যা দেৱালয়, নলবাৰীৰ বিলবেশ্বৰ দেৱালয়, ধুবুৰীৰ মহামায়া থান, কাজিৰঙাৰ কাক গোসাঁনীৰ থান, যোৰহাটৰ বুঢ়ী গোসাঁনীৰ থান, গুৱাহাটীৰ উগ্ৰতৰা দেৱালয়, ছত্ৰকাৰ দেৱালয় আদিত পৰম্পৰাগতভাৱে নীতি-নিয়মৰ মাজেৰে দেৱীৰ পূজা অনুষ্ঠিত হ'ব। কামাখ্যা দেৱালয়ত ষষ্ঠীৰ দিনাই দুটা ম'হ বলিৰে দেৱীৰ পূজা কৰা হয়। দেৱালয়ত পূজাৰ কেইদিনত চাৰিটা ম'হ বলি দিয়া হয়। অৱশ্যে ভক্ত-দৰ্শনাৰ্থীয়ে অতি কমেও ২০-২২ টা ম'হ বলি দিয়া হয় বুলি কোৱা হৈছে। আনহাতে, উগ্ৰতৰা দেৱালয়ত নৱমীৰ দিনা দহটা ম'হ বলি দিয়া হয়। গুৱাহাটী মহানগৰীৰ দুৰ্গা পূজাথলীসমূহত ইতিমধ্যে জিলা প্ৰশাসনে কে'বাটাও নিৰ্দেশনা জাৰি কৰিছে। ঘাইকৈ পূজা পেণ্ডেলত পেট্ৰ'ল, ডিজেল, কেৰাচিন আজি দাহ্য সামগ্ৰী ৰাখিব নোৱাৰা, পূজাৰ পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা, শব্দ প্ৰদূষণ নকৰাকৈ মাইক ব্যৱহাৰ কৰা, জাবৰ-জোঁথৰ নিষ্কাশনৰ নিজা ব্যৱস্থা কৰা। পূজাস্থলীৰ চৌহদত দোকান দিয়াত বাধা আদি কে'বাটাও নিৰ্দেশনা দিছে। পূজা কমিটীসমূহৰ অধিকাংশতে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা, চিচি কেমেৰা স্থাপন কৰাৰ লগতে সুৰক্ষা কৰ্মী আৰু স্বেচ্ছাসেৱক নিয়োগ কৰাৰ কথা। ইফালে আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই কৰাৰ ঘোষণা মতে পূজাৰ কেইদিনত গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত আকাশ মেঘাচ্ছন্ন হৈ থকাৰ লগতে বৰষুণৰ সম্ভাৱনাও আছে বুলি প্ৰকাশ কৰিছিল আৰু বৰষুণো ঠায়ে ঠায়ে হৈছিল। মুঠতে সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটীৰ বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গোৎসৱৰ সামৰণি পৰে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### পূজাত পুতলা-পিষ্টলৰ সলনি শিশুৰ হাতত দিয়ক ৰং-তুলিকা

আমি অভিভাৱকসকলে শিশুৰ বিকাশত, এইক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। যিটোৰে, শিশুক জীৱনত ন-উপকাৰ সাধিব পাৰে। বৈষয়িক সম্পদৰ পৰিপূৰক দৃষ্টিভংগীৰে আধুনিকতাত নিমজ্জিত আমিবোৰে শিশুসকলক ভিন্ন ৰং-তুলিকা, চিত্ৰ-কলা, ৰং-পেঞ্চিল, বিভিন্ন সংগীতৰ বাদ্যযন্ত্ৰ হাতত তুলি দিবলৈ প্ৰয়াস কৰিব লাগে। কিয়নো, সকলোৰেই জ্ঞাত আজিৰ শিশু অনলাইন গেম, ম'বাইল ফোন, লেপটপৰ দুনীয়াত আবদ্ধ। তৎসত্ত্বেও, এইবোৰ যন্ত্ৰ-পাতিৰ ব্যৱহাৰে শিশু একোগৰাকী অভিভাৱকৰ বিপথে পৰিচালিত হোৱাৰ আশংকাই সৰ্বাধিক। আমি দেখিবলৈ পাইছোঁ, সমাজ, দেশ তথা ৰাজ্যত ভিন্ন ঘটনাৱলীৰ বিৱৰণ টেলিভিছনৰ পৰ্দাত। বহলাই কোৱাৰ প্ৰয়োজন নাই? দৰাচলতে, অভিভাৱক সচেতন হ'লেহে শিশু সঠিক পথত অগ্ৰসৰ হ'ব। ৰং-তুলিকাই শিশুসকলক মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে ইয়াৰ জৰিয়তে অধিক মনোযোগী হৈ পৰে। সৃষ্টিশীলতাৰ জৰিয়তে চিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰে, ভিন্ন বাদ্যযন্ত্ৰ বজাই পৰম তৃপ্তি লাভ কৰে। ফলত শিশুসকল কম পৰিমাণে হ'লেও ম'বাইল ব্যৱহাৰৰ পৰা বিৰত থাকিব। অৰ্থাৎ ইয়াৰ প্ৰতি আকৃষ্ট নহয়, লগতে পূজা বা বিভিন্ন উৎসৱ পাৰ্বণত প্লাষ্টিক, ৰবৰৰ পিষ্টল-বন্দুকৰ সলনি অভিভাৱকসকলে শিশুৰ হাতত তুলি দিয়ক ভিন্ন ৰং-তুলিকা। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ।

■ চিন্ময় ডেকা

### চেণ্ট্ৰেল চাকৰিৰ পদ-সমূহৰ বাবে আবেদন মাচুল কিছু ৰেহাই বিচাৰোঁ

মই নিজে ২০১৫ চনতেই ডিগ্ৰী পাছ কৰিছিলোঁ। কিবা নহয় কিবা এটা কামত নিয়োজিত হৈ আছোঁ যদিও চৰকাৰী চাকৰি এটাৰ বাবে মই এতিয়াও প্ৰত্যাশী। সেয়েহে চৰকাৰী যিকোনো পদ ওলালে প্ৰায়েই আবেদন কৰিবলৈ চেষ্টা কৰোঁ। কিন্তু কথা হ'ল যেতিয়াৰ পৰাই পদসমূহত আবেদন কৰিবলৈ অৰ্হতা অৰ্জন কৰিছোঁ, তেতিয়াৰ পৰা দেখি আহিছোঁ যে বিশেষকৈ চেণ্ট্ৰেল চাকৰিৰ পদসমূহত মূলতঃ যিকোনো বেংকৰ পদসমূহৰ বাবে সাধাৰণ শ্ৰেণীৰ বাবে আবেদনৰ সময়ত ধাৰ্য কৰা আবেদন মাচুলৰ পৰিমাণ অন্য শ্ৰেণীৰ প্ৰাৰ্থীতকৈ বহু গুণ বেছিকৈ ধাৰ্য কৰা দেখা যায়। এইক্ষেত্ৰত অন্যান্য শ্ৰেণীৰ প্ৰাৰ্থীসমূহৰ বাবে ধাৰ্য কৰা মাচুলৰ বাবে কৰ্তৃপক্ষক ধন্যবাদ দিবই লাগিব। যিহেতু তেওঁলোকৰ বাবে এটা নগণ্য পৰিমাণৰ আবেদন মাচুল ধাৰ্য কৰে। ফলত সেই শ্ৰেণীৰ অন্তৰ্গত প্ৰায়খিনি ইচ্ছাকৃত প্ৰাৰ্থীয়ে উক্ত পদসমূহত আবেদন কৰিবলৈ সুবিধা পায়। কিন্তু প্ৰবল ইচ্ছা থকা সত্ত্বেও মোৰ দৰে অভাৱে জুৰুলা কৰা সাধাৰণ শ্ৰেণীৰ অন্তৰ্গত প্ৰাৰ্থীসমূহৰ বাবে উক্ত পদসমূহত আবেদন কৰিবলৈ অসুবিধাৰ সন্মুখীন হয়। ফলত প্ৰবল ইচ্ছাকৃত সাধাৰণ শ্ৰেণীৰ প্ৰায়খিনি চাকৰিপ্ৰত্যাশী প্ৰাৰ্থীয়েই উক্ত পদসমূহৰ বাবে আবেদন কৰিবলৈ অসমৰ্থ হয়। যাৰ কাৰণে সমাজত সময়ে সময়ে যোগ্য শিক্ষিত নিবনুৱাৰ আৰ্তনাদ দেখা পোৱা যায়। সেয়েহে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উক্ত পদসমূহৰ বিভাগৰ সৈতে এক আলোচনাৰ জৰিয়তে বিভাগত তাহানিৰ পৰা চলি অহা আবেদন মাচুলৰ ৰীতি-নীতিসমূহৰ ক্ষেত্ৰত অন্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে, যাতে ৰাজ্যৰ লগতে দেশৰ সকলো শ্ৰেণীৰ প্ৰাৰ্থীসমূহে উক্ত পদসমূহত অতি সহজে আবেদন কৰিবলৈ সক্ষম হয়।

■ পিংকু ডেকা
ফোন ঃ ৬০০১৯৩৫৩২৮

◆◆◆ *সাম্প্ৰতিক সময়ত জলবায়ু সংকটৰ প্ৰভাৱত সমগ্ৰ পৃথিৱী বিভিন্ন বিপদৰ মুখামুখি হৈছে। তাৰ ভিতৰত খৰাং, অতি বৃষ্টি, ঘূৰ্ণি বতাহ, দাবানল আদি সংঘটিত হৈছে। গোলকীয় উষ্ণতা বৃদ্ধি পাই মেৰু অঞ্চলৰ বৰফ গলনৰ লগতে শীতপ্ৰধান ইউৰোপৰ বিভিন্ন দেশ আৰু আমেৰিকাও ক্ষতিগ্ৰস্ত হৈছে। আমাৰ দেশখন কিছু পৰিমাণে গ্ৰীষ্মপ্ৰধান। অৱশ্যে আমি সৰুতে নাতিশীতোষ্ণ বুলি পঢ়িছিলোঁ* ◆◆◆

# ভাৰতৰ পুনৰ ঘেঁহু ৰপ্তানি বন্ধ আৰু ধানৰ উৎপাদন হ্ৰাস



ইপাৰ- সিপাৰ
■ বেবী সোনোৱাল হাজৰিকা



খাদ্য সংকটৰ আশংকাত ভাৰতে চাৰি মাহৰ আগতে নিষিদ্ধ কৰা ঘেঁহুৰ পুনৰ ৰপ্তানি কৰিছিল। কিন্তু উৎপাদন হ্ৰাস পোৱা বাবে চাউলৰ লগতে আকৌ ঘেঁহু ৰপ্তানিত বিধি-নিষেধ জাৰি কৰিলে। ভাৰতৰ কৃষিখণ্ডত ঘেঁহুৰ নাটনিয়ে সমস্যাৰ সৃষ্টি কৰিছে। বৰ্তমান দেশত ঘেঁহুৰ উৎপাদন ২.২৭ শতাংশ হ্ৰাস হৈছে। ২০২০-২১ কৃষিবৰ্ষৰ ১১০ মিলিয়ন টন ঘেঁহু উৎপাদনৰ পৰা ২০২১-২২ বৰ্ষত ১০৫.২৪ মিলিয়ন টনলৈ উৎপাদন কমিছে। সেয়ে কেন্দ্ৰীয় চৰকাৰে পুনৰ তৎকালীনভাৱে চিচিইএৰ বৈঠকত পৰৱৰ্তী দুটা মাহৰ কাৰণে ঘেঁহুৰ ৰপ্তানি বন্ধ কৰাৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, বৰ্তমান পৰ্যাপ্ত পৰিমাণে বৰষুণ নোহোৱা বাবে দেশৰ ধানৰ উৎপাদনো কমিছে। সেয়ে ভাৰতে বগা চাউল (আৰৈ চাউল ) ৰপ্তানিত বাধা আৰোপ কৰিছে। কিয়নো ভাৰতত এই চাউলৰ চাহিদা বেছি। এই চাউলৰ যিমানখিনি উৎপাদন হৈছে, সেইখিনিৰে দেশৰ চাহিদা পূৰাবৰ বাবেহে যথেষ্ট হ'ব, সেয়ে বিদেশলৈ ৰপ্তানি কৰিব পৰা নাযাব। অৱশ্যে অন্য চাউলৰ লগতে প্ৰিমিয়াম বাচমতি চাউলৰ ৰপ্তানি অব্যাহত থাকিব বুলি জানিব পৰা গৈছে। বিশ্বত ভাৰত প্ৰধান চাউল ৰপ্তানিকাৰক দেশ হিচাপে পৰিচিত। ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতে প্ৰায় ২২ মিলিয়ন চাউল ৰপ্তানি কৰিছিল। বিশ্বৰ মুঠ চাউলৰ চাহিদাৰ ৪০ শতাংশ ভাৰতে ৰপ্তানি কৰে। ভাৰতৰ মুঠ চাউল উৎপাদনৰ এক ষষ্ঠাংশ ৰপ্তানি কৰা হৈছিল।

সাম্প্ৰতিক সময়ত জলবায়ু সংকটৰ প্ৰভাৱত সমগ্ৰ পৃথিৱী বিভিন্ন বিপদৰ মুখামুখি হৈছে। তাৰ ভিতৰত খৰাং, অতি বৃষ্টি, ঘূৰ্ণি বতাহ, দাবানল আদি সংঘটিত হৈছে। গোলকীয় উষ্ণতা বৃদ্ধি পাই মেৰু অঞ্চলৰ বৰফ গলনৰ লগতে শীতপ্ৰধান ইউৰোপৰ বিভিন্ন দেশ আৰু আমেৰিকাও ক্ষতিগ্ৰস্ত হৈছে। আমাৰ দেশখন কিছু পৰিমাণে গ্ৰীষ্মপ্ৰধান। অৱশ্যে আমি সৰুতে নাতিশীতোষ্ণ বুলি পঢ়িছিলোঁ। ভাৰতে অন্যান্য কৃষিজাত সামগ্ৰীৰ লগতে খাদ্য শস্য ৰপ্তানি কৰি আহিছে। কিন্তু সাম্প্ৰতিক সময়ত খাদ্য শস্যৰ উৎপাদন ১৬ শতাংশ হ্ৰাস পাইছে। ইয়াৰ বাবে জলবায়ু সংকটেই দায়ী বুলি কৃষি আৰু পৰিৱেশ বিজ্ঞানীসকলে মন্তব্য কৰিছিল। উৎপাদন হ্ৰাস পোৱা বাবে ভাৰতে যোৱা মে' মাহত (২০২২ চন) কিছু খাদ্য সামগ্ৰী ৰপ্তানিত বাধা আৰোপ কৰিছিল।

কিন্তু, খাদ্য সংকটে জুৰুলা কৰা দেশসমূহৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰি ভাৰত চৰকাৰে 'চৰকাৰৰ পৰা চৰকাৰলৈ (Government to Government) নীতিৰ অধীনত চলিত বছৰৰ আগষ্ট মাহৰ প্ৰথম অৱস্থাত একাধিক দেশলৈ মুঠ ৩,৭০,০০০ টন ঘেঁহু ভাৰতে ৰপ্তানি কৰিছিল। এই ব্যৱস্থাৰ অৰ্থ হ'ল, ভাৰত চৰকাৰে প্ৰত্যক্ষভাৱে অন্য দেশৰ চৰকাৰৰ সৈতে এই বিষয়ত চুক্তিবদ্ধ। এই নীতিমতে বেচৰকাৰী আমদানি আৰু ৰপ্তানিকাৰীসকলক মধ্যস্বত্বভোগী হিচাপে আঁতৰাই দিয়া হৈছে।

উল্লেখ্য যে ২০২২ চনৰ ১৩ মে'ত কেন্দ্ৰীয় চৰকাৰে ঘেঁহু ৰপ্তানি নিষিদ্ধ কৰিছিল। তাৰ লগতে পৰ্যায়ক্ৰমে আটা, চাউল, চেনি আদি ৰপ্তানি বন্ধ কৰিবলৈ বাধ্য হৈছিল। মূলতঃ পঞ্জাব, হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশত অত্যধিক তাপ প্ৰবাহৰ ফলত ঘেঁহু উৎপাদন ক্ষতিগ্ৰস্ত হোৱা বাবে চৰকাৰে এনে সিদ্ধান্ত ল'বলগীয়া হৈছিল। তথাপি ভাৰত চৰকাৰে বিশ্বব্যাপী দেখা দিয়া খাদ্য সংকট ৰোধ কৰিবলৈ সহায় কৰাৰ উদ্দেশ্যে কূটনৈতিক পৰ্যায়ত অনুৰোধৰ ভিত্তিত ঘেঁহু ৰপ্তানি কৰিছিল। উল্লেখ্য যে যোৱা মে' মাহৰ পিছৰ পৰা প্ৰায় ১২খন দেশে ভাৰতৰ পৰা অৰ্ডাৰ কৰা ঘেঁহুৰ সৰবৰাহ সন্দৰ্ভত বিস্তাৰিত তথ্য বিচাৰি তেওঁলোকৰ চাহিদা পূৰণ হ'ব নে নহয়, সেয়া জানিব বিচাৰে। আকৌ ৪৭খন দেশে ভাৰতক খাদ্যশস্য ৰপ্তানিৰ বাবে আহ্বান জনাইছে। অৱশ্যে ভাৰত চৰকাৰে তাৰ প্ৰত্যুত্তৰ ইতিমধ্যে দিছে আৰু বহুতলৈ ঘেঁহু সৰবৰাহ কৰা হৈছে। এজন চৰকাৰী কৰ্মকৰ্তাৰ মতে, খাদ্য সংকটে দেখা দিয়া দেশসমূহলৈ ঘেঁহু ৰপ্তানি কৰা হৈছে। তাৰ ভিতৰত আছে, বাংলাদেশ, কাতাৰ, নেপাল আৰু সংযুক্ত আৰব আমিৰছাহি। অন্যান্য দেশৰ অনুৰোধো চৰকাৰে বিশেষভাৱে বিবেচনা কৰি আছে বুলি জানিব পৰা গৈছে।

এইখিনিতে উল্লেখযোগ্য যে তিনি বছৰ আগতে ভাৰতৰ ঘেঁহু ৰপ্তানিৰ পৰিমাণ আছিল মাত্ৰ ২ লক্ষ টন। দুবছৰ আগতে ভাৰতে ২০ লক্ষ টন ঘেঁহু ৰপ্তানি কৰিছিল। ২০২১ চনত ৰপ্তানি কৰা হৈছিল ৭০ লক্ষ টন ঘেঁহু। ভাৰত বিশ্বৰ সপ্তম সৰ্বাধিক ঘেঁহু উৎপাদনকাৰী ৰাষ্ট্ৰ। কিন্তু সদ্যহতে জলবায়ু পৰিৱৰ্তনৰ ফলত ঘেঁহু উৎপাদনত সমস্যাৰ সৃষ্টি হৈছে। সেয়ে ভাৰতে পুনৰ ঘেঁহু ৰপ্তানি দুমাহৰ বাবে বন্ধ কৰিবলৈ বাধ্য হৈছে। এনে অৱস্থাত সকলোৰে দায়িত্বসহকাৰে জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবলৈ আগবাঢ়ি অহা উচিত।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### আমাৰ বিদ্যালয়ৰ সন্মুখত দুৰ্গা পূজা

■ মাণিক চন্দ্ৰ নাথ

অসমত বসবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী লোকে নিজৰ নিজৰ ধৰ্ম ৰক্ষা আৰু ধৰ্মীয় উৎসৱ পালন কৰি আহিছে। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ খিলঞ্জীয়া অসমীয়াসকল অৰ্থাৎ অসমৰ বাসিন্দাসকলৰ ঘাই অংশটো মূলতঃ নামঘৰকেন্দ্ৰিক ধৰ্মীয়-সংস্কৃতিৰ লগত জড়িত। অসমত দুৰ্গা পূজাৰ প্ৰচলনৰ বিষয়ে বুৰঞ্জীৰ পাতত যি লিখা আছে সেইবোৰ খুঁচৰিবলৈ নাযাওঁ। কিন্তু দুৰ্গা পূজা চাবলৈ নগৰ এখনলৈ যাবলগীয়া দিনবোৰ এৰি অহা কিমান দিন হৈছে? শাৰদীয় আনন্দ অকল দুৰ্গা পূজাইহে আনেনে? দৰাচলতে অসমীয়া সমাজে ভাদ মাহৰ পৰা আহিন মাহৰ গুৰু জয়ন্তীকে ধৰি কাতি বিহুলৈকে এই সময়ছোৱাত নাম-প্ৰসংগ, খোল-তালৰ মাজেদি সেই আনন্দ-অনুভূতি প্ৰশমিত কৰে। ভাদ মাহৰ পৰা গুৰুজনাৰ জন্মোৎসৱলৈকে নাম-ভাওনা আয়োজনৰ নামত গাঁওবোৰত এক উদুলি-মুদুলি পৰিৱেশ বিৰাজমান হৈ থাকে। এনেদৰে শাৰদীয় বতৰে আমাৰ কৃষ্টি-সংস্কৃতি ধৰি ৰখাৰ লগতে সকলোকে নিৰ্মল আনন্দ প্ৰদান কৰি আহিছে। কিন্তু এতিয়া কিমানটা নামঘৰক কেন্দ্ৰ কৰি সেই পৰিৱেশ বৰ্তি আছে? তাৰ বিপৰীতে কিমান ঘৰ মানুহক দুৰ্গা পূজাৰ উল্লাসৰ বতাহে নোকোবোৱাকৈ আছে? গাঁৱৰ মানুহে এতিয়া দুৰ্গা পূজা চাবলৈ নগৰলৈ যাব নালাগে, কাৰণ নিজৰ গাঁৱত অথবা কাষৰ মফচলীয় অঞ্চলত দুৰ্গা পূজা অনুষ্ঠিত হয়। স্পৰ্শকাতৰ বিষয়টো হ'ল মফচলীয় অঞ্চলতে মাধ্যমিক বিদ্যালয় বা মহাবিদ্যালয়ৰ ৰূপত অঞ্চলটোৰ উচ্চতম শিক্ষানুষ্ঠানো অৱস্থিত। এই শিক্ষানুষ্ঠানে অঞ্চলটোৰ শৈক্ষিক যাত্ৰাৰ নেতৃত্ব বহন কৰে। কিন্তু শৈক্ষিক পৰিৱেশ বিনষ্ট কৰা ৰাজকীয় দুৰ্গা পূজা শিক্ষানুষ্ঠানৰ আশে-পাশে অনুষ্ঠিত কৰি গাঁৱলীয়া সমাজখনক কোন দিশে আগুৱাই নিবলৈ বিচাৰিছে? মফচলীয় অঞ্চললৈ দুৰ্গাপূজাৰ সম্প্ৰসাৰণে আমাৰ সমাজখনক কেনেদৰে প্ৰভাৱিত কৰিছে তাৰে কেইটিমান দিশ অভিজ্ঞতাৰ ভিত্তিত উল্লেখ কৰিলোঁ।

১) দুৰ্গা পূজাৰ দৰে জাকজমকীয়া উৎসৱে স্কুলীয়া বয়সৰ ল'ৰা-ছোৱালীক আটাইতকৈ বেছিকৈ মতলীয়া কৰে। শুনিবলৈ বেয়া হ'লেও সত্য কথাটো ক'বই লাগিব যে দুৰ্গা পূজাৰ উপৰুৱা আনন্দ-স্ফূৰ্তিত আত্মহাৰা হৈ পৰা এচাম লোকৰ অকুণ্ঠ সমৰ্থনৰ বাবেই মফচলীয় অঞ্চলবোৰলৈ দুৰ্গা পূজা সম্প্ৰসাৰিত হৈ গৈ আছে। চিলাৰ দৰে মেলি দিয়া মনক অধ্যয়নত বহুৱাব পাৰি জানো? দুৰ্গা পূজাৰ উপৰুৱা আনন্দ-স্ফূৰ্তিত যেতিয়া পিতৃ-মাতৃ আৰু সতি-সন্ততি একাকাৰ হৈ পৰে তেতিয়া ঘৰখনত কেনেবাকৈ স্থাপিত হৈ থকা পঢ়া-শুনাৰ পৰিৱেশটো পূজাতে থানবান হৈ যায়।

২) পূজাৰ মূৰ্তি আনিবলৈ আৰু বিসৰ্জন দিবলৈ যাওঁতে ট্ৰাকত উঠি বা পূজাৰ ঢাক-ঢোলৰ ছেৱত সৰু সৰু ল'ৰাবোৰে যিদৰে নাচি-বাগি-চিঞৰি উচ্ছৃংখল আচৰণ দেখুৱাই, তাতেই তেওঁলোকৰ ভৱিষ্যতটো পুতৌজনকভাৱে ফুটি উঠে। কিন্তু তেওঁলোকক ট্ৰাকত উঠিবলৈ দিয়ে কোনে? বুজাই নক'লেও হ'ব যে এই ল'ৰাবোৰ যিখন বিদ্যালয়ৰ ছাত্ৰ, পূজাৰ উদ্যোক্তাসকলৰ বহুকেইজন সেইখন বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ। দুৰ্গা পূজা শক্তিশালী আৰু বিস্তাৰ কৰিবলৈ উদ্যোক্তা সৃষ্টি কৰাৰ ক্ষেত্ৰত ইয়াতকৈ আৰু উৎকৃষ্ট কিবা উপায় আছে নেকি?

৩) যথাবিধি নীতি-নিয়মৰ মাজেদি পূজা চলি থাকে যদিও পূজাক কেন্দ্ৰ কৰি চাৰিওফালৰ পৰিৱেশটোৰ সকলোধৰণৰ সামাজিক শৃংখলা শিথিল হৈ যায়। য'তেই সামাজিক শৃংখলা শিথিল হৈ পৰে তাতেই মানুহৰ আদিম প্ৰবৃত্তি জাগ্ৰত হয়। গতিকে দেখিব-শুনিব নলগীয়া এনেধৰণৰ অসামাজিক কৰ্ম-কাণ্ড সৰু সৰু ল'ৰা-ছোৱালীবোৰে দুৰ্গা পূজাত দেখে বা শুনে বা গম পায়, যিবোৰ কৰ্ম-কাণ্ডই তেওঁলোকৰ চৰিত্ৰ গঠনত প্ৰভূত অৰিহণা যোগায়।

৪) মফচলীয় অঞ্চলৰ দুৰ্গা পূজাত দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকল আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হয়। দুৰ্গা পূজাৰ আনন্দই বহুতকে এনেকুৱা মতলীয়া কৰি তুলে যে তেওঁলোকে পূজাত খৰচ কৰিবলৈ কষ্টোপাৰ্জিত ধন সাঁচি যায়। ফলত দুৰ্গা পূজাই বহু পৰিয়ালক দৰিদ্ৰতাৰ কৰাল গৰাহৰ পৰা মুক্ত হ'ব নোৱাৰা অৱস্থালৈ ঠেলি দিয়ে। শিশুৰ কাৰণে দাৰিদ্ৰতা অভিশাপ নহয়, যদিহে দুখীয়া হ'লেও ঘৰখনত এক আদৰ্শ বৰ্তি থাকে। কিন্তু সেইসকল শিশুৰ বাবে দাৰিদ্ৰতা অভিশাপস্বৰূপ হৈ পৰে, যিসকলৰ দৰিদ্ৰ পিতৃ-মাতৃয়ে গাঁথিৰ ধন ভাঙি স্ফূৰ্তি-তামাচা কৰে। সেয়ে বহু শিশুৰ বাবে দুৰ্গা পূজাক অভিশাপৰ এক কাৰণ হিচাপে থিয় কৰোৱা হয়।

স্কুলীয়া শিক্ষাত প্ৰতিটো শ্ৰেণীৰে পাঠ্যক্ৰমবোৰ এনেদৰে সজোৱা থাকে যে কোনো ছাত্ৰই পঢ়াৰ টেবুলৰ পৰা এটা দিন আতৰি থাকিলেও সেই দিনটো পিছত হিচাপলৈ আহে। দুৰ্গাপূজা চাৰিদিনীয়া অনুষ্ঠান। অসুখ-বিসুখ বা অন্য কিবা এৰাব নোৱাৰা কাৰণত কোনোবা ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনা কে'বাদিনো ক্ষতি হ'লেও পিছত অতিৰিক্ত কষ্ট কৰি সেইখিনি পূৰ কৰি ল'ব পাৰে। কিন্তু দুৰ্গা পূজাৰ আনন্দ-উল্লাসত নিজকে এৰি দিয়া ল'ৰা-ছোৱালীবোৰৰ মনৰ মাজত এটা বছৰৰ পিছত আহিব লগা পূজায়ো ঠাই অধিকাৰ কৰি থাকে। গতিকে পূজা যিমানে ওচৰ চাপে তেওঁলোকৰ মন সিমানে চঞ্চল হৈ পৰে, অৰ্থাৎ তেওঁলোকৰ পূজাৰ আনন্দ দীঘলীয়া হৈ পৰে। এনেদৰে গাঁৱলৈ দ্ৰুত সম্প্ৰসাৰিত দুৰ্গা পূজাই আমাৰ ল'ৰা-ছোৱালীবোৰক উতনুৱা কৰি নি থকা বিষয়টো আওকাণ কৰি সমাজৰ সৰ্বাংগীণ উন্নতি সম্ভৱপৰনে?

ফোন ঃ ৯৩৯৫৫২৬৭৮৮



### ৰাজপথত মৃত্যুৰ কোলাহল

■ মানসপ্ৰতিম সন্দিকৈ

নিতৌ বাতৰি কাকত নতুবা নিউজ চেনেলবোৰত অসংখ্য মৃত্যুৰ বাতৰিয়ে শিৰোনাম দখল কৰে। এই বাতৰিবোৰৰ ভিতৰত প্ৰায়সংখ্যক বাতৰিয়েই পথ দুৰ্ঘটনাকেন্দ্ৰিক। কিছুমান বাতৰি বৰ হৃদয়বিদাৰক, কোনোবাই কাৰোবাৰ একমাত্ৰ পুত্ৰ হেৰুৱাইছে, কোনোবাই পিতৃক হেৰুৱাইছে। কিন্তু বাতৰিয়ে আমাক ক্ষন্তেক সময়ৰ বাবেহে আৱেগিক কৰি তোলে, আমাৰ বাবে সেয়া কেৱল এটা নিউজহে হৈ ৰয়। কিন্তু যি নিজৰ বুকুৰ আপোনক হেৰুৱাই সেই হেৰুৱাৰ মৰ্মবেদনা কেৱল ভুক্তভোগীয়েহে অনুভৱ কৰিব পাৰে। মৃত্যুবোৰ তেনেই সাধাৰণ হৈ পৰিছে। খন্তেকতে ঘূৰি আহিম বুলি কৈ যোৱাজনেও এটা বাতৰি হৈ আহিছে, সন্ধিয়া আহাৰ যোগাৰ কৰিবলৈ ওলাই যোৱাজনো নিথৰ হৈ আহিছে। যোৱাজন গুচি গ'ল, কিন্তু কিমান কি যন্ত্ৰণা দি গ'ল সেয়া অৱৰ্ণনীয়। কিছুমান উদণ্ড চালকৰ অত্যধিক অতপালিয়ে কাৰোবাৰ জীৱনলৈ খন্তেকতে অমানিশা নমাই আনে। যিমান সাৱধান সচেতন লোকো উদণ্ড চালকৰ বলি হ'ব লগা হয়। কাৰণ সাৱধানতা-সচেতনতা দুয়ো পক্ষৰ বাবে জৰুৰী । কিছুমান ঘটনা ভুলবশতঃ বা যান্ত্ৰিক বিজুতিৰ ফলত ঘটাটো স্বাভাৱিক। কিন্তু উদণ্ড চালকসকল সচেতন হোৱাটো উচিত। যান-বাহন আইন সম্পৰ্কে যেতিয়া চৰকাৰী কিছুমান সূচনা নিউজ চেনেলবোৰত দেখা পাওঁ তাক আমি হাঁহিৰ খোৰাক বনাই পেলাওঁ। দুজন বাইক আৰোহীৰ দুটা হেলমেট পৰিধান মানে আমি চৰকাৰে টকা তোলা নতুন কৌশল বুলি ভাবি লৈছিলোঁ , এনে এচাম ওলাব যি চৰকাৰৰ এই নীতিক সমালোচনা কৰিছিল। কিন্তু আমি ভবাৰ দৰে নহয় চৰকাৰৰ এই নীতি-নিয়মবোৰ আমাৰ জীৱনৰ বাবে অতি জৰুৰী। চৰকাৰৰ এই সকলোবোৰ নিয়ম পালন কৰিলে আমাৰ খৰচ হোৱাটো আৰু চৰকাৰলৈ কৰ যোৱাটো স্বাভাৱিক, কিন্তু চৰকাৰৰ সেই নিয়মে আমাৰ সাৱধানতা বৃদ্ধি কৰাটোহে জৰুৰী। পথ দুৰ্ঘটনাৰ আন এটা কাৰণ হ'ল পথৰ দুৰৱস্থা। পথ মেৰামতিৰ কামবোৰ চৰকাৰৰ, চৰকাৰেও গাড়ীৰ গৰাকীসকলৰ পৰা তোলা ৰাস্তাৰ কৰবোৰ ৰাস্তাৰ মেৰামতিৰ কামত ব্যৱহাৰ কৰক। অসমৰ হাজাৰ হাজাৰ পথৰ দুৰৱস্থাও দুৰ্ঘটনাৰ এটা প্ৰধান কাৰণ হৈ পৰিছে। বৰ্তমান উদণ্ড চালক আৰু পথৰ দুৰৱস্থাই পথাচাৰি আৰু গাড়ীত যাত্ৰা কৰা সকলোলৈকে বিপজ্জনক হৈ পৰিছে। উদণ্ড চালকসকলক প্ৰশাসনে আৰু পথৰ দুৰৱস্থা চৰকাৰে নিৰ্মূল কৰিবলৈ ব্যৱস্থা লোৱা উচিত।

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

### কয়াকুছিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা



■ আনিছুৰ ৰহমান

যোৱা ২৯ মে'ত সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰস্বৰূপ কয়াকুছিৰ লগতে সৰ্থেবাৰীলৈ আহিছিল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। কয়াকুছি হৈছে বংগীয়মূলৰ মুছলমান বসতি অঞ্চল। হিমন্ত বিশ্ব শৰ্মা কয়াকুছিত অহাৰ পিছৰ পৰা অসমৰ ৰাজনীতিত কে'বাটাও প্ৰশ্নৰ অৱতাৰণা হৈছে। যি সময়ত অসমৰ চৰকাৰী মাদ্ৰাছা বন্ধ কৰি দিয়া হৈছে, বেচৰকাৰী মাদ্ৰাছাসমূহত বুলেড'জাৰ চলোৱা হৈছে, জেহাদী বিতৰ্ক চলি আছে, নিৰ্বাচনৰ আগে পিছে এই ৩৩ শতাংশ মানুহৰ ভোট নালাগে বুলি স্পষ্টভাৱে কৈ দিছে তদুপৰি সময়ে সময়ে এই মানুহখিনিক নানা ধৰণে উপলুঙা কৰি আহিছে। তেনে এজন মুখ্যমন্ত্ৰীক সৰুক্ষেত্ৰীৰ প্ৰাণকেন্দ্ৰস্বৰূপ কয়াকুছিত খোদ সমষ্টিৰ কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ সন্মুখত যিদৰে আদৰণি জনাইছে সেয়া সঁচাকৈয়ে ক্ষণিকৰ বাবে হ'লেও অসমৰ ৰাজনীতিত চিন্তাৰ কাৰক হৈ পৰিছে। হিমন্ত বিশ্ব শৰ্মা অসমৰ যিকোনো ঠাইত গৈছে তাতে 'মামা ট্ৰেণ্ড'টো দেখিব পোৱা গৈছে। শেহতীয়াভাৱে কয়াকুছিতো সেই একেই পৰিৱেশ দেখিব পোৱা গ'ল। যুৱক-যুৱতীৰ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰীলৈ সকলোৱে মামা বুলি চিঞৰিছিল। হিমন্তয়ো সকলোৰ স'তে হাত মিলাইছিল, বহুতৰ অভিযোগবোৰ শুনিছিল। মুঠতে সংখ্যাগুৰু অঞ্চলত গ'লে যিধৰণৰ সঁহাৰি পায় ঠিক একেধৰণৰ সঁহাৰি পাইছে কয়াকুছিত। পাৰ্থক্য এটাই আছিল সংখ্যাগুৰু অঞ্চলত গৈ যিদৰে পেকেজ ঘোষণা কৰে কয়াকুছিত আহি কোনো পেকেজ ঘোষণা নকৰিলে। সিদিনাই এইখন সমষ্টিৰে সংখ্যাগুৰু অঞ্চল সৰ্থেবাৰীত উপস্থিত হৈ কে'বাটাও আঁচনি ঘোষণা কৰে।

আজিৰ তাৰিখত অসমত কংগ্ৰেছৰ দুৰ্গ বুলি ক'ব গ'লে সৰুক্ষেত্ৰী সমষ্টিক ক'ব পাৰি। অসমৰ ভিতৰত আটাইতকৈ শক্তিশালী কংগ্ৰেছৰ ভেটি এই সৰুক্ষেত্ৰী সমষ্টিত। সমষ্টিৰ বৰ্তমানৰ বিধায়ক জাকিৰ হুছেইন সিকাদৰ সমষ্টিবাসীৰ মাজত খুবেই জনপ্ৰিয়। তাৰপিছতো যেতিয়া সমষ্টিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কয়াকুছিত বিজেপিৰ টুপি পিন্ধি বহুতে মুখ্যমন্ত্ৰীক আদৰণি জনায় নতুবা সাধাৰণ জনতায়ো ব্যাপকভাৱে সঁহাৰি প্ৰদৰ্শন কৰে তেতিয়া ই বহু ইংগিত প্ৰদান কৰে। যেনে সৰুক্ষেত্ৰীক লৈ ইতিমধ্য চৰ্চিত হৈছে বৰ্তমানৰ বিধায়কজন অনাগত দিনত বিজেপি গমন কৰিব নেকি? কৰ্মপটুৰ লগতে এজন প্ৰতিভাৱান ৰাজনৈতিক নেতা জাকিৰ হুছেইন সিকদাৰৰ সকলো ধৰ্মৰ মানুহৰ ওচৰত গ্ৰহণযোগ্যতা আছে। তেনেক্ষেত্ৰত সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত সিকদাৰ বিজেপি গমন কৰিলেও আচৰিত হ'বলগা একো নাই। জাকিৰ হুছেইন সিকদাৰ নামনি অসমৰ এজন শক্তিশালী কংগ্ৰেছী নেতা। তাৰবাবেই ইমান সোনকালে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদত বহিব পাৰিছে। গতিকে হিমন্ত বিশ্ব শৰ্মায়ো সিকদাৰৰ দৰে কংগ্ৰেছী বিধায়কক এজনক নিজৰ দলত আনিব পাৰিলে কংগ্ৰেছক নামনি অসমৰ পৰা উৎখাত কৰাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰিব। হিমন্ত বিশ্ব শৰ্মাৰ সিদিনাৰ জনপ্ৰিয়তা দেখি ন'দি ক'ব পাৰোঁ তেখেতে অসমত ধৰ্মৰ ৰাজনীতি নকৰিলেও চলিব। কাৰণ যি সম্প্ৰদায়ক ইমান তুচ্ছ তাচ্ছিল্য কৰাৰ পিছতো হৃদয়ৰে আঁকোৱালি লৈছে, তেনে সম্প্ৰদায়ক যদি অকল মিঠা মাত এষাৰ দিয়ে আৰু আশ্বস্ত কৰিব পৰাকৈ দিয়ে যে 'আমি তোমালোকৰ লগতে আছোঁ।' তেতিয়া ৩৩ শতাংশৰ ৩০ শতাংশ ভোট হিমন্তৰ পক্ষত আহি যাব। মই ব্যক্তিগতভাৱে বহু উচ্চ শিক্ষিত মিঞা মুছলমানক হিমন্ত বিশ্ব শৰ্মাক সমৰ্থন কৰা সন্দৰ্ভত কথা পাতোতে বুজিব পাৰিছোঁ, গৰিষ্ঠসংখ্যকে হিমন্তক হৃদয়ৰ পৰা সমৰ্থন কৰে। কিন্তু বিজেপি দলৰ পৰা হোৱা বাবেই মুকলিকৈ সমৰ্থন কৰাৰ কথা প্ৰকাশ কৰিব নোৱাৰে। আজিৰ তাৰিখত অসমত বিৰোধী দলবোৰত তেনে কোনো নেতা নাই যে হিমন্তৰ স'তে ফেৰ মাৰিব পাৰিব। তাৰবাবেই অসমত এক দীৰ্ঘকালীন বিজেপিৰ চৰকাৰ চলিব। তেনেস্থলত অসমৰ মুছলমানসকলে কংগ্ৰেছ এআইইউডিএফ কৰি থাকিলে সদায় বিৰোধীৰ আসনত থাকি থাকি সমষ্টিবোৰৰ উন্নয়ন স্থবিৰ হৈ পৰিব। তেনেস্থলত বহুতে বিজেপি গমন কৰাৰ বাবে ব্যাকুল হৈ আছে। কিন্তু হিমন্তৰ লগতে বিজেপিৰ আৰু দুই-এজন মন্ত্ৰীয়ে যিদৰে মিঞাক গালি-গালাজ কৰি আহিছে তাৰবাবে লাজতে বিজেপিত যোগদান কৰিব পৰা নাই। এয়া ঠিক, এবাৰ যদি হিমন্তই সকলো পাহৰি এই মানুহখিনিক মাতি দিয়ে তেন্তে ২০২৬ত কমপক্ষেও ৬ৰ পৰা ৭টা মুছলমান বসতিপ্ৰধান সমষ্টি বিজেপিৰ দখলত যোৱাটো নিশ্চিত।

ফোন ঃ ৭০০২৯৯৯৭৩৮



# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মজয়ন্তী

**দৈনন্দিন বাৰ্তাৰ সেৱা,ধিং, ৫ অক্টোবৰ ঃ** আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মজয়ন্তী উৎসৱ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ থানত মংগলবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হয় গুৰুজনাৰ জন্মজয়ন্তী উৎসৱ। কালি দিনটোত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ পাছত নিশা অনুষ্ঠিত হয় সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। আকাশী গংগাৰ তীৰৰ আই খেৰসূতী সাংস্কৃতিক মঞ্চত উৰে নিশা হৰি নামৰ অমল ধ্বনিৰে মুখৰিত হৈ থাকে। আজি গুৰুজনাৰ জন্মজয়ন্তীৰ দিনটোত বিভিন্ন প্ৰান্তৰ তীৰ্থযাত্ৰীৰ আগমণ ঘটে। আজি নিত্য নৈমিত্তিক নাম প্ৰসংগৰ লগতে ১১ বজাত আৰম্ভ হয় সাংস্কৃতিক শোভাযাত্ৰা। বটদ্ৰৱা থানৰ জাপি বাটচৰাৰ সন্মুখৰ পৰা আৰম্ভ হয় বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। গুৰুআসন, ভাগৱত, গায়ন বায়ন, নামকীৰ্ত্তন, কৃষ্ণ, শিৱ, ৰাম-লক্ষ্মণ-সীতা আদি বিভিন্ন চৰিত্ৰৰ ভাৱৰীয়া সৈতে অৰ্ধশতাধিক সৰু বৰ বাহনেৰে আৰম্ভ কৰা শোভাযাত্ৰাই বটদ্ৰৱা, ভেটিয়নী, ভোমোৰাগুৰি, ৰাইডঙীয়া, কৰচোং, চকলাঘাট, হাতীচোং, বেবেজীয়া, জাজৰি, নসত্ৰ হৈ শলগুৰি সত্ৰৰে বটদ্ৰৱা থানত সামৰণি মাৰে। সন্ধ্যা বটদ্ৰৱা থানৰ ভকত ডম্বৰুধৰ নামলগোৱা, দেবেন আতৈ আৰু যোগেশ বৰনামলগোৱাই আৰম্ভ কৰা বন্তি প্ৰজ্বলনৰ পাছতেই কীৰ্তনঘৰ, হাটিপুখুৰী, আকাশী গংগা, দৌলমন্দিৰ, নৈমিষা ক্ষেত্ৰ, সতী ৰাধিকা ক্ষেত্ৰ, পদশিলাৰ লগতে শলগুৰি আৰু নৰোৱা সত্ৰৰ প্ৰতিঘৰ গৃহস্থৰ পদূলিয়ে পদূলিয়ে জ্বলি উঠা হেজাৰ হেজাৰ প্ৰদীপৰ পোহৰত দৃষ্টিনন্দন হৈ পৰে গুৰুজনাৰ জন্মধাম। নিশা ৯ বজাৰ পৰা শলগুৰি সত্ৰৰ ভকতে পৰিবেশন কৰা শ্যামন্ত হৰণ ভাওনা উপভোগ কৰি দৰ্শক তথা ভকতসকল আপুত হৈ পৰে।

**ওদালগুৰিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৪সংখ্যক আৰিৰ্ভাৱ মহোৎসৱৰ শুভাৰম্ভ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক আবিৰ্ভাৱ মহোৎসৱটি আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে স্হানীয় শঙ্কৰদেৱ মিচন মাধ্যমিক বিদ্যালয়ত শুভাৰম্ভণি হৈছে।এই উপলক্ষে আজি পুৱা ১০.৩০ বজাত ধৰ্মধ্বজা উত্তোলণ কৰে উদযাপন সমিতিৰ সভাপতি ডালিম বায়নে। উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি বিবেক দাসে আঁতধৰা অনুষ্ঠানত ধৰ্মধ্বজা উত্তোলন কৰি সভাপতি ডালিম বায়নে কয়-মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া জাতিৰ বাবে দি থৈ যোৱা কলা কৃষ্টি,সাহিত্য সংস্কৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত ভক্তপ্ৰাণ ৰাইজে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি উল্লেখ কৰে।তেওঁ বিশেষকৈ নৱ প্ৰজন্মক গুৰুজনাৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতি উদ্বুদ্ধ হবলৈ আহ্বান জনায়। সভাপতি বায়নে চাৰিওদিনৰ কাৰ্যসূচী সফলতা কামনা কৰাৰ উপৰিও ৭ অক্টোবৰৰ ভাগৱত লৈ শোভাযাত্ৰা আৰু ৮ অক্টোবৰৰ মুকলি ধৰ্মালোচনী সভাত সকলোকে অংশ গ্ৰহণৰ আহ্বান জনায়। ইয়াৰ উপৰিও আজি পুৱা ৪ বজাত প্ৰভাত ফেৰী, পুৱা ৮ বজাত থাপনা গৃহত ভাগৱত স্হাপন আৰু নাম প্ৰসঙ্গ আৰু পুৱা ১১ বজাত ফনীধৰ ৰাজবংশীয়ে ভাগৱত পাঠ কৰে।ইপিনে বিয়লি ৪ বজাত ঘোষানাম প্ৰতিযোগিতা,সন্ধিয়া ৭ বজাত বন্তি প্ৰজ্বলন কৰিব শৰণাচাৰ্য বিমল ভকতে,বৰগীত প্ৰতিযোগিতাৰ পিছতেই সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী দামোদৰ দাসে। নিশা ৯ বজাত কাঁচিয়লি সুৰ সমগমৰ দ্বাৰা কলা কৃষ্টি প্ৰদৰ্শন।

**পাথৰিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত ৫৭৪সংখ্যক জয়ন্তী, মহিলা শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব 'পাশাখেল'**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁৱৰ মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ উদ্যোগত মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ নামঘৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক আবিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত কৰা হৈছে। এই উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হোৱাৰ পাছতে বন্তিপ্ৰজ্বলন, গন্ধৰ্ববাদন আদি কাৰ্যসূচীৰে সম্পন্ন হয়। কাইলৈ পুৱা উষা কীৰ্তনেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত ধৰ্মধ্বজা উত্তোলন কৰিব মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ সভাপতি নিত্যানন্দ বৰাই । ইয়াৰ পাছতে পুৱা ৯ বজাত নাটক 'অনয়ন' প্ৰদৰ্শন কৰা হ'ব। ১০ বজাত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১১ বজাত খোল প্ৰসংগ, দুপৰীয়া নাম প্ৰসংগ আৰু ইয়াৰ অন্তত চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হ'ব। বিয়লি ভাগত ধৰ্মধ্বজা অৱনমন, বন্তি প্ৰজ্বলন, সন্ধ্যা প্ৰসংগ, গন্ধবাদনৰ অন্তত নিশালৈ অঞ্চলৰ বাচকবনীয়া মহিলা শিল্পীৰ দ্বাৰা অংকীয়া ভাওনা 'পাশাপৰ্ব' প্ৰদৰ্শিত হ'ব। সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি উদ্যোক্তা সকলৰ হৈ সম্পাদক গোলাপ চন্দ্ৰ কলিতাই কামনা কৰিছে। ইফালে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জন্মস্থান পলাশনিৰ পলাশনি শংকৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰতো প্ৰতি বছৰৰ দৰে এইবাৰো শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱভাগ আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছে।

**জগৎগুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তী উদ্‌যাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও ঃ** সমগ্ৰ অসমৰ লগতে উত্তৰ গুৱাহাটীতো বুধবাৰৰ দিনটোত উদযাপন কৰা হয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৪ তম জন্ম জয়ন্তী।এই উপলক্ষে উত্তৰ গুৱাহাটীৰ ৰংমহল, ৰুদ্ৰেশ্বৰ, মাজগাঁও, আমিনগাওঁ আদি বিভিন্ন ঠাইত গুৰুজনাৰ জন্ম জয়ন্তী উলহ মালহেৰে উদ্‌যাপন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰংমহল শাখাৰ উদ্যোগতো পালন কৰা হ'ল এই মহাজয়ন্তীৰ। বন্তি প্ৰজ্বলন,পতাকা উত্তোলন কাৰ্যসূচীৰে আৰাম্ভ হোৱা এই অনুষ্ঠানত ভকত বৈষ্ণৱ সকলে প্ৰাতঃ প্ৰসঙ্গ আৰু ভাগৱত শোভাযাত্ৰাতো অংশগ্ৰহণ কৰে। উত্তৰ গুৱাহাটীৰ বিভিন্ন অঞ্চল সমূহ সামৰি উলিওৱা এই ভাগৱত শোভাযাত্ৰাত আয়তী সকলে দিহা নাম পৰিবেশন কৰে ।আনহাতে ভাগৱত শোভাযাত্ৰাৰ অন্তত নাম প্ৰসংগ অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া এক বন্তি প্ৰজ্বলন অনুষ্ঠানৰো আয়োজন কৰে ভকত বৈষ্ণৱ সকলে। উল্লেখ্য, মহাপুৰুষ জনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ জগতত শান্তি, সম্বৃদ্ধি প্ৰতিষ্ঠা কৰাৰ অৰ্থে আৰু ভাতৃত্ববোধেৰে উদ্ধুদ্ধ হৈ মানৱ জাতিৰ সৰ্ব মংগল কামনাৰে প্ৰতি বছৰে গুৰু জনাৰ জন্ম জয়ন্তী উত্তৰ গুৱাহাটীত এইদৰে অনুষ্ঠিত হৈ আহিছে। ভাগৱত শোভাযাত্ৰাৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰি স্থানীয় ৰাইজে পদুলিয়ে পদুলিয়ে ভাগৱতক আদৰণি জনায়।

**নাজিৰাৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ ৫৭৪ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উদযাপন, হৰিনামৰ ৰসে দ্বিতীয় বৈকুণ্ঠত পৰিণত নাজিৰাৰ বিভিন্ন স্থান**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা ঃ** মহাশক্তি-মহামায়া দুৰ্গা দেৱীৰ বিজয়া দশমী তথা আহিন মাহৰ শুক্ল দশমীৰ দিনা ধৰাত ওপজা জগতগুৰু শ্ৰীমন্ত শংকৰ দেৱৰ আজি ৫৭৪ সংখ্যক আৰ্বিভাৱ মহোৎসৱ। গুৰুজনাৰ এই আৰ্বিভাৱ মহোৎসৱ অসম তথা বিশ্বৰ দৰবাৰতো উলহ - মালহেৰে উদযাপন কৰা । জগতগুৰু শ্ৰীমন্ত শংকৰ দেৱৰ আৰ্বিভাৱ মহোৎসৱ নাজিৰাৰ প্ৰান্তে প্ৰান্তে উদযাপন হয়। নাজিৰা আমোলাপট্টী, ওপৰ নাজিৰা, চানবছা, শেনৰ আলি, বাউলী মৈদাম, সোন্দৰ পুখুৰী, বাহবৰীয়া গাও, সৌকাজান সত্ৰ, বুধবাৰী সত্ৰ, চলিহা বাৰেঘৰ সত্ৰ, কপহুৱা, মঠিয়াছিগা , ন - মাটি আদি বিভিন্ন প্ৰান্তত গুৰুজনাৰ আৰ্বিভাৱ মহোৎসৱ উদযাপন হয়। পুৱা প্ৰাত প্ৰসংগ, ধৰ্ম ধ্বজ্জা উত্তোলন, ভাগৱত পাঠ, ভাগৱত ভ্ৰমণ,নাম প্ৰসংগ আদিৰে হৰি নামৰ ৰসেৰে দ্বিতীয় বৈকুণ্ঠত পৰ্যবেক্ষিত হৈ পৰে নাজিৰাৰ বিভিন্ন অঞ্চল । সন্ধিয়ালৈ বিভিন্ন প্ৰান্তৰ নামঘৰ প্ৰাংগণত গুৰুজনাৰ অমৃতোপম সৃষ্টি নাট - ভাওনা পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপত উপস্থাপন কৰাৰ প্ৰয়াসেৰে নাট-ভাওনা মঞ্চায়ণ হ'ব। নাজিৰাৰ ওপৰ নাজিৰা চানবছা গাৱঁতো ৰমেন বৰুৱা, পাপু বৰুৱা, বিজিত বৰুৱাৰ সেৱাত 'ত্ৰিলোচন সাংস্কৃতিক মঞ্চ' গৌৰীসাগৰৰ দ্বাৰা 'কুলাচলৰ মুক্তি লাভ' নাট ভাওনা মঞ্চায়ণ কৰে।



**চাবুৱাত গুৰুজনাৰ ৫৭৪সংখ্যক জন্ম জয়ন্তীৰ উপলক্ষে অংকীয়া নাট ৰাম বিজয়, অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা ঃ** অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা অসমীয়া সাংস্কৃতিক সমাজ জীৱনৰ পুৰুধা তথা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৃহত্তৰ অসমীয়া সমাজলৈ আগবঢ়োৱা অৱদানে প্ৰতিজন অসমীয়াক গৰিমামণ্ডিত কৰি গৈছে সেয়া সকলোৰে জ্ঞাত । গুৰুজনাৰ আধ্যাত্মিক চিন্তা, ধৰ্মৰ দৰ্শন আৰু পাণ্ডিত্যৰ ছত্ৰছায়াত গঢ়লৈ উঠা ভাওনা, গীত-মাত, নৃত্য আদি অসমৰ সাংস্কৃতিক জগতলৈ এক অনবদ্য অবদান বুলি পাৰি ।এনে এজন মহান গুৰুৰ অমৰ সৃষ্টিৰাজিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি অসম কলাসত্ৰ, চাবুৱা শাখাই বিগত কেইবছৰৰ দৰে এইবছৰো বৃহত্তৰ চাবুৱাৰ কেইবাটাও দল সংগঠনৰ সহযোগত ২১ আৰু ২২ আহিন (৮ আৰু ৯ অক্টোবৰ ২০২২চন) তাৰিখত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৪ সংখ্যক জন্ম জয়ন্তীভাগ চাবুৱা মনোৰঞ্জন বৰুৱা নাট্যমন্দিৰত উদ্‌যাপন কৰিবলৈ ব্যাপক আয়োজন চলিছে। উক্ত কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে ইতিমধ্যে ড° জয়কৃষ্ণ মহন্তক সভাপতি, গীতালি মহন্তক সম্পাদক আৰু প্ৰশান্ত নেওগক কাৰ্যকৰী সভাপতি হিচাপে লৈ এখন বৃহৎ কলেৱৰৰ উদযাপন সমিতি গঠন কৰিছে। অন্যহাতে নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ৮ অক্টোবৰত পুৱা ৯ বজাত ধৰ্মযাজা উত্তোলন;উত্তোলক ড° জুনু মহন্ত, সভাপতি, অসম কলাসত্ৰ, চাবুৱা শাখা। পুৱা ৯.১০ বজাত বন্তি প্ৰজ্বলন; প্ৰজ্বলক নিৰ্মলা চক্ৰৱৰ্তী, ভাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষ, দিনজয় হাজাৰীমল উঃমাঃ বিদ্যালয়। পুৱা ১০,০০ বজাত সদৌ অসম ভিত্তিত স্বৰ্গীয়া সাধনা দুৱৰা আৰু সোণটি মহন্ত সোঁৱৰণী মুকলি দিহানাম প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ উদ্বোধক প্ৰশান্ত নেওগ, কাৰ্যকৰী সভাপতি, উদ্‌যাপন সমিতি। দিনৰ ৩.০০ বজাত : বৰগীত প্ৰতিযোগিতা। ৯ অকেটাবৰত পুৱা ১০ বজাত নামপ্ৰসঙ্গ; নামাচাৰ্য ব্ৰজেন মহন্ত, ডেকাসত্ৰীয়া শ্ৰীশ্ৰীচুপহা সত্ৰ কাকপথাৰ । দিনৰ ১ বজাত অসম কলাসত্ৰ, চাবুৱা শাখাৰ সভাপতি ড° জুনু মহন্তৰ পৌৰোহিত্যত মুকলি-পুৰস্কাৰ বিতৰণ আৰু বন্তি প্ৰজ্বলন অনুষ্ঠান; প্ৰজ্বলক ডাঃ মহেন্দ্ৰ বৰশইকীয়া, বিশিষ্ট চিকিৎসক। মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰশান্ত নেওগে। সভাৰ উদ্বোধক গিৰিন্দ্ৰ নাথ গোস্বামী, সভাপতি, সত্ৰ মহাসভা ডিব্ৰুগড় জিলা। 'শ্ৰীমন্ত শঙ্কৰদেৱৰ শিল্প ভাবনা আৰু আধুনিক যুবসমাজ' শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়াব লেখক তথা বিশিষ্ট চিকিৎসক ডাঃ সৌৰভ বুঢ়াগোহাঁইয়ে । সন্ধিয়া ৫.৩০ বজাত মায়ামৰা সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ গায়ন-বায়ন প্ৰদৰ্শন । সন্ধিয়া ৬ বজাত কণ কণ শিশু আৰু কিশোৰ-কিশোৰী সকলৰ দ্বাৰা আৰু মানিক শইকীয়া বৰবায়নৰ দ্বাৰা পৰিচালিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিৰচিত "ৰাম বিজয়" অঙ্কীয়া নাট প্ৰদৰ্শন। এগছি বন্তি প্ৰজ্জ্বলন কৰিব শ্ৰীশ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰাধিকাৰ মুকুন্দানন্দ চন্দ্ৰ গোস্বামীয়ে । নাট উদ্বোধক উদযাপন সমিতিৰ সভাপতি ড° জয় কৃষ্ণ মহন্ত।

**বকোত গুৰুজনাৰ ৫৭৪সংখ্যক জন্মজয়ন্তীত গুৰু বন্দনাত বিভোৰ বাপ-বান্ধৱ, আই-মাতৃ সমাজ, ভক্তিৰসেৰে মুখৰ ভাগৱত যাত্ৰা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো ঃ** বিশ্বত শান্তি আৰু সৰ্বকল্যাণৰ বাবে এক শৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী বৰ্ষ বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকোত দুই দিনীয়া কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। বকোস্থিত বকো আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু গুৰুজনাৰ জন্মোৎসৱ উদযাপন সমিতিৰ সহযোগত অহা ১৭ আৰু ১৮ আহিন ( ৪ আৰু ৫ ) অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল গুৰুজনাৰ জন্মোৎসৱ তিথি। বকো আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি জেষ্ঠ্য ধৰ্মপ্ৰাণ ব্যক্তি জনাৰ্দন অধিকাৰী কাৰ্যকৰী সভাপতি থানেশ্বৰ ৰাভা আৰু সাধাৰণ সম্পাদক ৰঞ্জিত দলৈ লগতে জন্মোৎসৱৰ উদযাপন সমিতিৰ সভাপতি মনোৰঞ্জন কলিতা আৰু সম্পাদক প্ৰদীপ কলিতাই জনোৱা মতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ আৰু সংস্কাৰকামী চিন্তাক শিৰত তুলি গুৰুজনাৰ পবিত্ৰ ৫৭৪ সংখ্যক বৰ্ষৰ জন্মজয়ন্তী মহোৎসৱৰ উদযাপন সমাপন কৰা হয়। ইফালে বকো আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ নামঘৰ তদাৰক সমিতিৰ জয়দেৱ অধিকাৰীয়ে জনোৱা মতে গুৰুজনাৰ জন্মোৎসৱৰ কাৰ্য্যসুচী অনুসৰি আয়তীৰ ঘোষানাম প্ৰতিযোগিতা ; চিত্ৰাংকন প্ৰতিযোগিতাকে ধৰি বহু কাৰ্য্যসূচী আয়োজন কৰা হয়। গুৰু জনাৰ তিথিৰ দিনা নাম ঘৰৰ পৰা সহশ্ৰাধিক বাপ বান্ধৱ আই মাতৃৰ সহযোগত বিশাল ভাগৱত শোভাযাত্ৰা কৰা হয়।ভাগৱত শোভাযাত্ৰাত গুৰু জনাৰ অমিয়া বাণীৰ নিজৰা বোৱাই ভক্তিৰসত বিভোৰ হয় ৰাইজ। ইফালে সন্ধিয়া ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি জানিব দিয়ে উদ্যোক্তা মণ্ডলীয়ে।



**নকছাৰি এৰাগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ তম জন্মোৎসৱ। দিহানাম প্ৰতিযোগিতাৰ লগতে মহিলাসকলৰ দ্বাৰা 'কুৰু সন্ধ্যা' ভাওনা প্ৰদৰ্শন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি ঃ** নকছাৰি ন আলি এৰাগাঁও মহিলা সমিতিৰ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অহা ৮ অক্টোবৰ তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ তম জন্মোৎসৱ ভাগী পালন কৰা লগতে ইয়াৰ লগত সঙ্গতি ৰাখি ন আলি এৰাগাঁও অৰোণোদয় মহিলা সমিতিৰ বিষয়ববীয়া আৰু সদস্যাসকলে অৰোণোদয় প্ৰেক্ষাগৃহত এভাগী ভাওনা 'কুৰু সন্ধ্যা ' মঞ্চস্থ কৰা হব। ইয়াৰ বাবে মহিলা সকলে আখৰাত ব্যস্ত হৈ পৰিছে। নাট পৰিচালক হিতেশ্বৰ হাজৰিকাৰ পৰিচিলনাত অৰোণোদয় মহিলা সমিতিৰ সদস্যা ভাৱৰীয়াই আখৰাত ব্যস্থ হৈ পৰিছে। কোনোবা এগৰাকী মহিলা যদি শ্ৰীকৃষ্ণৰ ৰূপত দেখিবলৈ পোৱা গৈছে আন কোনোবা এগৰাকী হৈছে ভীম, নকুল, সহদেব অথবা দুৰ্যোধন শকুনিৰ ভাৱত। মৰিয়নিৰ নকছাৰি এৰাগাঁৱৰ নামঘৰত প্ৰতি সন্ধিয়া গাঁৱৰ মহিলাসকলে আখৰা চলাইছে। 'কুৰু সন্ধ্যা ' নামৰ ভাওনাৰ ভাৱৰীয়াসকল হৈছে দেবাশ্ৰী বৰঠাকুৰ ,স্নিগ্ধাৰানী শইকীয়া,অংকিতা ফুকন, কাকুশ্ৰী নেওগ গগৈ, কাকু গগৈ, অংকিতা চেতিয়া, স্নিগ্ধাৰানী তামুলী, কৃষ্ণা গগৈ, ৰশ্মি গগৈ, মধুমিতা গগৈ, জীতা গগৈ, পল্লৱী গগৈ, জয়শ্ৰী গগৈ, অঞ্জলি গগৈ, খুৰ গগৈ,ৰীমা গগৈ,ৰুমী গগৈ, টুন গগৈ, তুতু গগৈ আৰু পৰিস্মীতা গগৈ। ইফালে, কাৰ্যসূচী অনুসৰি উক্ত দিনা গুৰু ধৰ্মধ্বজা উত্তোলন কৰিব কনকেশ্বৰ গগৈ, দিহানাম প্ৰতিযোগিতাৰ উদ্বোধন কৰিব পদ্ম গগৈ আৰু সঞ্চালনা কৰিব অনিতা গগৈয়ে। আবেলি ৫ বজাত গুৰু ধৰ্মধ্বজা অৱতৰণ কৰা পিছত বন্তি প্ৰজ্বলন কৰিব অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক মনিৰাম গগৈয়ে। নিশা ৮ বজাত 'কুৰু সন্ধ্যা' ভাওনা প্ৰদৰ্শন কৰা হব। উদ্বোধন কৰিব প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ গগৈয়ে। অতিথি ৰূপে উপস্থিত থাকিব মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী। ন আলি এৰাগাঁও অৰোণোদয় মহিলা সমিতিৰ সভানেত্ৰী লিলি গগৈ, কাৰ্যকৰী সভানেত্ৰী ৰুবী গগৈ, সম্পাদিকা জীতা গগৈয়ে সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহযোগিতা একান্তই কামনা কৰিছে। অন্যহাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ ভাগীৰ লগতে সকলো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে এখন বিশাল তথা শক্তিশালী সমিতি আৰু উপসমিতি গঠন কৰি সকলোকে দায়িত্ব অৰ্পণ কৰা হৈছে।

**ৰংদৈত আঞ্চলিক ভিত্তিত মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ জন্ম জয়ন্তী উদ্‌যাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা ঃ** ৰংদৈ আঞ্চলিক শ্ৰীশ্ৰী শংকৰদেৱৰ জন্ম জয়ন্তী দুদিনীয়া কৈ ১৮-১৯ আহিনত অনুষ্ঠিত কৰা কাৰ্য্যসুচী গ্ৰহণ কৰে। প্ৰথম দিনা পুৱা উষা কীৰ্তন কৰে থানেশ্বৰ দত্তই, গছপুলি ৰোপণ কৰে অৰুণ হাতীবৰুৱাই। ধৰ্ম ধ্বজা উত্তোলন কৰে আঞ্চলিক জন্মোৎসৱৰ উদযাপন সমিতিৰ কেন্দ্ৰীয় সভাপতি হৰেন দত্তই। উদযাপন সমিতিৰ সভাপতি গনেশ বৰাই গুৰুবন্দনা কৰা কাৰ্য্যসুচী সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই পৰিচালনা কৰে। এই কাৰ্যসূচীৰ পাছতে, ভাগৱতসহ শোভাযাত্ৰা, দিহানাম পৰিৱেশণ কৰে স্থানীয় পুৰুষ মহিলা উভয়ে। তাৰ পাছতে সন্ধ্যা নামাচাৰ্য্য দিলীপ গোস্বামীয়ে নাম প্ৰসংগ কৰে, মুল পাঠক মহেন্দ্ৰ দত্তই মূল ভাগৱত পাঠৰ শুভাৰম্ভ কৰে ভাগৱত পাঠ সমাপ্তিৰ পাছত, ১৯ আহিনত দিনত নাম প্ৰসংগ ৰাতিলৈ মুৰাৰী কৃষ্ণ বৰ্বৰীকৰ শিৰ দান 'ভাওনা পৰিৱেশণ কৰিব স্থানীয় শিল্পীসকলে। জন্মোৎসৱ উদযাপন সমিতিৰ সম্পাদক নৰেন দত্তই দুয়োদিনৰ কাৰ্য্যসুচী সফল কৰি তুলিবলৈ সকলোকে আহবান জনাই।

**বুঢ়াখাটত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তী উদ্‌যাপন ঃ ভক্তিৰসৰ দ্বাৰাহে এখন সুস্থ সমাজ গঢ়িব পাৰি ঃ মুখ্য অভিযন্তা মালাকাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ দৰং জিলা শাখাৰ অন্তৰ্গত বুঢ়াখাট প্ৰাথমিক শাখা আৰু ডেকাগিৰি আঞ্চলিক শাখাৰ উদ্যোগত জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদযাপন কৰে। জাতীয় জীৱনৰ প্ৰান প্ৰতিষ্ঠাতা, সৰ্বগুণাকৰ, একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তক, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱটি শ্ৰীমন্তশঙ্কৰদেৱ সংঘ, বুঢ়াখাট প্ৰাথমিক শাখাৰ আতিথ্যত নামঘৰ প্ৰাংগণত আজি এদিনীয়াকৈ বৰ্ণাধ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰে। পুৱা প্ৰাতঃ প্ৰসংগৰে শুভাৰম্ভ কৰা কাৰ্যসূচীৰ পিচত গছ পুলি ৰোপণ কৰে তিলক ডেকাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধৰ্মধ্বজা উত্তোলন কৰে প্ৰাথমিক শাখাৰ সভাপতি বিনয় কুমাৰ বৰুৱাই। ৯ বজাতঃ ভাগৱত শোভাযাত্ৰা পৰিচালনা কৰে দুলাল বৰুৱা সমন্বিতে জীৱন ডেকা, যতীন ডেকাই। ১১ বজাত নাম প্ৰসংগ পৰিচালনা কৰে বুঢ়াখাট প্ৰাথমিক শাখাৰ যুৱক কৌস্তুভমনি ডেকাই। ২ বজাত মুকলি আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে ডেকাগিৰ আঞ্চলিক শাখাৰ সভাপতি ক্ষেমাধৰ চহৰীয়াই। আনহাতে ক্ষমাধৰ চহৰীয়াই সভাপতিত্ব কৰা সভাখন উদ্ধোধন কৰে ডেকাগিৰি আঞ্চলিক শাখাৰ উপদেষ্টা ভবেন্দ্ৰনাথ ডেকাই। শংকৰদেৱৰ বিৰচিত এটি বৰগীতেৰে শুভাৰম্ভ কৰে ডেকাগিৰি আঞ্চলিক শাখাৰ আই-মাতৃসকলে। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ প্ৰাক্তন শৰণ সদস্য ৰন্তিৰাম বৰুৱা আৰু হুচেইন চুবুৰীৰ চুমি চহৰীয়াই। নিৰ্দিষ্ট বক্তা চুমি চহৰীয়াই ভাষন প্ৰসংগত উল্লেখ কৰে যে একান্তভাৱে পুৱা গধূলি যিখন গৃহত নাম প্ৰসংগ থাকে তাত অপায়-অমঙ্গল সদায় দূৰত থাকে। মুখ্য অতিথি হিচাবে দৰং জিলা পৰিষদৰ মুখ্য অভিযন্তা ৰমেন মালাকাৰে কয় যে এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত স্থানীয় কৃতী ছাত্ৰ-ছাত্ৰীসকলক ভকতি বস্ত্ৰ আৰু সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধিত কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী অভিযন্তা ৰমেন মালাকাৰে কয় যে ভক্তি ৰসৰ দ্বাৰাহে এখন সমাজ বা সমাজ ব্যৱস্থা সুস্থিৰ কৰিব পাৰি। ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতত সন্ধিয়া জাক-জমকতাৰে বন্তি প্ৰজ্বলন আৰু মহিলাসকলৰ দ্বাৰা আয়োজিত থিয়নামেৰে অনুষ্ঠান সামৰণি পৰে।

# চাপৰত উপেক্ষিত গোৱালপাৰীয়া লোকসংস্কৃতিৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ৫ অক্টোবৰ ঃ** আজি হস্তীৰ কন্যা তথা গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ ৮৮ সংখ্যক জন্ম বাৰ্ষিকী। সমগ্ৰ ৰাজ্যতে উদযাপন কৰা হৈছে লোক সংস্কৃতিৰ সম্ৰাগীগৰাকীৰ জন্ম বাৰ্ষিকী। কিন্তু লোকগীতৰ সম্ৰাজ্ঞীগৰাকীক নিজ জন্ম জিলাত আজি উপেক্ষিত। চাপৰ পৌৰসভাৰ সন্মূখত থকা গোৱালপাৰীয়া লোকগীতৰ সম্ৰাজ্ঞী গৰাকীৰ প্ৰতিমূৰ্তিত নজ্বলিল এগছি চাকি। দুৰ্গা পূজাই যেন পাহৰি পেলালে লোক সংস্কৃতিৰ সম্ৰাজ্ঞী গৰাকীৰ জন্ম বাৰ্ষিকী। কিন্তু চৰকাৰী বন্ধৰ বাবে কাণসাৰ নহল পৌৰসভাৰ পৌৰপতি,উপ-পৌৰপতি কিম্বা কৰ্মচাৰীৰ লগতে বিভিন্ন দল-সংগঠনৰ। অৱশেষত আগবাঢ়ি আহিল চাপৰ মাল্টি মিডিয়া প্ৰেছ ক্লাৱৰ সংবাদকৰ্মীসকল। ঘটনাৰ বিষয়ে জানিব পাৰি সংবাদকৰ্মীসকলে নিজাববীয়াকৈ স্থানীয় সচেতন নাগৰিকৰ সহযোগত পদ্মশ্ৰী গৰাকীৰ প্ৰতিমূৰ্তিটো পৰিষ্কাৰ কৰি সন্মান জনোৱা পৰিলক্ষিত




হয়। এতিয়া প্ৰশ্ন হয় চাপৰৰ শিল্পী সমাজ তথা চাপৰ পৌৰসভাৰ বিষয়ববীয়াসকলে কিয় পাহৰিব লগা হ'ল লোক সংস্কৃতিৰ সম্ৰাজ্ঞীগৰাকীৰ জন্ম বাৰ্ষিকী?

# ‘পক্ষী বচাওক’ আহ্বানেৰে ডিব্ৰুগড় মিউনিচিপালিটি কলনী পূজামণ্ডপ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৫ অক্টোবৰ ঃ** মোবাইল টাৱাৰে বিপদ মাতি আনিছে পশু-পক্ষীলৈ। ভাৱতত আৱন্ত হ'বলগীয়া ৫জি সেৱাৰ প্ৰৱৰ্তনৰ প্ৰাক মুহূৰ্তত ২জি, ৩জি আৰু ৪জি সেৱাৰ ম'বাইল টাৱাৰে মানৱ সমাজৰ লগতে পক্ষীকুললৈ ভয়ংকৰ ভাবুকি কঢ়িয়াই আনিছে। নিৰ্ধাৰিত ৰেডিয়েচনৰ বিপৰীতে অধিক ৰেডিয়েচন বৃদ্ধিৰ বিপৰীতে মৃত্যুৰ ক্ষণ গণিছে পক্ষীকুলে। অস্তিত্বৰ প্ৰতি অশনি সংকেত নামি আহিছে আপেক্ষিক প্ৰজাতিৰ পক্ষীকুললৈ। ‘পক্ষী বচাওক’ আহ্বানেৰে ডিব্ৰুগড়ত নিৰ্মাণ কৰা হৈছে এখনি ব্যতিক্ৰমী পূজা মণ্ডপ। যিখন পূজাক লৈ সমগ্ৰ ডিব্ৰুগড় চহৰতে এক বিশেষ চৰ্চা লাভ কৰিছে। ১৯৮৬ চনত প্ৰতিষ্ঠা লাভ কৰা চহৰখনৰ মিউনিচিপালিটি কলনী পূজা সমিতিয়ে অতি ব্যয়বহুলভাৱে নিৰ্মাণ কৰি উলিওৱা পূজা মণ্ডপৰ জৰিয়তে প্ৰকৃতি সংৰক্ষণৰ বাবেও বিশেষ বাৰ্তা দিয়াৰ প্ৰচেষ্টা কৰিছে। প্ৰতি বছৰে এই পূজা সমিতিয়ে বিশেষ থীম লৈ মণ্ডপ নিৰ্মাণেৰে বিশেষ চৰ্চাত থাকে। এইবাৰো সম্পূৰ্ণ ব্যতিক্ৰমী ৰূপত থলুৱা কাৰিকৰৰ জৰিয়তে নিৰ্মাণ কৰা এই পূজা মণ্ডপ চাবলৈ সোঁত বৈছে হাজাৰ হাজাৰ দৰ্শক। আশীষ লৈছে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ। ইফালে এই মণ্ডপত প্ৰতিষ্ঠা কৰা হৈছে চৰাইৰ বাসস্থান শুকাই যোৱা বাঁহ গছ। সমগ্ৰ বিশ্বতে সৃষ্টি হোৱা গোলকীয় উষ্ণতা পৰিবৰ্তনৰ লগে লগে ধ্বংস হৈছে বাঁহ গছ আৰু গছ-গছনি। ইয়াৰ উপৰি জীৱশ্ৰেষ্ঠ মানুহে পতা জালত পৰি মৃত্যু হৈছে বহু বিলুপ্তপ্ৰায় চৰাই-চিৰিকটি। পৃথিৱীৰ বুকুৰ পৰা নোহোৱা হৈ আহিছে বহু চৰাই-চিৰিকটি। অন্যহাতে মানুহৰ অত্যাচাৰৰ বলি হৈছে প্ৰকৃতিঞ্জ। প্ৰকৃতি সংৰক্ষণৰ জৰিয়তে পক্ষীৰ প্ৰজাতিক জীয়াই ৰখাৰ আহ্বানেৰে ডিব্ৰুগড় মিউনিচিপালিটি কলনী পূজা সমিতিয়ে নিৰ্মাণ কৰি উলিয়াইছে এই ব্যতিক্ৰমী পূজা। উল্লেখযোগ্য যে, আজি মহাসপ্তমী দিনা লোকে-লোকাৰণ্য হৈ পৰিছে ডিব্ৰুগড় চহৰৰ প্ৰতিটো পূজা মণ্ডপ। পৰিৱেশ স্বাভাৱিক হৈ অহাৰ লগে লগে শাৰদীয় দুৰ্গোৎসৱক লৈ উৎসুকতা বৃদ্ধি পাইছে ভক্তপ্ৰাণ ৰাইজৰ। মহিষমৰ্দিনী আৰাধনাৰে মুখৰিত হৈ পৰিছে চহৰখনৰ প্ৰতিটো পূজা মণ্ডপত।



## কাজিৰঙাত মা দুৰ্গাৰ আশিস ল'লে ইজৰাইলৰ দুই বিদেশী পৰ্যটকে

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৫ অক্টোবৰ ঃ** কাজিৰঙাত বিদেশী পৰ্যটকে আশীষ ল'লে মাঁ দুৰ্গাৰ । সমান্তৰাল কৈ ঢাকৰ তালে তালে নাছিলে বিদেশী পৰ্যটকে । উল্লেখ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ সুদূৰ ইজৰাইলৰ পৰা অহা দুই পৰ্যটকৰ নাম এল'ন আৰু লিয়'ন। ইজৰাইলৰ পৰা অহা এই দুই পৰ্যটকক আজি সন্ধ্যা দেখা গ'ল কঁহৰা বাৰোৱাৰী পূজামণ্ডপত মাঁ দুৰ্গাৰ চৰণত পৰি সেৱা লোৱা। ইয়াৰ পিছতে লিয়'ন নামৰ মহিলা ইজৰাইলৰ পৰ্যটক গৰাকীয়ে ঢাকৰ তালত এনেদৰেই নাচি আত্মহাৰা হৈ পৰা পৰিলক্ষিত হ'ল।

## অগ্ৰগামী যুৱ মঞ্চৰ গান্ধী জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৫ অক্টোবৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ অন্যতম স্বেচ্ছাসেৱী অনুস্হান অগ্ৰগামী যুৱ মঞ্চই মহামানৱ মহাত্মা গান্ধীৰ জন্মদিন গান্ধী জয়ন্তী উলহ-মালহেৰে উদযাপন কৰে এই উপলক্ষে পুৱা গান্ধী আশ্ৰমত গান্ধীজীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পন কৰে বন্তি প্ৰজ্বলন কৰে যুৱ মঞ্চৰ সম্পাদক ধীৰেন বৈশ্য ই।কাৰ্যকৰী সমিতিৰ সদস্য বৃন্দ ই পুষ্পাঞ্জলী অৰ্পন কৰে। পিছত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনা যুক্ত চিকিৎসালয়ত ৰোগী সকলক ফলমুল আৰু খাদ্য বস্ত বিতৰণ কৰে। বিতৰণ কাৰ্যসূচী সভাপতি কুমুদ বৈশ্যৰ দ্বাৰা কৰা হয়।সমগ্ৰ বিতৰণ অনুস্হানত চিকিৎসালয়ৰ কৰ্মী মৃদুল বৈশ্য আৰু তপন দাসে সহযোগ আগবঢ়ায়।

## তামুলপুৰত গান্ধী জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে তামুলপুৰতো আজি ১৫৩ সংখ্যক গান্ধী জয়ন্তী উৎসৱ উদযাপন কৰা হয়। সদৌ অসম গ্ৰাম্য ঐষধ ব্যৱসায়ী সন্থাৰ আহ্বান মৰ্মে তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ উদ্যোগত আজি কাৰ্যসুচী কুমাৰীকাটা ত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি পুৱা ৯ বজাত গান্ধীজিৰ প্ৰতিমুৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে তামুলপুৰ জিলা গ্ৰাম্য ঐষধ ব্যৱসায়ী সন্থাৰ সভাপতি মণিকুমাৰ অধিকাৰীয়ে। অনুষ্ঠানত উপস্থিত থাকে তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ কাৰ্যকৰী সভাপতি আনন্দ ৰামচিয়াৰী, তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ সাধাৰণ সম্পাদক কানু মুৰ্মু, কোষাধ্যক্ষ উপেন চন্দ্ৰ ৰাভাৰ লগতে অঞ্চলটোৰ একাংশ ৰাইজ।

## লামডিঙত অঘটন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ৫ অক্টোবৰ ঃ** হোজাই জিলাৰ অন্তৰ্গত ৰেল শহৰ লামডিঙত অঘটন। লামডিঙত নিশাৰ ভাগত শাৰদীয় দুৰ্গা পূজাৰ উৎসৱ চলি থকাৰ সময়ত এজন যুৱকে এখন দলংৰ পৰা পৰি মৃত্যু হ্য।দুৰ্গা পূজাৰ আনন্দ উল্লাহৰ সময়ত এই অঘটন সংঘটিত হল। লামডিঙৰ মাজ মজিয়াত থকা সাউথ হিল কলোনি শিতলা মন্দিৰস্থিত দলংখনৰ পৰা পৰি মৃত্যু হয় যুৱকজনৰ। এই ঘটনা খবৰ পাই লামডিং আৰক্ষী তাৎক্ষণিখভাৱে উপস্থিত হৈ লামডিং ৰে'লৰে চিকিৎসালয়ত লৈ যায় আৰু লামডিঙ ৰে'লৰে চিকিৎসালয়ৰ চিকিৎসকে মৃত ঘোষণা কৰে। জানিব পৰা মতে যুৱক জনে তেওঁৰ পেহীৰ ঘৰ লামডিংত পূজা চাবলৈ আহিছিল।যুৱক জনৰ মৃত্যুৰ ৰহস্য এতিয়াও জানিব পৰা নাই লামডিঙ আৰক্ষী তদন্ত অব্যাহত ৰাখিছে। যুৱক জনৰ নাম সুৰজিত গোবালা ঘৰ ডিমাহাচাও জিলাৰ লাংটিংত।

## অসম চৰ পৰিষদৰ ৰূপালী জয়ন্তীৰ সমিতি গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৫ অক্টোবৰ ঃ** অসম চৰ পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ সহযোগত দক্ষিণ বৰপেটা জিলা সমিতিৰ উদ্যোগত ৰবিবাৰে বাঘমাৰা চৰ বজাৰ কমিটিৰ কাৰ্যালয়ত এখনি সভা অনুষ্ঠিত হৈ যায়। চৰ পৰিষদ গঠনৰ ২৫ বছৰ পাৰ হেতুকে অহা নৱেম্বৰ মাহত ৰূপালী জয়ন্তী উৎযাপন কৰাৰ উদ্দেশ্যে ৰবিবাৰে অভ্যৰ্থনা সমিতিৰ লগতে বিভিন্ন উপ সমিতি গঠন কৰে। দক্ষিণ বৰপেটা জিলা সমিতিৰ সভাপতি জমশ্বেৰ আলী আহমেদৰ সভাপতিত্বত কেবাটাও পঞ্চায়তৰ প্ৰতিনিধি লগতে কেন্দ্ৰীয় কমিটিৰ সভাপতি ডঃআব্দুল ওৱাহাব , সাধাৰণ সম্পাদক হান্নানুল আহমেদ, সম্পাদক জুবাইদুৰ ৰহমান আবুল কালাম আজাদ কাৰ্যকৰী সভাপতি গাজী ৰহমান, উপদেষ্টা সদ্য অৱসৰী প্ৰৱক্তা নুৰ আলমৰ উপস্থিতিত বিভিন্ন উপ সমিতি গঠন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে তাইজুদ্দিন সৰকাৰ উপ-সভাপতি ফজল হক চৌধুৰী, খোলা বান্ধা,আলোপতি,বাঘমাৰা,ধৰ্মপুৰ ভাতনাপাইতি,কদমতোলা আদি পঞ্চায়তৰ সভাপতি সকল আৰু সাধাৰণ সম্পাদক আজমল হক ফকিৰ সম্পাদক শুকুৰ আলী, আনছেৰ আলী, ইনামুল হক, ছানিয়াৰা আহমেদ, নজমুল হক লগতে বিভিন্ন উপ সমিতি গঠন কৰা হয় তাৰে পত্ৰিকা প্ৰকাশ সমিতিৰ প্ৰবক্তা আবু শ্বামা আহমেদ, জমশ্বেৰ আলী আহমেদ দ্বয়ক সম্পাদক হিচাপে লৈ , সাংস্কৃতিক সমিতিৰ সভাপতি তৈয়ব আলী শ্বেখ উপ-সভাপতি আব্দুল আজিজ সম্পাদক দ্বয় মিজানুৰ ৰহমান, সাজ্জাদ কবিৰ ষ্টেজ, পেণ্ডেল, লাইট, তোৰণ সমিতিৰ সভাপতি আব্বাচ আলী সম্পাদক ৰফিকুল ইছলাম আৰু প্ৰচাৰ বিভাগত সভাপতি শ্বাহ আলম সৰকাৰক সম্পাদক স্বাহজাহান আলীক লৈ অহা নবেম্বৰ মাহত ৰূপালী জয়ন্তী উৎযাপন কৰাৰ উদ্দেশ্য সমিতি সমূহ গঠন কৰে।

## ৰঙাপৰাত গান্ধী জয়ন্তী উদযাপন

**দৈনন্দিন বাৰ্তা সেৱা, ৰঙাপৰা, ৫ অক্টোবৰ ঃ** মহাত্মা গান্ধীৰ ১৫৩ তম আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১১৮তম জন্ম জয়ন্তী ৰঙাপৰাত উদযাপন কৰা হয়। ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনীৰ শাখা আৰু ৰঙাপৰা ছছিয়েল ভলন্টিয়াৰ উদ্যোগত অনুষ্ঠিত সভাত সমাজ কৰ্মী মৃদুল ডেকাই মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিত আৰু সাংস্কৃতিক মহিলা কৰ্মী নাছিমা আঞ্জুমে লাল বাহাদুৰ শাস্ত্ৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে। অনুষ্ঠানত ৰঙাপৰাৰ ছাত্ৰ তানিছ মণ্ডল আৰু আয়ুছী মণ্ডলে দেশ ভক্তি মুলক বক্তৃতা আৰু কবিতা পাঠ কৰে।দিক্ষিতা বসুমতাৰীয়ে আতঁ ধৰা সভাত ময়ুখ সেনে এটি সুন্দৰ গীত পৰিৱেশন কৰাৰ লগতে দৃষ্টি পলে নৃত্য প্ৰদৰ্শন কৰে। অনুষ্টানটিত ৰাষ্ট্ৰীয় সেৱা আচনীৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱক ৰূপে ৰাষ্ট্ৰপতি পদক প্ৰাপ্ত সুভংকৰ দে, ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনীৰ দায়িত্বত থকা অধ্যাপক ডঃ অশ্বিনী ডেকা, ৰঙাপৰা পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ ৰবি শংকৰ দেৱ লগতে আৰু বহু গন্য মান্য ব্যক্তি অংশগ্ৰহণ কৰে।

## অষ্টম বাৰ্ষিক ‘মৰাণ কুইজ মহোৎসৱৰ’ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তা সেৱা, ৫ অক্টোবৰ ঃ** মৰাণ কুইজ ক্লাৱৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে দুদিনীয়া কাৰ্যসূচীৰে অহা ৮ আৰু ৯ অ'ৌবৰ তাৰিখে মৰাণ কুইজ ক্লাৱৰ উদ্যোগত আৰু মৰাণ মহিলা মহাবিদ্যালয় ৰ সহযোগত “মৰাণ কুইজ মহোৎসৱ ৮.০“ শীৰ্ষক অনুষ্ঠান মৰাণ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত কৰিব লোৱা হোৱা হৈছে। উক্ত অনুষ্ঠানৰ প্ৰথম দিনা “প্ৰজ্ঞানম ৮.০ “বৃহত্তৰ মৰাণ তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ ভিতৰত আন্তঃবিদ্যালয় দশম শ্ৰেণীলৈ মুকলি কুইজ প্ৰতিযোগিতা আৰু দ্বিতীয় দিনা কুইজশ্বন ৮.০ শীৰ্ষক সদৌ অসম ভিত্তিত প্ৰাইজমণি মুকলি কুইজ প্ৰতিযোগিতা তথা “খেলা হবে-ক্ৰীড়া কুইজ” শীৰ্ষক সদৌ অসম ভিত্তিত লিখিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ‘কুইজশ্বন-৮.০’ৰ প্ৰথম পুৰস্কাৰ ৫০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৩০০০ টকা, তৃতীয় পুৰস্কাৰ ২০০০ টকা আৰু চতুৰ্থ, পঞ্চম, তথা ষষ্ঠ স্থানপ্ৰাপ্তক ১০০০ টকাকৈ প্ৰদান কৰা হব।ঠিক সেইদৰে “খেলা হবে- ক্ৰীড়া কুইজ”ৰ পুৰস্কাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে ৩০০০ টকা, ২০০০ টকা আৰু ১০০০ টকা বুলি মৰাণ কুইজ ক্লাৱৰ সভাপতি পাৰ্থ প্ৰতীম ফুকন আৰু সম্পাদক ৰাজ্জাক আলীয়ে জনাইছে।

## ৰাষ্ট্ৰীয় মানৱ অধিকাৰ-অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ উদ্যোগত ৰক্তদান শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ৫ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় ৰক্তদান দিৱস আৰু অসম আৰক্ষী দিৱস উপলক্ষে ডিব্ৰুগড়ৰ জ্যোতিনগৰ অঞ্চলত অৱস্থিত মাৰোৱাৰী আৰোগ্য ভৱন হাস্পতালৰ ব্লাড বেংকৰ সহযোগত ১ অ'ৌবৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ’, অসমৰ উদ্যোগত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয় বুলি সংস্থাটিৰ শোণিতপুৰৰ মিডিয়া বিষয়া মৃন্ময় কুমাৰ নাথে জানিবলৈ দিছে। আৰক্ষী দিৱসৰ এই গৌৰৱময় উদযাপন উপলক্ষে ডিব্ৰুগড় সদৰ আৰক্ষী বিষয়া ৰাজু ছেত্ৰীৰ উপৰি ১১ জন জোৱানে ৰক্তদান কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ’ অসমৰ অধ্যক্ষ নিশান্ত থৰ্ডৰ লগতে ডিব্ৰুগড় জিলাৰ নৱনিযুক্ত জিলা সভাপতি অমিত আজমেৰাও উপস্থিত থাকে। শিবিৰত ৰক্তদান কৰা সকলো



১১জন আৰক্ষীক এটা প্ৰশস্তিও প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰোৰ ডিব্ৰুগড় শাখাই এই বিশেষ দিনটোত আয়োজন কৰা ৰক্তদান শিবিৰটোৱে নিশ্চিতভাৱে সামাজিক পটভূমিত মানৱতাৰ এক নতুন বীজ সিঁচিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

## তেজপুৰে স্বচ্ছতাৰ ক্ষেত্ৰত লাভ কৰিলে ৰাষ্ট্ৰীয় স্বীকৃতি

**দৈনন্দিন বাৰ্তা সেৱা, তেজপুৰ, ৫ অক্টোবৰ ঃ** প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে জনাজাত ঐতিহাসিক তেজপুৰ চহৰে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে পুনৰ লাভ কৰিলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি। চাফ-চিকুণ আৰু কম প্ৰদূষিত চহৰ হিচাপে পুৰ্বতেও ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰা সংস্কৃতি নগৰী তেজপুৰে এইবাৰ কৰিলে “স্বচ্ছ চহৰ বঁটা। কালি সন্ধিয়া নতুন দিল্লী টালকাটোৰা ষ্টেডিয়ামত ৰাষ্ট্ৰপতি দ্ৰৌপদ্ৰী মুৰ্মুৰ উপস্থিতিত তেজপুৰ পৌৰসভাক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।উল্লেখ্য যে ,দেশৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ উত্তৰ- পূৰ্বাঞ্চল এলেকাৰ ৫০ হাজাৰৰ পৰা এক লাখ বসতিসম্পন্ন পৌৰ এলেকাবোৰৰ স্বচ্ছতা সম্পৰ্কীয় এলানি ক্ষেত্ৰ অধ্যয়ন কৰা হৈছিল। এই অধ্যয়নৰ ভিত্তিত প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশ - পাৰিপাৰ্শ্বিকতা ক্ষয় ক্ষতি অবিহনে নিৰ্দিষ্ট লক্ষ্যৰে নিজাববীয়াকৈ স্বচ্ছতা বৰ্তাই ৰখাত সফলতা অৰ্জন কৰা বাবেই তেজপুৰ পৌৰসভাক উত্তৰ- পূৰ্বাঞ্চল এলেকাৰ উক্ত শিতানত প্ৰথম স্থান লাভ কৰে ।তেজপুৰ পৌৰসভাৰ তৰফৰ পৰা উপস্থিত থকা উপ-পৌৰপতি সংগীতা ঘোষ বোস, কাৰ্যবাহী বিষয়া বৰ্ষা তালুকদাৰ আৰু চহৰ প্ৰকল্প বিষয়া অঞ্জুমা মহেলাক ভাৰত চৰকাৰৰ গৃহ আৰু নগৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী কৌশল কিশোৰ আৰু বিভাগীয় যুটীয়া সচিব তথা ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত মিছনৰ সঞ্চালক ৰূপা মিশ্ৰই এই বঁটা তেজপুৰ পৌৰসভাক প্ৰদান কৰে।




## বকোৰ কালাতলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ সহায়কৰ বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৫ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত পুৰণি উচ্চ শিক্ষানুষ্ঠান ‘কালাতলী কাঠমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গৰ সহায়ক তোমছেৰ আলী আহমেদক আজি বিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায়ী সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে শনিবাৰে বিদ্যালয়খনত অনুষ্ঠিত হয় এখনি গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা সভা। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ্জানুল হকৰ সভাতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল আলমে। উল্লেখ্য, বিদ্যালয়খনৰ উচ্চবৰ্গৰ সহায়ক তোমছেৰ আলী আহমেদে বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ পৰাই সুদীৰ্ঘ ৩৯ বছৰ ১১ মাহ ২৫ দিন কাৰ্যালয় সহায়ক হিচাবে নিয়োজিত থাকি ৩০ ছেপ্টেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে । বিদ্যালয়ৰ শিক্ষক লোকমান হেকিম আৰু ৰবিউল হুছেইনে পৰিচালনা কৰা উক্ত সম্বৰ্ধনা সভাখনত বিদায়ী কাৰ্যালয় সহায়ক গৰাকীক বিদ্যালয় পৰিচালনা সমিতি, বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, ৰান্ধনী গোট, শুভাকাংক্ষী আদিৰ তৰফৰ পৰা ফুলাম গামোচা, ধৰ্ম পুথি, ছাতি, লাঠি, ৰুমাল, পোচাক, জায়নামাজ, আলমাৰী আদিৰে বিপুল সম্বৰ্ধনা আগবঢ়ায়। স্থানীয় ৰাইজ ও অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, আৰু ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিত এক আৱেগিক পৰিবেশৰ মাজত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছবুৰ উদ্দিন আহমেদ, বিদ্যালয় পৰিচালনা ও উন্নয়ন সমিতিৰ সভাপতি আমিন ময়নুল হক, উপ সভাপতি জিয়াৰুল হক, প্ৰাক্তন ছাত্ৰ আমিন মহৰ আলী, আবেদ আলী আহমেদ, শিক্ষক গোটৰ হৈ আব্দুচ ছাত্তাৰ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ঠ ব্যক্তি উপস্থিত থাকি বিদায়ী কাৰ্যলয় সহায়ক গৰাকীৰ বিগত কৰ্মজীৱনৰ নিষ্ঠা,সততা আৰু কৰ্মদক্ষতাৰ ওপৰত আলোকপাত কৰি তেওঁৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনাৰে মূল্যৱান বক্তব্য দাঙি ধৰে।

## নগৰবেৰাৰ বদলাত পত্নীক হত্যাৰ অপচেষ্টা চলোৱা স্বামীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৫ অক্টোবৰ ঃ** টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত নতুন বদলা গাওঁৰ জিয়াদ আলিৰ কন্যা ৰেহেনাজ পাৰবিন (২০) ক হাত ভৰি বান্ধাৰ লগতে মূখত চেলো টিপ লগাই জনশূন্য পথাৰত মবমৰ্ষ অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে নতুন বদলা গাওঁৰ জিয়াদ আলিৰ কন্যা ৰেহেনাজ পাৰবিনক বদলা পথাৰ আদমচৰ গাওঁৰ দিলবৰ হুছেইনৰ পুত্ৰ ময়দুল ইছলামৰ লগত প্ৰায় ডেৰ বছৰ পূৰ্বে সামাজিকভাৱে বিয়া দিয়ে। বিয়াৰ পিছৰেপৰা স্বামীৰ লগতে স্বামী পৰিয়ালে পাঁচ মহীয়া কন্যাৰ মাতৃ ৰেহেনাজক অকথ্য শাৰীৰিক নিৰ্যাতন চলাই আহিছে বুলি অভিযোগ উত্থাপন কৰিছে ৰেহেনাজৰ পিতৃ পৰিয়ালে। ৰবিবাৰৰ পুৱতি নিশা এক সন্তানৰ মাতৃ ৰেহেনাজ পাৰবিনক জনশূন্য পথাৰত হাত ভৰি বান্ধি থোৱা মুমুৰ্ষ অৱস্থাত দেখা পাই পিতৃ পৰিয়ালৰ লোকে টুপামাৰী আৰক্ষীৰ সহযোগত ততাতৈয়াকৈ চিকিৎসালয়ত লৈ যায় আৰু বৰ্তমান ৰেহেনাজ পাৰবিন সামান্য সুস্থ হোৱা জানিবলৈ দিয়ে পৰিয়ালৰ লোকে। উল্লেখ্য যে বৰ্তমানলৈকে পাঁচ মহীয়া কেঁচুৱা সন্তান জনী কত আছে তাৰ কোনো সন্ধান উলিয়াব নোৱাৰাত হতাশাত ভূগিছে মাতৃৰ লগতে পৰিয়ালটোৱে। ছোৱালীজনীৰ পিতৃয়ে ইতিমধ্যে ময়দুল ইছলাম, দিলবৰ হুছেইন, তাৰাভানু, তাৰাপ আলী আৰু ৰজৱ আলী খানৰ বিৰুদ্ধে টুপামাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে।

## যোৰহাটৰ পূজা মণ্ডপত ৰাগীয়াল সামগ্ৰীৰ বিৰুদ্ধে প্ৰচাৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ৫ অক্টোবৰ ঃ** যোৰহাট জিলা প্ৰশাসনে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত পূজাৰ সময়ত ৰাগীয়াল সামগ্ৰী প্ৰছলন ৰোধৰ এক বিশেষ কায্যসুচী গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত যোৰহাট জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ কৰ্মী সকলে পূজা মণ্ডপ সমূহত ধঁপাত জাত সামগ্ৰী বা ৰাগীয়াল সামগ্ৰীৰ অপকাৰীতা সম্পৰ্কত বিভিন্ন শ'গান “আৰু চৰকাৰী নিতী নিদ্দেশণা লিখিত ভাৱে প্ৰচাৰত ব্যস্ত হৈ পৰিছে। কোনো নিচাজাতীয় সামগ্ৰী , ধঁপাত জাত সামগ্ৰী যেনে চিগাৰেট, গুটখা, খৈণী, শিখৰ, ৰজনীগন্ধা, ক'লা ধঁপাত মানৱ শৰীৰৰ অপকাৰীতা ভয়ানক বুলি পোষ্টাৰ, বেনাৰ , গোহাৰি পত্ৰ বিতৰণৰ যোগেদি এক সুস্থীৰ পৰিৱেশ গঢ়াত আগভাগ লোৱা দেখিবলৈ পোৱা গৈছে। অন্যহাতে পূজা মণ্ডপৰ নিদিষ্ট এলেকাৰ ভিতৰ কোনো দৰ্শণাৰ্থীয়ে ৰাগীয়াল সামগ্ৰী প্ৰছলন বা ব্যৱহাৰ কৰিব নোৱাৰে সেই ক্ষত্ৰতো পূজা সমিতি সমূহক জিলা প্ৰশাসনে কঠোৰ নিদ্দেশ আগ বঢ়াইছে । জিলাখনৰ নগৰ এলেকা, গ্ৰ্যম্যাঞ্চল, চাহবাগিছা অঞ্চল, টীয়ক, তিতাবৰ, মৰিয়নী অঞ্চলত ধঁপাত নিয়ন্ত্ৰণ কোষৰ মনোবিদ দীপ্তি শইকীয়া, প্ৰশিল কুমাৰ বৰা, সমাজকৰ্মী জগন্নাথ অগ্নিবৰা ই এই প্ৰচাৰ কায্যত সহযোগিতা কৰে।




## লাহৰীঘাটত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ-পৰিষদৰ পূৰ্ণাংগ আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বৃহৎ বানে গৰকা লাহৰীঘাট অঞ্চলত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোগদান তথা প্ৰতিনিধি সভা অনুষ্ঠিত হয় ।তিনিচুকীয়া এম.ই স্কুল প্ৰাংগনত দিনৰ ১ বজাত আৰম্ভ হোৱা সভাখনত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জিলা পৰ্যায়ৰ বিভিন্ন কৰ্মকৰ্তাৰ উপস্থিত অঞ্চলটো প্ৰায় শতাধিক যুৱক যুৱতীয়ে সংগঠনটো প্ৰতি আকৃষ্ট হৈ যোগদান কৰে ।জিলাৰ সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমে নিজা ভাষণ প্ৰসংগত কয়- বিগত দিনত লাহৰীঘাট অঞ্চলত কোনো এখন আঞ্চলিক কমিটী নথকাৰ বাবে তেওঁলোকে দুখ প্ৰকাশ কৰে । অনাগত দিনত নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাইজক সেৱা কৰিবলৈ কৰ্মী সকলক আহহ্বান জনায়। পৰ্যবেক্ষক মুকদাদ জামান আৰু হবিব আলমৰ অনুমোদনত লাহৰীঘাট আঞ্চলিক কমিটি সভাপতি নাজিম আহমেদ,উপ-সভাপতি শ্বাহনাৱজ হুছেইন,সাধাৰণ সম্পাদক ৰেকিব আহমেদকে প্ৰমুখ্য কৰি বিভিন্ন দায়িত্বত ৩২জনীয়া সদস্যৰে কমিটি খন গঠন কৰা হয় ।জিলা সমিতিৰ পৰা সভাপতি জ্যোতিময় গোস্বামী , জালুগুটি আঞ্চলিক সমিটি সভাপতি জোফেভ উদ্দিন আহমেদ, সদৰ সমিটি সভাপতি মাধুৰ্য্য ময়ুৰ,পৰ্যবেক্ষক ক্ৰমে জিলা যুটীয়া সম্পাদক মুকদাদ জামান,জিলা শিক্ষা সম্পাদক হবিব আলম,আৰু ভকতগাঁও আঞ্চলিক সমিটি সভাপতি জগত বৰা,।জিলাৰ পৰ্যায়ৰ বিভিন্ন কৰ্মকতা উপস্থিত আজি গঠন হোৱা লাহৰীঘাট আঞ্চলিক কমিটি সদস্য সকলে উপস্থিত থাকি সংগঠনৰ সংবিধান অনুসৰি শপত পাঠ গ্ৰহণ কৰে।

## ভেল্লাত সমাজৰ সদস্য আমিন আলীৰ নিৰ্দয় আক্ৰমণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ৫ অক্টোবৰ ঃ** বৰপেটা জিলাৰ ভেল্লাত সমাজ পৰিচালনা সমিতিৰ এগৰাকী সদস্যই ভাতৃৰ সৈতে মিলি এজন নিৰীহ কিশোৰক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা ঘটনাই ভেল্লাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কু-কাণ্ড সংঘটিত কৰি ভেল্লাৰ সমাজ সচেতক লোকৰ মাজত ধিক্কাৰ আৰু গৰিহণাৰ পাত্ৰ হোৱা ব্যক্তিজন হৈছে ভেল্লাৰ আটাইতকৈ পূৰণি আৰু ডাঙৰ সমাজ তথা দ্বৰ্গাহপুৰ পকী দালান জামে মছজিদ পৰিচালনা সমিতিৰ সদস্য বালাচৰৰ আমিন আলী। উল্লেখ্য যে আমিন আলীৰ ভাতৃ সোণ আলীৰ চেমনীয়া ল'ৰাজনৰ সৈতে ঘৰৰ ওচৰৰে ৰাহুল আলী নামৰ কিশোৰ এজনৰ কিছুদিন আগতে কথাৰ কটাকটিক লৈ গণ্ডগোল লাগে। সাধাৰণতে সৰু তথা সমনীয়া ল'ৰাৰ মাজত সংঘটিত হোৱা হাই-কাজিয়াৰ দৰে হোৱা উক্ত গণ্ডগোলৰ পাছত আমিন আলী আৰু কিশোৰ ৰাহুল আলীৰ অভিভাৱকৰ মাজত আলোচনা-বিলোচনা মৰ্মে আপোচ-মীমাংসা হয়। আৰু যোৱা কথা কোনেও ধৰি নাৰাখে। কিন্তু লোকক দেখুৱাই আপোচ-মীমাংসা কৰিলেও আমিন আলীৰ পৰিয়ালে ৰাহুল আলী নামৰ কিশোৰ জনক আক্ৰমণ কৰিবলৈ সুযোগ বিচাৰি থাকে। আৰু কিছুদিন পূৰ্বে আমিন আলীৰ সৰু ভাতৃ গৰাকীয়ে সন্ধিয়াৰ ভাগত ৰাহুল আলীক আক্ৰমণ কৰিবলৈ পথাৰত চুপি থাকে আৰু ৰাহুল আলী দোকানলৈ অহাৰ সময়ত আমিন আলীৰ সৰু ভাতৃজনে অতৰ্কিতে ৰাহুল আলীক আক্ৰমণ কৰে। চৰ, ভুকু-কিল, গোৰ সোধায়। টোকোনেৰে কোবায়। অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল আমিন আলীৰ সৰু ভাতৃৰ এনে কাণ্ডক বাধা নিদি আমিন আলীয়েও সহযোগ কৰে আৰু দুই ভাতৃয়ে মিলি নিৰীহ কিশোৰ ৰাহুল আলীক নিৰ্দয়ভাৱে উপৰ্যুপৰি আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। আনকি ইয়াতে ক্ষান্ত নাথাকি ৰাহুল আলীক মুখত সোপা দি, ডিঙিত চেপি, পথাৰৰ পৰা পিটি পিটি টানি-চোচৰাই আমিন আলীৰ ঘৰলৈ লৈ আহি আৱদ্ধ কৰি ৰাখিব বিচাৰে। আমিন আলী আৰু তেওঁৰ সৰু ভাতৃৰ এই নিৰ্দয় আক্ৰমণত গুৰুতৰভাৱে আহত হৈ ৰাহুল আলী লেবেজান হৈ পৰে। ইয়াৰ পাছত ৰাহুল আলীৰ পৰিয়ালে খবৰ লাভ কৰি নিশাই ৰাহুল আলীক ততাতৈয়াকৈ বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰাই চিকিৎসাৰ ব্যৱস্থা কৰে। আমিন আলী আৰু তেওঁৰ সৰু ভাতৃৰ বৰ্বৰ আক্ৰমণত ৰাহুল আলীৰ শৰীৰৰ বিভিন্ন ঠাইত জখম হয় আৰু বাওঁভৰিখন একপ্ৰকাৰ ভাঙি যায়। ইফালে এই দুষ্কাৰ্য সংঘটিত কৰি আমিন আলী আৰু তেওঁৰ সৰু ভাতৃ ঘৰৰ পৰা পলায়ন কৰে। প্ৰণিধানযোগ্য যে এইগৰাকী বালাচৰৰ আমিন আলী ভেল্লা সমাজৰ তথা দ্বৰ্গাহপুৰ পকী দালান জামে মছজিদ পৰিচালনা সমিতিত বিগত কেইবাবছৰ ধৰি সদস্য হৈ আছে আৰু সমাজৰ বিভিন্ন মেল-মিটিঙত বৰ বৰ লেকচাৰ মাৰি ফুৰে। বিভিন্ন সামাজিক বিচাৰ-মোকৰ্দমাত সিদ্ধান্ত গ্ৰহণ কৰে। অথচ অতি সাধাৰণ আপোচ-মীমাংসা হোৱা এটি ঘটনাৰ আলম লৈ এজন নিৰীহ কিশোৰক নিৰ্দয়ভাৱে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰি ঘৰৰ পৰা কেইবাদিন ধৰি পলাই থাকে। আমিন আলীৰ এই দুষ্কাৰ্যই ভেল্লা সমাজ তথা দ্বৰ্গাহপুৰ পকী দালান জামে মছজিদ পৰিচালনা সমিতিৰ গৰিমাতো কলংক সানিছে বুলি চৰ্চিত হৈছে। সমাজ পৰিচালনা সমিতিৰ পদত থাকি এনেকুৱা গুণ্ডা, অত্যাচাৰীৰ দৰে মন মানসিকতা লৈ থকা এনে লোকক সমিতিৰ পৰা শীঘ্ৰেই বৰ্খাস্ত কৰিব লাগে বুলিও ভেল্লাৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মুখে মুখে দাবী উত্থাপিত হৈছে।

# জম্মু-কাশ্মীৰত দুটাকৈ এনকাউণ্টাৰত নিহত চাৰি সন্ত্ৰাসবাদী

**শ্ৰীনগৰ, ৫ অক্টোবৰ ঃ** জম্মু-কাশ্মীৰত অব্যাহত আছে নিৰাপত্তাৰক্ষীৰ সন্ত্ৰাসবাদ বিৰোধী অভিযান। যোৱা বৰ্ষৰ শেষৰ ফালৰ পৰা উপত্যকাটোত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰন্তৰ অভিযান চলাই আছে নিৰাপত্তাৰক্ষীয়ে। ভাৰতীয় সেনা আৰু কাশ্মীৰ আৰক্ষীৰ যুটীয়া অভিযানত এতিয়ালৈকে নিহত হৈছে প্ৰায় দুই শতাধিক সন্ত্ৰাসবাদী।এনে ধাৰাবাহিক অভিযানৰ মাজতে কালি নিশা পুনৰ দুটাকৈ পৃথক পৃথক এনকাউণ্টাৰে জোকাৰি যায় জম্মু-কাশ্মীৰ। উপত্যকাটোৰ শ্বপিয়ান জিলাত নিৰাপত্তাৰক্ষী আৰু সন্ত্ৰাসবাদীৰ মাজত সংঘটিত দুটা সংঘৰ্ষৰ সময়ত জৈছ-ই-মহম্মদৰ তিনি সন্ত্ৰাসবাদীৰ লগতে নিহত হৈছে এগৰাকী স্থানীয় সন্ত্ৰাসবাদী।পুৱালৈকে চলি থকা এই অভিযান দুটা ক্ৰমে শ্বপিয়ানৰ ড্ৰাচ এলেকা আৰু মুলু অঞ্চলত সংঘটিত হয়। নিৰাপত্তা বাহিনীয়ে ড্ৰাচ অঞ্চলত জৈছ-ই-মহম্মদৰ সৈতে সম্পৰ্কিত তিনি সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰাৰ বিপৰীতে মুলু অঞ্চলত আন এজন সন্ত্ৰাসবাদীক হত্যা কৰিছে। এনকাউণ্টাৰ সন্দৰ্ভত কাশ্মীৰ আৰক্ষীয়ে টুইট যোগে সদৰী কৰি লিখিছে, "শ্বপিয়ানৰ ড্ৰাচ অঞ্চলত এনকাউণ্টাৰ আৰম্ভ হৈছে। আৰক্ষী আৰু সুৰক্ষা বাহিনীয়ে এই অভিযানত অংশ লৈছে। এনকাউণ্টাৰৰ অধিক বিৱৰণ পিছত সদৰী কৰা হ'ব।"আন এক পৃথক টুইটত কাশ্মীৰ আৰক্ষীয়ে জৈছ-ই-মহম্মদৰ তিনি সন্ত্ৰাসবাদী নিহত হোৱা হোৱা বুলি সদৰী কৰে। ইয়াৰ ভিতৰত নিহত সন্ত্ৰাসবাদী হানান বিন য়াকুব জামছেদ যোৱা দুই অ'’াবৰত পুলৱামাৰ পিংলানাত আৰক্ষী বিষয়া জাভেদ দাৰ আৰু ২৪ ছেপ্টেম্বৰত পশ্চিম বংগৰ এগৰাকী শ্ৰমিকৰ হত্যাত জড়িত আছিল বুলি উল্লেখ কৰে কাশ্মীৰ আৰক্ষীয়ে ।আনহাতে আজি পুৱা আন এটা টুইটত দ্বিতীয়টো এনকাউণ্টাৰৰ বিষয়ে ৰাজহুৱা কৰি কাশ্মীৰ আৰক্ষীয়ে মুলু অঞ্চলত আৰক্ষী আৰু সুৰক্ষা বাহিনীয়ে যুটীয়াভাৱে অভিযান চলোৱা বুলি উল্লেখ কৰিছিল ।উল্লেখ্য যে কালি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ জম্মু আৰু কাশ্মীৰত উপস্থিত হৈছিল। তিনিদিনীয়া জম্মু-কাশ্মীৰ ভ্ৰমণলৈ যোৱা শ্বাহে মঙলবাৰে জম্মু অঞ্চলৰ ৰাজৌৰী জিলাত এক ৰেলী সম্বোধন কৰিছিল ।আজি পুনৰ গৃহমন্ত্ৰী শ্বাহে উত্তৰ কাশ্মীৰৰ বাৰামুলাত আন এখন ৰেলী সম্বোধন কৰিব ।গৃহমন্ত্ৰীৰ ভ্ৰমণৰ সময়তে উপত্যকাটোত দুটাকৈ এনকাউণ্টাৰ সংঘটিত হোৱাৰ বাবে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।



মুম্বাই আৰক্ষীয়ে ৰাৱণৰ দশমুখ পৰিধান কৰি যানবাহন আইন অমান্য নকৰিবলৈ সজাগতা অভিযান চলোৱাৰ দৃশ্য, বুধবাৰে



ৰাজধানী দিল্লীত বিজয়া দশমী অৰ্থাৎ দশেৰা উৎসৱৰ বাবে আয়োজন কৰা ৰাৱণৰ প্ৰতিমূৰ্তি দেখা গৈছে এনেদৰে।

# শান্তিৰ নোবেলৰ বাবে মনোনীত অল্ট নিউজৰ মহম্মদ জুবেইৰ-প্ৰতীক সিনহা



**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** ভাৰতীয় সংবাদ জগতৰ বাবে এক সুখবৰ। দেশৰ সংবাদ মহলে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে নিজৰ প্ৰকৃত চৰিত্ৰ হেৰুৱাই পেলোৱা বুলি বিগত সময়চোৱাৰ পৰা যি চৰ্চা আৰম্ভ হৈছে, তেনে সময়তে সংবাদ মাধ্যমৰ নিৰ্ভীক আৰু সত্যতাৰ ওপৰত আধাৰিত প্ৰকৃত চৰিত্ৰ অক্ষুণ্ণ ৰাখি দেশৰ জনসাধাৰণৰ মাজত সত্য উপস্থাপন কৰি অহা জনপ্ৰিয় ৱেবচাইট অল্ট নিউজৰ প্ৰতিষ্ঠাপকদ্বয় মহম্মদ জুবেইৰ আৰু প্ৰতীক সিনহা ২০২২ বৰ্ষৰ শান্তিৰ নবেল বঁটাৰ বাবে মনোনীত আছে। আমেৰিকাৰ প্ৰখ্যাত আলোচনী 'টাইম'ত প্ৰকাশিত প্ৰতিবেদন মতে, বৰ্ষৰ শান্তিৰ নোবেল পুৰস্কাৰৰ বাবে মনোনীত দাবীদাৰসকলৰ ভিতৰত ফে'’ চেক্ ছাইট অল্টনিউজৰ প্ৰতিষ্ঠাপকদ্বয় জুবেইৰ আৰু প্ৰতীক সিনহা অন্যতম ।সম্ভাব্য নোবেল বিজয়ীসকলৰ তালিকাত জুবেইৰৰ অন্তৰ্ভুক্তি বিশেষভাৱে চৰ্চিত হৈ পৰিছে। ফে'’ চেকৰ জৰিয়তে দেশৰ শাসকপক্ষৰ বহু ভুৱা প্ৰচাৰৰ মুখা খুলি দিয়া জুবেইৰ শেহতীয়াকৈ ষড়যন্ত্ৰৰ সন্মুখীন হৈছিল, যাৰ বাবে তেওঁ কেইবাদিন ধৰি কাৰাগাৰত আৱদ্ধ থাকিবলগীয়া হৈছিল ।জুবেইৰক ২০১৮ চনৰ জুন মাহতে কৰা এটা টুইটৰ বাবে ধৰ্মীয় অনুভূতিত আঘাত সনা আৰু ঘৃণাৰ সৃষ্টিত উচতনি যোগোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ পিছতো কেইবাটাও ন-পুৰণি গোচৰত জুবেইৰক অভিযুক্ত কৰা হৈছিল ।জুবেইৰৰ গ্ৰেপ্তাৰে বিশ্বজুৰি তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। আমেৰিকান সংস্থা সাংবাদিক সুৰক্ষা সমিতিয়ে এক বিবৃতি জাৰি কৰি জুবেইৰৰ গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধ কৰিছিল ।বিবৃতিটোত সংস্থাটোৱে ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰি চৰকাৰে সাম্প্ৰদায়িক বিষয়ত সংবাদ মাধ্যমৰ কৰ্মীসকলৰ বাবে এক প্ৰতিকূল আৰু অসুৰক্ষিত পৰিৱেশ সৃষ্টি কৰিছে বুলি অভিযোগ কৰিছিল ।তথ্য পৰীক্ষণৰ জৰিয়তে শাসনাধিষ্ঠিত বিজেপি চৰকাৰ তথা চৰকাৰৰ অনুগত হিন্দুত্ববাদৰ ধ্বজা বহনকাৰী সংগঠন আৰু ব্যক্তিয়ে কৰা বহু ভুৱা প্ৰচাৰৰ আঁৰৰ সত্য ফাদিল কৰাৰ বাবেই জুবেইৰক চক্ৰান্তমূলকভাৱে গ্ৰেপ্তাৰ কৰা বুলি অভিযোগ উত্থাপিত হৈছিল। উল্লেখ্য নুপুৰ শৰ্মাই পয়গম্বৰ হজৰত মহম্মদৰ বিৰুদ্ধে কৰা মন্তব্যৰ ভিডিঅ' প্ৰথমে সাংবাদিক জুবেইৰেই ফে'’ চেকিঙৰ জৰিয়তে ৰাজহুৱা কৰিছিল ।অৱশেষত উচ্চতম ন্যায়ালয়ৰ দ্বাৰা জামিন মঞ্জুৰ হোৱাৰ পিছত কাৰাগাৰৰ পৰা মুক্ত হৈছিল জুবেইৰ। কাৰাগাৰৰ পৰা ওলোৱাৰ পিছতে জুবেইৰে ন উদ্যমেৰে পুনৰ তথ্য পৰীক্ষণৰ জগতখনত জড়িত হৈ পৰে ।উল্লেখ্য যে, ২০২২ চনৰ শান্তিৰ নোবেল বঁটাৰ বাবে ২৫১ গৰাকী ব্যক্তি আৰু ৯২ টা সংগঠনসহ মুঠ ৩৪৩ প্ৰাৰ্থী মনোনীত হৈছে। জুবেইৰ আৰু প্ৰতীক সিনহাৰ উপৰিও এই তালিকাত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কি, ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী সংস্থা, বিশ্ব স্বাস্থ্য সংস্থা (বিশ্ব স্বাস্থ্য সংস্থা) আৰু ৰাছিয়াৰ বিৰোধী আৰু ভ্লাদিমিৰ পুটিনৰ সমালোচক এলে'’ নাভালনিয়েও স্থান পাইছে।

# জম্মু-কাশ্মীৰৰ পৰা সন্ত্ৰাসবাদ উৎখাত কৰিব মোদী চৰকাৰে

## পাকিস্তানৰ সৈতে আলোচনাৰ সম্ভাৱনা অস্বীকাৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ

**বাৰামূলা, ৫ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বুধবাৰে জম্মু কাশ্মীৰৰ বাৰামূলা জিলাত উপস্থিত হৈ এখন ৰাজহুৱা সভা সম্বোধন কৰে। এই সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কয় যে দেশৰ চৰকাৰে কোনোপধ্যে সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদ সহ্য নকৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ। আনকি সন্ত্ৰাসবাদ সম্পৰ্কত পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনা কৰা নহয় বুলিও গৃহমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। ১৯৯০ চনৰ পৰা জম্মু-কাশ্মীৰত বৰ্তমানলৈকে ৪২ হাজাৰতকৈ অধিক লোকৰ অকাল মৃত্যু হৈছে কেৱল সন্ত্ৰাসবাদৰ ফলত। তেওঁ নেচনেল কনফাৰেন্সৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুলাৰ পৰিয়ালৰ উপৰিও প্ৰাক্তন মুখ্যমন্ত্ৰী মুফতি মহম্মদৰ পৰিয়ালৰো ৰাজ্যখনত সন্ত্ৰাসবাদ নিৰ্মূলৰ ব্যৰ্থ হোৱা বুলি সমালোচনা কৰে। নেহৰু-গান্ধী কংগ্ৰেছে জম্মু-কাশ্মীৰ স্বাধীনতাৰ পিছৰে পৰা এক সমাধান নোহোৱা সমস্যা এৰি থৈ যোৱা বুলি ব্যক্ত কৰে। গৃহমন্ত্ৰীয়ে কয় যে ভাৰতৰ ভিতৰুৱা ৰাজ্য হ'ল জম্মু-কাশ্মীৰ। এই ৰাজ্যখনৰ আভ্যন্তৰীণ সমস্যাৰ বিষয়ে একাংশই পাকিস্তানৰ সৈতে আলোচনা কৰিবলৈ পৰামৰ্শ দিয়ে। এয়া কেনেধৰণৰ পৰামৰ্শ বুলি অমিত শ্বাহে প্ৰশ্ন কৰে। নিজৰ দেশৰ সমস্যা সমাধান কৰিবলৈ এইখন চৰকাৰৰ সাহস আৰু ৰাইজৰ সমৰ্থন আছে বুলি তেওঁ ৰাজহুৱা সভাত ব্যক্ত কৰিছিল। যি সময়ত একাংশই পাকিস্তানৰ সৈতে আলোচনা কৰিবলৈ কয় তেওঁলোকে কেতিয়াও জানিব নোখোজে যে কিমান সংখ্যক পাক অধিকৃত কাশ্মীৰত বিদ্যুৎ সংযোগ দিয়া হৈছে। কিন্তু যোৱা তিনি বছৰত এইখন ৰাজ্যৰ সকলো গাঁৱতে আৰু সকলো পৰিয়ালতে বিদ্যুৎ সংযোগ দিয়া হৈছে। মুফতি এণ্ড কোম্পানী, আব্দুল্লা এণ্ড ছনছ, কংগ্ৰেছ আদিয়ে এইখন ৰাজ্য সদায় পিছুৱাই ৰাখিছিল। উল্লেখ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰত কালিৰে পৰা উপস্থিত হৈছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী। দুয়োটা দিনত চৰকাৰী কাৰ্যসূচীৰ উপৰিও দলীয় কাৰ্যসূচীত ভাগ লৈছে অমিত শ্বাহে। আগন্তুক সময়ত সাধাৰণ নিৰ্বাচনৰ জৰিয়তে ৰাজ্যখনৰ ক্ষমতা নিৰ্বাচিত প্ৰতিনিধিৰ হাতত তুলি দিবলৈ সাজু হোৱা বুলি চৰকাৰে ব্যক্ত কৰিছে। ২০১৯ চনৰ আগষ্ট মাহৰ পৰা ৰাষ্ট্ৰপতিৰ শাসনৰ কবলত আছে জম্মু-কাশ্মীৰ। গতিকে চলিত বৰ্ষৰ শেষৰ ফালে ৰাজ্যখনত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সাজু হোৱা বুলি চৰ্চিত হৈছে।



# মোদীৰ সৈতে জেলেনস্কিৰ আলোচনা

**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ সৈতে দেশখনৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কত আলোচনা কৰে। ৰাছিয়াৰ সৈতে চলি থকা সংঘাত আৰু আক্ৰমণ নোহোৱা কৰিবলৈ সেনাবাহিনীৰ পৰিৱৰ্তে আলাপ-আলোচনাৰ মাধ্যমেৰে দুয়োখন দেশ আগুৱাই অহাত মোদীয়ে গুৰুত্ব আৰোপ কৰিছে। সেনাৰ অভিযানৰ দ্বাৰা এনে সংঘাত দূৰ কৰাতো সম্ভৱ নহয় বুলি প্ৰধানমন্ত্ৰীয়ে ব্যক্ত কৰিছে। মোদীয়ে লগতে ৰাষ্ট্ৰসংঘৰ আহবান, আন্তঃৰাষ্ট্ৰীয় আইন, সাৰ্বভৌমত্বৰ নিৰ্দেশনা অনুসৰি দুয়োপক্ষৰ সংঘাত নিৰাময়ৰ আহ্বান জনাইছে।

### অৰুণাচলত দুৰ্ঘটনাত পতিত সেনাৰ হেলিকপ্টাৰ

# এগৰাকী পাইলটৰ মৃত্যু



**ইটানগৰ, ৫ অক্টোবৰ ঃ** অৰুণাচল প্ৰদেশৰ টাৱাঙত আজি দুৰ্ঘটনাত পতিত হৈছে ভাৰতীয় সেনাৰ এখন হেলিকপ্টাৰ। এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে হেলিকপ্টাৰখনৰ এগৰাকী পাইলটে। ভাৰতীয় সেনাৰ এই চিতা হেলিকপ্টাৰখন টাৱাং জিলাৰ বিটিকে জলপ্ৰপাতৰ ওচৰত পুৱা প্ৰায় ১০ বজাত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ পিছত দুয়োগৰাকী পাইলটক নিকটতম সামৰিক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল যদিও গুৰুতৰ আঘাতৰ বাবে চিকিৎসালয়ত এগৰাকী পাইলটৰ মৃত্যু হয় ।নিহত পাইলট গৰাকীক লেফটেনেণ্ট কৰ্ণেল সৌৰভ যাদৱ বুলি চিনাক্ত কৰা হৈছে। আনহাতে আনগৰাকী আঘাতপ্ৰাপ্ত পাইলট বৰ্তমান চিকিৎসাধীন হৈ আছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক বিবৃতিত উল্লেখ কৰা হৈছে। বিবৃতিটোত প্ৰতিৰক্ষা মন্ত্ৰালয়ে লগতে দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত বৰ্তমানলৈকে কোনো তথ্য পোৱা নাই বুলি জানিবলৈ দিয়ে।

# উত্তৰাখণ্ডৰ হিমস্খলনত আৱদ্ধ পৰ্বতাৰোহী

## ১০ মৃতদেহ উদ্ধাৰ, নিখোঁজ হৈ আছে অন্য কেইবাজনো

**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** উত্তৰাখণ্ডৰ দ্ৰৌপদীৰ দণ্ডা-২ পৰ্বত শৃংগত হিমস্খলনৰ ফলত আৱদ্ধ হৈ থকা ২১ গৰাকী প্ৰশিক্ষাৰ্থী পৰ্বাতাৰোহীৰে ১০ গৰাকীৰ মৃত্যু হৈছে। প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষণ গ্ৰহণ কৰা উত্তৰ কাশীৰ নেহৰু মাউণ্টেনিয়াৰিং ইনষ্টিটিউটৰ মুৰব্বী গৰাকীয়ে শেহতীয়া এই খবৰ সদৰী কৰিছে।উদ্ধাৰ অভিযান চলাই থকা অভিযানকাৰী গোটৰ সদস্যসকলে এতিয়ালৈকে আঠগৰাকী প্ৰশিক্ষাৰ্থীক জীৱিত অৱস্থাত উদ্ধাৰ কৰিছে। আনহাতে এতিয়াও হিমস্খলনৰ ফলত নিখোঁজ হোৱা ১১ গৰাকী প্ৰশিক্ষাৰ্থীৰ সন্ধান লাভ কৰা নাই বুলি জানিব পৰা গৈছে। উত্তৰাখণ্ডৰ আৰক্ষী মুৰব্বী অশোক কুমাৰে উদ্ধাৰ অভিযান সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত উল্লেখ কৰা মতে ভাৰতীয় বায়ু সেনাৰ হেলিকপ্টাৰে উদ্ধাৰ অভিযানত সহায় আগবঢ়াইছে।উল্লেখ্য যে হিমস্খলনৰ ফলত পৰ্বতমালাত ২৯ গৰাকী পৰ্বতাৰোহী প্ৰশিক্ষাৰ্থী আৱদ্ধ হৈ পৰিছিল যদিও ইয়াৰে আঠগৰাকীক বৰ্তমানলৈকে উদ্ধাৰ কৰা হৈছে। আনহাতে আৱদ্ধ আন প্ৰশিক্ষাৰ্থীসকলক উদ্ধাৰৰ বাবে অভিযান চলাই থকা হৈছে বুলি স্থানীয় প্ৰশাসনিক বিষয়াই জানিবলৈ দিছে।হিমস্খলনত আৱদ্ধ প্ৰশিক্ষাৰ্থীসকল উত্তৰ কাশীৰ নেহৰু মাউণ্টেনিয়াৰিং ইনষ্টিটিউটৰ পৰা পৰ্বতাৰোহণৰ বাবে দণ্ডা-২ পৰ্বত শৃংগত উপস্থিত হৈছিল ।প্ৰকাশিত খবৰ অনুসৰি প্ৰশিক্ষাৰ্থীসকলৰ দলটো আজি পুৱা প্ৰায় ৯ বজাত ১৬,০০০ ফুট উচ্চতাত হিমস্খলনত আৱদ্ধ হৈ পৰিছিল। এতিয়ালৈকে উদ্ধাৰ কৰা প্ৰশিক্ষাৰ্থীসকলক শৃংগৰ ১৩,০০০ ফুট উচ্চতাত থকা হেলিপেডলৈ নিয়াৰ পিছত তাৰ পৰা ডেৰাডুনলৈ লৈ যোৱা হয় ।আনহাতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এক বিবৃতি যোগে জানিবলৈ দিয়া মতে এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু ভাৰত-তিব্বত সীমান্ত আৰক্ষীৰ উদ্ধাৰকাৰী দলে এই অভিযানত অংশ লৈছে ।মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে জানিবলৈ দিয়া মতে ইতিমধ্যে তেওঁ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে যোগাযোগ কৰি সেনাৰ সহায়ৰ বাবে আহ্বান জনায়। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰই প্ৰয়োজনীয় সহায়ৰ আশ্বাস দিয়ে বুলিও তেওঁ লগতে উল্লেখ কৰে।



### উত্তৰাখণ্ডত বিবাহ যাত্ৰীৰ বাছ সোমাল খাৱৈত

# নিহত ৩২ বিবাহযাত্ৰী, আহত ২০

**ডেৰাডুন, ৫ অক্টোবৰ ঃ** মঙলবাৰে উত্তৰাখণ্ডৰ কোটদ্বাৰ জিলাত সংঘটিত ভয়াৱহ বাছ দুৰ্ঘটনাত ৩২ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। প্ৰায় ৫৫ গৰাকী যাত্ৰী কঢ়িয়াই অনা এখন বাছ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা প্ৰায় ৫০০ মিটাৰ গভীৰ খাৱৈত বাগৰি পৰাৰ ফলত এই শোকাৱহ ঘটনা সংঘটিত হৈছে ।দুৰ্ঘটনাটোত বাছখনত থকা আন প্ৰায় ২০ গৰাকী যাত্ৰী আহত হয় বুলি উদ্ধাৰ অভিযানৰ তদাৰক কৰা এগৰাকী বিষয়াই জানিবলৈ দিয়ে। এছডিআৰএফ, এনডিআৰএফ আৰু আৰক্ষীয়ে যুটীয়াভাৱে উদ্ধাৰ অভিযান চলাই আছে আৰু আহতসকলক চিকিৎসালয়লৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে লগতে উল্লেখ কৰে। প্ৰকাশিত খবৰ অনুসৰি এখন বিয়াত অংশ লোৱাৰ উদ্দেশ্যে বাছখন হৰিদ্বাৰ জিলাৰ লালধাঙৰ পৰা পাউৰী জিলাৰ বিৰখল খণ্ডলৈ গৈ আছিল। পাউৰী জিলাৰ ধুমাকোটে অঞ্চলত বাছখন নিয়ন্ত্ৰণ হেৰুৱাই খাদত বাগৰি পৰে। এই দুৰ্ঘটনাৰ বিষয়ে জানিব পৰাৰ পিছতে স্থানীয় আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে। ইফালে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই শোকাৱহ দুৰ্ঘটনাৰ বিষয়ে জানিব পৰাৰ পিছতে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰত উপস্থিত হয় আৰু তৎকালীন উদ্ধাৰ অভিযানৰ নিৰ্দেশ দিয়ে। উদ্ধাৰ অভিযানৰ মাজতে উত্তৰাখণ্ড আৰক্ষীৰ টুইটাৰ হেণ্ডেলত উল্লেখ কৰা মতে সেই সময়লৈকে ৯ গৰাকী লোকক দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হৈছিল ।প্ৰথম অৱস্থাত অৱশ্যে দুৰ্ঘটনাটোত কোনো লোকৰে মৃত্যুৰ খবৰ পোৱা হোৱা নাছিল যদিও আজি উদ্ধাৰ অভিযানত ৩২ গৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। এই শোকাৱহ দুৰ্ঘটনাৰ পাছতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এক টুইট যোগে দুৰ্ঘটনাৰ বাবে দুখ প্ৰকাশ কৰি দুৰ্ঘটনাত নিহত সকলৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে আহতসকলৰ দ্ৰুত আৰোগ্য কামনা কৰি ক্ষতিগ্ৰস্ত লোকসকলক সম্ভৱপৰ সকলো সহায় আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে ।আনহাতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও এক টুইট যোগে শোক প্ৰকাশ কৰে। দুৰ্ঘটনাত নিহতসকলৰ আত্মীয়ক সমবেদনা জনাই তেওঁ লগতে আঘাতপ্ৰাপ্ত সকল সোনকালেই সুস্থ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে।



# ধৰ্ম ভিত্তিত জনসংখ্যাৰ অসাম্যতা এৰাই চলিব পৰা বিষয় নহয় ঃ মোহন ভাগৱত

**নাগপুৰ, ৫ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতে বুধবাৰে নাগপুৰত আয়োজিত এখন সভাত কয় যে ভাৰতে জনসংখ্যা নিয়ন্ত্ৰণৰ আঁচনি কঠোৰভাৱে বলৱৎ কৰিব লাগে। সকলো ধৰ্ম আৰু জাতি-জনগোষ্ঠীৰ মাজত জনসংখ্যা নিয়ন্ত্ৰণ সমভাৱে প্ৰয়োগ হ'ব লাগে। কিয়নো ধৰ্মৰ ভিত্তিত জনসংখ্যাৰ অসাম্য অৱস্থা দেশৰ বাবে বিপদজনক হৈ উঠিছে। প্ৰয়োজনত আইন প্ৰণয়ন কৰি জনসংখ্যা নিয়ন্ত্ৰণ বাধ্যতামূলক কৰিব লাগে। শেহতীয়াকৈ বিশ্বৰ কেইবাখনো দেশত ধৰ্মৰ ভিত্তিত দেখা দিয়া জনসংখ্যাৰ অসাম্যতাই সৃষ্টি কৰা সংকটে দেশ এখনত চৰকাৰে আইন প্ৰণয়ন কৰিবলৈ বাধ্য হোৱা প্ৰসংগ দাঙি ধৰা হৈছে। আৰ এছএছ প্ৰধানজনে কয় যে নতুন দেশকেইখনে ধৰ্ম-জাতিৰ ভিত্তিত জনসংখ্যাৰ সম নিয়ন্ত্ৰণত গুৰুত্ব আৰোপ কৰিছে। ইষ্ট তিমুৰ, কছভো আৰু দক্ষিণ ছুইডেনত এনে আঁচনি গ্ৰহণ কৰা বুলি নিজৰ বক্তব্যত উল্লেখ কৰিছে। দশেৰা উৎসৱ উপলক্ষে আৰএছএছৰ কাৰ্যালয়ত বাৰ্ষিক সভাত এই মন্তব্য কৰিছে মোহন ভাগৱতে। তেওঁ লগতে কয় যে দেশৰ বিকাশৰ বাবে সকলো ধৰ্মীয় জনগোষ্ঠীৰ মাজত জনসংখ্যাৰ নিয়ন্ত্ৰণৰ বিষয়টো অগ্ৰাধিকাৰ পাব লাগে। অৰ্থনৈতিক বিকাশ আৰু দেশৰ বৰ্ধিত জনসংখ্যাৰ মাজত পোনপটীয়া সম্পৰ্ক আছে। জন্ম নিয়ন্ত্ৰণ, ধৰ্মান্তৰকৰণ, অবৈধ প্ৰব্ৰজন আদিৰ ফলতো দেশত জন বিস্ফোৰণ হৈছে। বিজেপি চৰকাৰে জনসংখ্যা নিয়ন্ত্ৰণত বৰ্তমানলৈ বিশেষ গুৰুত্ব প্ৰদান নকৰা বুলি আৰএছএছ প্ৰধানজনে অভিযোগ কৰিছে। তেওঁ লগতে কয় যে দেশৰ স্বাধীনতাৰ পিছৰে পৰা প্ৰকাশ কৰা লোকপিয়লৰ তথ্যসমূহত জনসংখ্যাৰ অসাম্য বৃদ্ধি পৰিলক্ষিত হৈ আহিছে। বিশেষ ধৰ্মীয় জনসংখ্যা উৰ্ধমুখী হোৱাৰ বিপৰীতে হিন্দু ধৰ্মৰ বৃদ্ধি নিম্নগামী হৈছে। গতিকে আইন প্ৰণয়নৰ জৰিয়তে ভাৰতৰ জনসংখ্যাৰ ধৰ্মৰ ভিত্তিক অসাম্য অৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ আহবান জনোৱা হৈছে। অন্যথা চৰকাৰে প্ৰতিবছৰে গ্ৰহণ কৰা অৰ্থনৈতিক বিকাশৰ কাৰ্যসূচী কেৱল সীমিত সংখ্যক লোকৰ মাজত আৱদ্ধ থাকিব আৰু ফলত বিকাশ স্থবিৰ হৈ পৰিব বুলি তেওঁ আশংকা প্ৰকাশ কৰিছে।







উত্তৰ প্ৰদেশৰ বাৰানসীৰ গংগা নদীৰ পাৰত দশেৰা উৎসৱ উপলক্ষে স্নান আৰু আৰাধনা কৰা দেখা গৈছে, বুধবাৰে

# ম্যানমাৰত ভুৱা চাকৰিৰ জালত বন্দী ৪৫ ভাৰতীয়ক উদ্ধাৰ



**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ অৰিন্দম বাগছিয়ে বুধবাৰে কয় যে ম্যানমাৰত চাকৰিৰ ভুৱা বিজ্ঞাপনত আৱদ্ধ হৈ আছে বহুতো ভাৰতীয় লোক। তেওঁলোকে ম্যানমাৰৰ ভুৱা প্ৰতিষ্ঠানৰ বিজ্ঞাপনত ভুলকৈ দেশখনত প্ৰৱেশ কৰিছিল। কিন্তু এই ভুৱা চক্ৰৰ জালত পৰি তেওঁলোক দেশখনত আৱদ্ধ হৈ আছিল। শেহতীয়াকৈ এনেদৰে বন্দী হৈ থকা ৪৫ জন লোকক ভাৰত চৰকাৰে উদ্ধাৰ কৰিছে। ইয়াৰ বাবে বৈদেশিক পৰিক্ৰমা বিভাগে ধন্যবাদ জনাইছে ম্যানমাৰ আৰু থাইলেণ্ডৰ কৰ্তৃপক্ষক। উল্লেখ্য যে প্ৰথমে ৩২ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছিল যদিও তেওঁলোকৰ তথ্যৰ ভিত্তিত আৱদ্ধ হৈ থকা অন্য ১৩ জন লোকক পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ম্যানমাৰ চৰকাৰৰ কৰ্তৃপক্ষই এইসকল লোকক নিজৰ জিম্মাত ৰাখিছিল। অৱশ্যে তেওঁলোকে প্ৰকৃত পাছপৰ্ট আৰু ভিছাসহ দেশখনত প্ৰৱেশ কৰিছিল। কেৱল ম্যানমাৰতে নহয়, এনে এক চক্ৰ লাউছ, কম্বোদিয়া আদিতো সক্ৰিয় হৈ আছে।



## সাঁতোৰত আস্থা-বিক্ৰমৰ ৰূপ, শিৱাংগীৰ ব্ৰঞ্জ

**ৰাজকোট, ৫ অক্টোবৰ ঃ** অসম আস্থা চোধুৰী আৰু বিক্ৰম চাংমায়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজৰ দ্বিতীয়টো পদক লাভ কৰিবলৈ সক্ষম হৈছে। আজি হোৱা পুৰুষ আৰু মহিলাৰ ২০০ মিটাৰ ৱাটাৰ ফ্লাইত আস্থা আৰু বিক্ৰমে ৰূপ অৰ্জন কৰে। আস্থাই ২.১৯.৬৩ ছেকেণ্ড সময় লোৱাৰ বিপৰীতে বিক্ৰমে ২.০৩.৪৩ ছেকেণ্ড সময়ত লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নতুন অভিলেখ গঢ়ি মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইত সোণ লাভ কৰিছিল অসমৰ জলপৰী আস্থাই। ১.০৩.৩৭ ছেকেণ্ড সময়ৰে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইৰ নতুন অভিলেখ গঢ়িছিল আস্থাই। আনবাতে বিক্ৰমে পুৰুষৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইতো ৰূপৰ পদক লাভ কৰিছিল। ৫৫.৭৩ ছেকেণ্ড সময় লৈছিল বিক্ৰমে। ইফালে, আস্থা আৰু বিক্ৰমৰ লগতে অসমৰ শিৱাংগী শৰ্মায়ো চলিত গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰ প্ৰত্যাশিত অভিযান আৰম্ভ কৰিছে। কালি শিৱাংগীয়ে মহিলাৰ ৫০ মিটাৰ ফ্ৰী ষ্টাইলত ব্ৰঞ্জ পদক অৰ্জন কৰে। তেওঁ সময় লয় ২৭.২১ ছেকেণ্ড। উল্লেখ্য যে অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে পদক আশা কৰিছিল তাৰভিতৰত অন্যতম হ'ল তিনি নৱাগত সন্তৰণবিদ আস্থা, শিৱাংগী আৰু বিক্ৰম। ৰাজ্যবাসীৰ প্ৰত্যাশা পূৰ্ণ কৰি ৰাজকোটৰ ছুইমিং পুলত গৌৰৱ অৰ্জন কৰিছে অসমৰ খেলুৱৈয়ে।

### চিকিৎসকৰ সেউজ সংকেট লাভ কৰি অসমৰ হৈ ৰিঙত নামিল অলিম্পিক পদকজয়ী বক্সাৰে

# ৰাষ্ট্ৰীয় ক্ৰীড়াত জয়ৰে অভিযান লাভলীনাৰ

**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজিৰে পৰা আৰম্ভ হৈছে বক্সিং। অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে সুখৰ খবৰ এয়ে যে আঘাতমুক্ত হৈ গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিবলৈ সাজু হৈছে দেশৰ তাৰকা মহিলা বক্সাৰ অসম কন্যা লাভলীনা বৰগোঁহায়ে। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী খেলৰত্ন সন্মান লাভ কৰা লাভলীনাই ৭০-৭৫ কিলোগ্ৰাম শাখাত খেলিছে। প্ৰথমদিনাই ৰিঙত নমা লাভলীনাই আজি প্ৰথম ৰাউণ্ডৰ মেচত প্ৰতিদ্বন্দ্বী বিহাৰৰ নিশি ভৰদ্বাজক নকআউট কৰে। স্মৰ্তব্য যে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ প্ৰাকক্ষণতে আঘাতৰ বাবে প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল লাভলীনাই। পাটিয়ালাত হোৱা এছিয়ান চেম্পিয়নশ্বিপৰ বাছনিৰ সময়তে নাকত আঘাত পাইছিল লাভলীনাই। সেয়ে চিকিৎসকে তিনি সপ্তাহৰ জিৰণিৰ পৰামৰ্শ দিয়ে লাভলীনাক। কিন্তু শেহতীয়া পৰীক্ষাৰ পাছতে চিকিৎসকৰ পৰা সেউজ সংকেট লাভ কৰি অসমৰ হৈ কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলাৰ বাবে সাজু হৈছে লাভলীনা। ভাৰতীয় বক্সিং ফেডাৰেছনে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আয়োজকক পুনৰ লাভলীনাৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ কয় আৰু সেই অনুসৰি বিশ্ব চেম্পিয়নশ্বিপ তথা কমনৱেলথ গেমছৰ হতাশজনক ফলাফলৰ পাছত নতুন আশাৰে সাজু হৈছে অসমৰ ভাৰত গৌৰৱ কন্যা। 'লাভলীনাৰ নাকত এতিয়াও কেপ লগোৱা আছে। কিন্তু চিকিৎসকে খেলাৰ অনুমতি দিছে। পূৰ্বে অসম বক্সিং সন্থাৰ অনুৰোধত আঘাতপ্ৰাপ্ত লাভলীনাৰ স্থানত ভাগ্যৱতী কছাৰীক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অসম দলত লোৱা হৈছিল যদিও এতিয়া ৰাজ্যিক সন্থাৰ অনুমতি অনুসৰি পুনৰ লাভলীনাৰ নাম অন্তৰ্ভুক্ত কৰা হ'ল।' ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই কয়। উল্লেখ্য যে কলিতা অসম বক্সিং সন্থাৰো সম্পাদক। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ বক্সাৰে পদক জয়ৰ সম্ভাৱনাৰ বিষয়েও ব্যক্ত কৰে কলিতাই। উল্লেখ্য যে দুবাৰকৈ বিশ্ব বক্সিঙত ব্ৰঞ্জজয়ী লাভলীনাৰ লগতে অসম দলত আছে ৫৪ কিলোগ্ৰামত খেলিব লগা বিশ্ব চেম্পিয়নশ্বিপৰ আন এগৰাকী ব্ৰঞ্জজয়ী যমুনা বড়ো। মহিলাৰ ৫২ কিলোগ্ৰামত খেলিব মঞ্জু বসুমতাৰীয়ে। আনহাতে, ফাইলাও বসুমতাৰীয়ে ৬০ কিলোগ্ৰামত



তথা ৬৬ কিলোগ্ৰাম শাখাত অংশ ল'ব প্ৰাক্তন জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়োই। ইফালে, দুবাৰকৈ অলিম্পিক খেলা শিৱ থাপাৰ লগতে অসমৰ আন দুই পুৰুষ বক্সাৰ হ'ল বাস্তৱ চেতিয়া আৰু ৰৌছন সোনাৰ।

## গুৱাহাটীত ভাৰতীয় বক্সিং দলৰ নিৰ্বাচন

**গুৱাহাটী, ৫ অক্টোবৰ ঃ** অহা ১৩-২৭ নৱেম্বৰত স্পেইনত অনুষ্ঠিত হ'ব যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো আজি গুৱাহাটীত ঘোষণা কৰা হৈছে। উল্লেখ্য যে ভাৰতীয় দলটো বাছনি কৰিবলৈ বক্সিং ফেডাৰেছন অব ইণ্ডিয়াই (বি এফ আই) গুৱাহাটীত দুদিনীয়া এক শিবিৰৰ আয়োজন কৰিছিল। যোৱা এক আৰু দুই অক্টোবৰত গুৱাহাটীৰ ছাই কেন্দ্ৰত ভাৰতীয় দলৰ বাছনি শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে শিবিৰত ৰাষ্ট্ৰীয় যুৱ বক্সিঙত পদকজয়ী ১৩ টা ওজন শাখাৰ খেলুৱৈয়ে অংশ লৈছিল। বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই জনোৱা অনুসৰি আজি খেলৰ অন্তত প্ৰতিটো ওজন শাখাৰ পৰা দুজনকৈ খেলুৱৈ নিৰ্বাচন কৰা হৈছে স্পেইনত অনুষ্ঠিত হ'বলগা যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত অংশগ্ৰহণকাৰী ভাৰতীয় দলৰ বাবে। এতিয়া ২৬ জনীয়া ভাৰতীয় যুৱ বক্সিং দলৰ প্ৰশিক্ষণ শিবিৰো অনুষ্ঠিত হ'ব বুলি কয় বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই।

## কেৰিয়াৰৰ প্ৰথম ৰাষ্ট্ৰীয় ক্ৰীড়াতে দুটা স্বৰ্ণ জয় কৰি অনবদ্য সফলতা অসম সন্তানৰ

# নতুন অভিলেখ গঢ়ি ২০০ মিটাৰতো অল্লানৰ সোণ



**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** ভাৰতীয় এথলেটিকছৰ নৱ চাঞ্চল্য অসমৰ অল্লান বৰগোহাঁয়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰত্যাশিতভাবে নিজৰ দ্বিতীয়টো সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মহাষষ্ঠীৰ দিনা পুৰুষৰ ১০০ মিটাৰত স্বৰ্ণজয় কৰি দেশৰ দ্ৰুততম মানৱ হোৱাৰ ঐতিহাসিক সফলতা লাভ কৰা অসম সন্তান অল্লানে মহানৱমীৰ দিনা ২০০ মিটাৰত সোণ লাভ কৰি আন এক গৌৰৱময় সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। ৰাষ্ট্ৰীয় ক্ৰীড়াত নতুন অভিলেখ গঢ়ি ২০০ মিটাৰত সোণ লাভ কৰিছে অল্লানে। গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত অন্তিম দিনা অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছত অল্লানে দুঘণ্টাৰ ভিতৰতে দুবাৰকৈ অভিলেখ ভংগ কৰে পুৰুষৰ ২০০ মিটাৰৰ দৌৰত। পুৱা হোৱা ছেমিফাইনেলত অল্লানে ২১.০৬ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি শীৰ্ষস্থান অৰ্জনৰে ফাইনেলত প্ৰৱেশ কৰে তথা ২০০ মিটাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পূৰ্বৰ অভিলেখো ভংগ কৰে। আনহাতে, দুঘণ্টা পিছত হোৱা ফাইনেলত অল্লানে ২০.৫৫ ছেকেণ্ডৰে সোণ লাভ কৰাৰ লগতে নিজে গঢ়া অভিলেখটো ভংগ কৰি নতুন অভিলেখৰ গৰাকী হয়। স্বাভাৱিকতে এয়া অনন্য সফলতা। কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে অল্লানে অভিলেখসহ ১০০ আৰু ২০০ মিটাৰৰ সোণ জয় কৰাটো অসমৰ গৌৰৱময় ক্ৰীড়া ইতিহাসত এক স্বৰ্ণিল অধ্যায় হৈ থাকিব। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ ১০০ মিটাৰত অল্লানে ১০.৩৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ইফালে, ৰাষ্ট্ৰীয় ক্ৰীড়াত অভিলেখ গঢ়ি দুটা সোণ লাভ কৰাৰ অল্লানৰ ৰাষ্ট্ৰীয় অভিলেখ কিন্তু এতিয়াও অক্ষত। উল্লেখ্য যে চলিত বৰ্ষতে অল্লানে ১০০ আৰু ২০০ মিটাৰত নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছিল। ১০.২৫ ছেকেণ্ডৰে ১০০ মিটাৰত অভিলেখ গঢ়া অল্লানৰ ২০০ মিটাৰৰ শ্ৰেষ্ঠ সময় হ'ল ২০.৫২ ছেকেণ্ড।

## আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম এদিনীয়া

**লক্ষ্ণৌ, ৫ অক্টোবৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ সামৰণিৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'ব তিনিখনীয়া এদিনীয়া শৃংখলা। কাইলৈ লক্ষ্ণৌত নৈশালোকত হ'ব শৃংখলাৰ প্ৰথমখন মেচ। উল্লেখ্য যে ভাৰতে তিনিখনীয়া টি-২০ শৃংখলাৰ অন্তিম মেচত পৰাস্ত হ'লেও প্ৰথম দুখন মেচত জয় হোৱাৰ সূত্ৰে শৃংখলাটো ২-১ ত দখল কৰিছে। যোৱানিশা ইণ্ডোৰত হোৱা তৃতীয় মেচত দক্ষিণ আফ্ৰিকাই ৪৯ ৰাণত পৰাস্ত কৰে ভাৰতক। দক্ষিণ আফ্ৰিকাই ডি'কক (৬৮) আৰু ৰ'ছোউৱ (১০০) ৰ অপৰাজিত শতকেৰে ২২৭-৩ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ভাৰতে ১৮.৩ অভাৰত ১৭৮ ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ দ্বিতীয়খন মেচত টীমইণ্ডিয়াই ১৬ ৰাণত জয়লাভ কৰি শৃংখলা হস্তগত কৰিছিল। আনহাতে, প্ৰথম মেচত ভাৰতে আঠ উইকেটত জয়ী হৈছিল।



*ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন এদিনীয়াৰ পূৰ্বে ভাৰতীয় খেলুৱৈৰ অনুশীলন*

# ২০০ মিটাৰত হিমাৰ ৰূপৰ পদক অৰ্জন




**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** যি লক্ষ্য লৈ গুজৰাটলৈ হিমা দাস গৈছিল অৱশেষত সেয়া সফল হ'ল। উল্লেখ্য যে অল্লান বৰগোহাঁইৰ দ্বিতীয় স্বৰ্ণজয়ৰ প্ৰাকক্ষণত গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পৰ এথলেটিকছ ট্ৰেকত অসমক আন এক সফলতা দিয়ে ধিং এক্সপ্ৰেছ হিমা দাসে। মহিলাৰ ২০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে হিমাই। ২৩.৬১ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক দখল কৰিবলৈ সক্ষম হয় অৰ্জন বঁটাৰে সন্মানিত তথা এছিয়ান গেমছৰ পদকজয়ী অসম কন্যা হিমাই। উল্লেখ্য যে মহিলাৰ ২০০ মিটাৰ দৌৰতো গুজৰাটতে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পূৰ্বৰ অভিলেখ ভংগ হয়। গুৰুত্বপূৰ্ণ বিষয়টো এয়ে যে পদকজয়ী তিনিওগৰাকী এথলীটে পূৰ্বৰ অভিলেখ ভংগ কৰে। কিন্তু ২৩.০৬ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ জয় কৰা অৰ্চনাৰ নামত থাকে নতুন অভিলেখ। হিমাৰ সময় ২৩.৬১ ছেকেণ্ড। আনহাতে, ব্ৰঞ্জ জয়ী শ্ৰৱানীৰ সময় হ'ল ২৩.৬৪ ছেকেণ্ড। ২০০ মিটাৰ দৌৰৰ পূৰ্বৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অভিলেখ আছিল ছিনী উইলছনৰ (২৩.৮৬ ছেকেণ্ড, ১৯৯৪ চন) নামত। উল্লেখ্য যে ১০০ মিটাৰৰ ফাইনেলত হতাশাজনক প্ৰদৰ্শন কৰাৰ পাছত সফল প্ৰত্যাৱৰ্তন কৰিছিল হিমাই। দুদিন পূৰ্বে ২০০ মিটাৰ দৌৰৰ হিটছত অংশ লৈ ২৩.৯৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি দ্বিতীয় স্থানত থাকি ফাইনেলত প্ৰৱেশ কৰিছিল ধিং এক্সপ্ৰেছে। ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰে অসমবাসীক গৌৰৱান্বিত কৰাৰ অন্তিম সুযোগটো অথলে যাব নিদিলে হিমাই। উল্লেখ্য যে চলিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আৰম্ভ হোৱাৰ পূৰ্বেই অল্লান আৰু হিমাই নিশ্চিত পদক পাব বুলি ব্যক্ত কৰিছিল অসম এথলেটিকছ সন্থাৰ সভাপতি তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। গুজৰাটত সেয়া এশ শতাংশ মিলি গ'ল।

## লনবলত নয়নমণি-তানিয়াৰ সোণ, এককত মৃদুলৰ ব্ৰঞ্জ অৰ্জন

**আহমেদাবাদ, ৫ অক্টোবৰ ঃ** অসমৰ লন বল খেলুৱৈৰ চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰ গৌৰৱময় সফলতা অব্যাহত আছে। আজি অসমে লন বলত এটা সোণ আৰু ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। নিজৰ প্ৰথম মেচত ৰূপ আৰু ব্ৰঞ্জ লাভ কৰি হতাশ হোৱাৰ পাছত




আজি অসমৰ দুই তাৰকা মহিলা খেলুৱৈ নয়নমণি শইকীয়া আৰু তানিয়া চৌধুৰীয়ে ডাবলছত সোণ অৰ্জন কৰি প্ৰত্যাশা পূৰ্ণ কৰাৰ লগতে নিজৰ লক্ষ্যতো উপনীত হয়। ফাইনেলত অসমে ১৭-১০ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰে ঝাৰখণ্ডক। ইয়াৰপূৰ্বে নয়নমণি-তানিয়া যুটিয়ে কালি ছেমিফাইনেলত ২৯-৩ ৰ ব্যৱধানত বিহাৰক হৰুৱাই পদক জয় নিশ্চিত কৰিছিল। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা নয়নমণি আৰু তানিয়াৰ এয়া চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথম সোণ তথা উভয়ৰে দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে মহিলাৰ একক শাখাত কমনৱেলথ গেমছৰ স্বৰ্ণজয়ী অসম কন্যা নয়নমণিয়ে ব্ৰঞ্জ পদক লাভ কৰাৰ বিপৰীতে তানিয়াই মহিলাৰ ফ'ৰ্ছত বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ স'তে মিলি ৰূপ অৰ্জন কৰিছিল। ইফালে, আজি লন বলত অসমক দ্বিতীয়টো পদক দিয়ে পুৰুষৰ একক শাখাত ব্ৰঞ্জ লাভ কৰা মৃদুল বৰগোহাঁয়ে। দিল্লীৰ বিক্ৰম ৰজকক ২১-৬ৰ ব্যৱধানত পৰাস্ত কৰি চলিত ৰাষ্ট্ৰীয় ক্ৰীড়াত দ্বিতীয়টো পদক অৰ্জন কৰে মৃদুলে। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছৰ ভাৰতীয় দলৰ সদস্য মৃদুলে ইয়াৰপূৰ্বে পুতুল সোণোৱাল আৰু আনন্দ নাৰ্জাৰীৰ লগত মিলি সোণ অৰ্জন কৰিছিল। উল্লেখ্য যে লন বলত অসমে এতিয়ালৈকে তিনিটা সোণসহ ছটা পদক লাভ কৰিছে। অসমৰ হৈ সোণ পাইছিল পুৰুষৰ ডাবলছত মৃদুল বৰা আৰু ৰূপতু গগৈয়ে।

## কেহুৰাম কোচ আৰু মিলিকা বৰদলৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** কুশতলি খেলপথাৰত আঞ্চলিক ক্ৰীড়া সন্থাই আয়োজন কৰা কেহুৰাম কোঁচ আৰু মিলিকা বৰদলৈ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন অনুষ্ঠিত হয় গোলাঘাট ক'চিঙ চেণ্টাৰ আৰু মেঘালয় ৰাঙডজিঅ' ইউনাইটেড্ ফুটবল ক্লাৱৰ মাজত। খেলখনত মেঘালয় ৰাঙডজিঅ' দলটোৱে গোলাঘাটক ৫-০ গ'লত পৰাজিত কৰে। প্ৰথম হাফত ৩৫ মিনিটত এটা গ'লত আগ্ৰগতি লাভ কৰা মেঘালয়ে দ্বিতীয় হাফৰ ৪৮, ৫৫, ৬২ আৰু ৭০ মিনিটত আৰু চাৰিটা গ'ল দিয়ে গোলাঘাটক। বিজয়ী দলটোৰ হৈ এটাকৈ গ'ল ক্ৰমে বানচান নঙখৰে (১৩), কেনৰ বামে (১৭) ৰাইকুত বাম (০৭), মুট নঙৰোমে (১৯)ছুক বিনাই (১০)। উল্লেখ্য যে ৰাঙডজিঅ' ইউনাইটেড এফ চি মেঘালয়, গোলাঘাট ক'চিং চেণ্টাৰ, হিলচ্ ইউনাইটেড এফ চি, ডিফু, শালবাগান স্পৰ্টচ ক্লাৱ গোসাইগাঁও, বঙাইগাঁও ইলেভেণ্ট ষ্টাৰ ক্লাব, নিউ মডেল ক্লাৱ ওদালগুৰি,



মাওলাই স্পৰ্টচ ক্লাব শিলং আৰু যোৰহাট টাউন ক্লাব দৰে ৮ টাকৈ আগশাৰীৰ ফুটবল দলে অংশ গ্ৰহণ কৰা কেহুৰাম কোঁচ আৰু মিলিকা বৰদলৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে কুশতলি আঞ্চলিক ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তিলক ডেকাই।

## গান্ধীবড়ী এফ চিৰ অগ্ৰগতি

**গুৱাহাটী, ৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত গান্ধীবড়ি ফুটবল ক্লাবে চকলাঘাট এফ চি-'বি' দলক ছাডেন ডেথযোগে সামগ্ৰিকভাৱে ৬-৫(১-১) গ'লত হৰুৱাই অগ্ৰগতি লাভ কৰিছে। নগাঁও আৰু মৰিগাঁও জিলা ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ খেলখনৰ নিৰ্ধাৰিত সময়ত চকলাঘাট দলৰ হৈ ২৮ মিনিটত বিশাল বৰদলৈয়ে গল দিয়াৰ বিপৰীতে গান্ধীবড়ি ফুটবল ক্লাবৰ হৈ ৬০ মিনিটত পাৰ্থ কোঁৱৰে গ'ল দি সমতা স্থাপন কৰে। টাইব্ৰেকাৰত গান্ধীবড়ী এফ চিৰহৈ লক্ষ্য পাটৰ, ৰিংকু সেনাপতি, তুষাৰ সেনাপতি আৰু পিংকু কোঁৱৰে গল দিয়াৰ বিপৰীতে চকলাঘাট ফুটবল দলৰহৈ ছাবিৰ আহমেদ, বিশাল বৰদলৈ, পল্লৱ শইকীয়া আৰু প্ৰফুল্ল শইকীয়াই গল দিয়ে। টাইব্ৰেকাৰতো খেলখন ড্ৰ' হোৱাৰ পিছত ছাডেন ডেথত গান্ধীবড়ী এফ চিৰহৈ দীপ বৰদলৈয়ে নিৰ্ণায়ক গলটো কৰে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে সমীৰ বৰদলৈ, বিষ্ণু বৰদলৈ আৰু কণ্ঠিৰাম ৰাজাই।

## দেশৰ ফুটবলপ্ৰেমীক ৰোমাঞ্চ দিবলৈ সাজু হৈছে নৱম হিৰো আইএছএল




**মুম্বাই, ৫ অক্টোবৰ ঃ** ভাৰতীয় ফুটবললৈ পেছাদাৰীত্ব অনা হিৰো ইণ্ডিয়ান ছুপাৰ লীগ চমুকৈ আই এছ এছৰ নৱম সংস্কৰণ অহা সাত অক্টোবৰৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে কৰ'নাৰ বাবে যোৱা দুবছৰ আই এছ এলৰ মেচ দৰ্শক অবিহনে কেবল গোৱাতে হৈছিল যদিও এইবাৰ পুনৰ সমগ্ৰ দেশতে হ'ব। অৰ্থাৎ আই এছ এল খেলিব লগা ১১ টা দলে নিজৰ চহৰত ১০ খনকৈ লীগ মেচ খেলাৰ সুযোগ লাভ কৰিব। স্বাভাৱিকতে অহা ছমাহত ফুটবলৰ উৎসৱৰ মায়াত ডুব যাব ভাৰতীয় ক্ৰীড়াপ্ৰেমী। উল্লেখ্য যে এইবাৰ নিজৰ প্ৰিয় দলটোক সমৰ্থন কৰিবলৈ বাধাহীনভাবে ষ্টেডিয়ামলৈ অহিব পাৰিব দৰ্শকো। স্বৰূপাৰ্থত জন্মৰ সময়ত ভাৰতত যি ফুটবল আন্দোলনৰ সুচনা আই এছ এলে কৰিছিল এইবাৰ সেই ৰূপতে পুনৰ দেশৰ ক্ৰীড়াপ্ৰেমীৰ মাজলৈ আহিছে দেশৰ শ্ৰেষ্ঠ জনপ্ৰিয় ফুটবল প্ৰতিযোগিতাখন। অহা সাত অক্টোবৰত কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগা নৱম আই এছ এলৰ উদ্বোধনী মেচত ঘৰুৱা দল কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে খেলিব কলকাতাৰ দল ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে। ইফালে, উত্তৰ-পূৰ্বৰ ফুটবলপ্ৰেমীৰ দুবছৰীয়া অপেক্ষাৰ পাছত এইবাৰ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামতো পুনৰ হ'ব আই এছ এলৰ মেচ। অহা ১৩ অক্টোবৰত ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে গুৱাহাটীৰ প্ৰথম মেচত মুখামুখি হ'ব বিগত ছিজনৰ চেম্পিয়ন হায়দৰাবাদ এফ চিৰ। অৱশ্যে নৰ্থ ইষ্ট ইউনাইটেডে নতুন ছিজনৰ প্ৰথমখন মেচ খেলিব বাংগালুৰু এফ চিৰ বিৰুদ্ধে। অহা আঠ অক্টোবৰত বাংগালুৰুৰ শ্ৰী কাণ্টিৰাবা ষ্টেডিয়ামত এই মেচখন অনুষ্ঠিত হ'ব। যোৱা ছিজনৰ হতাশাৰ পাছত নতুন আশাৰে সাজু হৈছে নৰ্থ ইষ্ট ইউনাইটেড। ইফালে, এইবাৰ আই এছ এলৰ প্লে-অফৰ নিয়ম সলনি কৰা হৈছে। পূৰ্বৰ চাৰিটা ক্লাবৰ পৰিবৰ্তে এইবাৰ লীগৰ অন্তত ছটা দলে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিব। ইয়াৰে শীৰ্ষ দুটা দল পোনে পোনে ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে অন্য চাৰিটা দলে বাকী ছেমিফাইনেলৰ স্থানৰ বাবে খেলিব। তাৰপাছতহে ফাইনেল। ইফালে, ভাৰতীয় ফুটবলৰ উত্তৰণৰ দিশটোত গুৰুত্ব প্ৰদান কৰি এইবাৰ আই এছ এলৰ প্ৰতিটো দলতে ছজনকৈ নৱাগত খেলুৱৈ অন্তৰ্ভুক্ত কৰাৰ নিয়ম কৰা হৈছে। সম্পূৰ্ণ ছমাহ দেশৰ ৬৬ জন নৱাগত ফুটবলাৰে আই এছ এলৰ বিশ্বৰ তাৰকা খেলুৱৈৰ লগত একেলগে থাকি অনুশীলন কৰিব লগতে মেচতো অংশ ল'ব। উল্লেখ্য যে আই এছ এলৰ নৱাগত চাঞ্চলা চেন্নাইয়ান এফ চিৰ ভিন্সি বাৰেটো, কেৰালা ব্লাষ্টাৰ্ছৰ প্ৰভসুখান গিল আৰু ওড়িছা এফ চিৰ নৰেন্দ্ৰ গেহলটৰ লগতে দৃষ্টি থাকিব লিষ্টন ক'লাকো আৰু ছাহাল আব্দুল ছামাদৰ ওপৰত। উল্লেখ্য যে ঐতিহাসিক ডুৰাণ্ড কাপ খেলি ইতিমধ্যে নতুন ছিজনলৈ সাজু হৈছে আই এছ এলৰ প্ৰতিটো দল। এতিয়া অপেক্ষা লীগত নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা।



*ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত অন্তিমখন টি-২০ ত দক্ষিণ আফ্ৰিকাৰ বেটছমেনৰ শতক অৰ্জন*



বেলতলাৰ লক্ষ্মী মন্দিৰত আয়োজিত কুমাৰী পূজাত অংশগ্ৰহণ কৰা শিশুসকল, বুধবাৰে

## দিচাংমুখত ডিপিএছ নাজিৰাৰ ষ্টুডেণ্ট কাউন্সিলৰ দ্বাৰা দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কাপোৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৫ অক্টোবৰ ঃ** দিল্লী পাব্লিক স্কুল নাজিৰাৰ এক অংশ social empowerment through work education and action 'ছেৱা'ৰ ষ্টুডেণ্ট কাউন্সিলৰ দ্বাৰা কালি দিচাংমুখ আলিছিগা গাঁৱত দৰিদ্ৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত কাপোৰ বিতৰণ কৰা হয়। 'ছেৱা'ৰ হৈ কাপোৰ বিতৰণ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে সভাপতি তাজদিক আফতাব, উপ-সভাপতি প্ৰবাল পাংগিং, vice Head boy অভিনৱ বৰগোহাঁই আৰু সদস্য হৰ্ষিয়ে। আলিছিগা গাঁৱৰ প্ৰায় ৫০গৰাকী দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠানটোৰ তৰফৰ পৰা চোলা, পেণ্ট, ফ্ৰক আদি কৰি বিভিন্ন প্ৰয়োজনীয় কাপোৰ বিতৰণ কৰা হয়। উল্লেখ্য যে ২০২০ বৰ্ষৰ পৰা এই ছাত্ৰসকলে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাপোৰ বিতৰণ কৰি আহিছে। ইয়াৰ পূৰ্বেও এই অনুষ্ঠানটোৰ দ্বাৰা দিচাংমুখৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰা হৈছিল। এই বিতৰণ কাৰ্যসূচীত দিচাংমুখৰ স্থানীয় যুৱক মুস্তাফা খানে সহযোগিতা আগবঢ়ায়।

## পাহাৰৰ অন্যান্য প্ৰান্তৰ লগতে ৰঙাগৰাতো উদ্‌যাপিত মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাগৰা, ৫ অক্টোবৰ ঃ** পাহাৰীয়া জিলা কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তৰ লগতে ৰঙাগৰাতো উলহ-মালহেৰে উদ্‌যাপিত হ'ল ৩০সংখ্যক মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ। কাৰ্বি জনগোষ্ঠী তথা জিলা দুখনৰ অন্যতম জনপ্ৰিয় মহোৎসৱ হ'ল কাৰ্বি যুৱ মহোৎসৱ। প্ৰতিবছৰে ফেব্ৰুৱাৰী মাহত ডিফুৰ নিকটৱৰ্তী সাংস্কৃতিক প্ৰকল্পস্থলী তাৰালাংচত কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত অনুষ্ঠিত হয় এই মহোৎসৱৰ। তাৰেই পূৰ্বে প্ৰতি বছৰে অক্টোবৰ মাহত শাৰদীয় পূজাৰ সময়তেই কাৰ্বি সাংস্কৃতিক সমাজৰ অন্তৰ্গত মাণ্ডলিক সমিতিৰ দ্বাৰা প্ৰতিটো মণ্ডলত অনুষ্ঠিত হয় এই যুৱ মহোৎসৱটি। এইবাৰো ২ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ কাৰ্বি স্বায়ত্ত পৰিষদৰ অন্তৰ্গত মুঠ ২৬টা সমষ্টিত উলহ-মালহেৰে উদ্‌যাপিত হ'ল মাণ্ডলিক মহোৎসৱসমূহ। পৰিষদৰ চচেং ধেন্তা সমষ্টিৰ অন্তৰ্গত কাৰ্বি সাংস্কৃতিক সমাজৰ ৰংমংৰে মাণ্ডলিক সমিতিৰ উদ্যোগত চাৰিদিনীয়া কাৰ্যসূচীৰে ৰঙাগৰা উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ল যুৱ মহোৎসৱটি। প্ৰথম দিনা পুৱা ৭.৩০ বজাত পতাকা উত্তোলন কৰে ৰংমংৰে মাণ্ডলিৰ সভাপতি মাণিক কাথাৰে। পুৱা ৮ বজাত স্মৃতি তৰ্পণ কৰে কাৰ্বি লাম্মেত আমেইৰ প্ৰাক্তন সাধাৰণ সম্পাদক জৰ্জ ৰংহাঙে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত ৩০তম মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে স্থানীয় পৰিষদীয় সমষ্টিৰ সদস্যা কাচে ৰংপিপি। ইয়াৰ পাছতেই অনুষ্ঠিত হয় বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাসমূহৰ। ৪ অক্টোবৰ দিনটোতো কাৰ্বি জনগোষ্ঠীৰ ৰিদনং চিংদি, হাচা কেকান ইত্যাদি পৰম্পৰাগত নৃত্যসমূহৰ উপৰিও অন্য গীত আৰু আধুনিক নৃত্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত দিনা 'দৈনন্দিন বাৰ্তা'ৰ কাৰ্যবাহী সম্পাদক ডিম্পুল চুতীয়াই অনুষ্ঠানত অংশ লয়। ৫ অক্টোবৰত শেষৰ দিনা অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে কাৰ্বি সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চন্দ্ৰ ছিং ক্ৰ উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে স্থানীয় পৰিষদীয় সমষ্টিৰ সদস্যা কাচে ৰংপিপি, কাৰ্বি সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ হাৰচিং ৰংহাংৰংহাং আৰু ফ্ৰান্সিচ তিমুং। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে চচেং ধেন্তা মণ্ডল সমিতিৰ সভাপতি চেম ইংলেং, ৰংমংৰে ভিডিচি চেয়াৰমেন ব্ৰনচন তেৰাং, ৰংমংৰে পৌৰসভাৰ চেয়াৰমেন চনাৰাম তেৰাঙৰ লগতে বিশিষ্ট ব্যক্তিসকল। নিশা অনুষ্ঠিত ৰূ ৰাংচিনা চাৰপ' সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰে কাৰ্বি সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চন্দ্ৰ ছিং ক্ৰ'ই। বিভিন্ন গীত-নৃত্যৰে বাৰেৰহনীয়া মহোৎসৱটিৰ সকলোৰে সহযোগিতাত সফল সমাপ্তি ঘটে।

## বইটামাৰীত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত শিশুৰ চিকিৎসালয়ত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ৫ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ আনন্দ-উলাহৰ মাজতে বঙাইগাঁও জিলাৰ বইটামাৰী আৰক্ষী চকীৰ অন্তৰ্গত নিত্যবজাৰৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা ১ অক্টোবৰত সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত আঠ বছৰীয়া শিশু এটিৰ চিকিৎসাধীন অৱস্থাত ৩ অক্টোবৰৰ নিশা মৃত্যু হয়। জানিব পৰা মতে, ১ অক্টোবৰৰ দিনা নিত্য বজাৰত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰবেগী এএছ ০১ এইউ ৬৬৯০ নম্বৰৰ এখন চাৰিচকীয়া হুগুাই ভাৰনা বাহনে মহটিয়াই লৈ গৈছিল আঠ বছৰীয়া শিশু এটিক। সংকটজনক অৱস্থাত শিশুটিক তেতিয়াই চাপৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে বঙাইগাঁও অসামৰিক চিকিৎসালয়লৈ শিশুটিক প্ৰেৰণ কৰা হৈছিল। চিকিৎসালয়ত মৃত্যুৰ সৈতে যুঁজি ৩ অক্টোবৰৰ নিশা বঙাইগাঁও অসামৰিক চিকিৎসালয়ত শিশুটিৰ মৃত্যু হয়। শিশুটি বইটামাৰী অঞ্চলৰ কায়েথপাৰা গাঁৱৰ মাৰ্জিনা বেগম বুলি জানিব পৰা গৈছে। উল্লেখ্য যে নিত্যবজাৰ এলেকাত ঘাইপথৰ লগতে বিভিন্ন দোকান-বজাৰ বহুওৱাৰ বাবেও উক্ত অঞ্চলত পথ দুৰ্ঘটনা বৃদ্ধি পাইছে।

## ঘগ্ৰাপাৰত পথ দুৰ্ঘটনাত আহত যুৱকৰ মৃত্যু

### বিজেপিসহ বিভিন্ন দল-সংগঠনৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত বিলপাৰ গাঁও নিবাসী ঘনেশ্যাম দাসৰ কনিষ্ঠপুত্ৰ তথা বিলপাৰ গাঁৱৰ বুথ বিজেপিৰ উপ-সভাপতি মদন দাস (২২)ৰ কালি চিকিৎসাধীন অৱস্থাতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। উল্লেখ্য যে যোৱা ২৩ ছেপ্টেম্বৰত ঘগ্ৰাপাৰত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ মদন দাস চিকিৎসাধীন হৈ আছিল। যুৱকজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাত ঘগ্ৰাপাৰ অঞ্চলত শোকৰ ছাঁ পৰে। আজি তেওঁৰ নৰশ্বৰ দেহ ঘৰ আহি পোৱাত স্থানীয় বিজেপিসহ বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃসহ এগৰাকী ককায়েকক এৰি যায়।

## ধেমাজিত সৃষ্টি ক্লাষ্টাৰ লেভেল প্ৰাইমাৰী কোঅ'পাৰেটিভ ছ'চাইটী লিমিটেডৰ দ্বিতীয় বাৰ্ষিক সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৫ অক্টোবৰ ঃ** ধেমাজিত সৃষ্টি ক্লাষ্টাৰ লেভেল প্ৰাইমাৰী কোঅ'পাৰেটিভ ছ'চাইটী লিমিটেডৰ দ্বিতীয় বাৰ্ষিক সাধাৰণ সভাখনি আজি দিনজোৰা কাৰ্যসূচীৰে নিজ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰা হয়। ছ'চাইটীৰ সভানেত্ৰী সংগীতা বৰপাত্ৰৰ সভানেতৃত্বত অনুষ্ঠিত এই বাৰ্ষিক সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰশ্মি সোণোৱালে। সভাত সৃষ্টি ক্লাষ্টাৰ লেভেল প্ৰাইমাৰী কোঅ'পাৰেটিভ ছ'চাইটী লিমিটেডৰ বিগত বাৰ্ষিক সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়কৰণ সন্দৰ্ভত এলানি আলোচনা কৰা হয়। তদুপৰি ২০২১-২২ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন পাঠ আৰু ২০২১-২২ বৰ্ষৰ পৰীক্ষিত হিচাপ-নিকাচ উদ্বিত-পত্ৰ দাখিল আৰু গ্ৰহণ কৰা হয়। আনহাতে, ২০২২-২৩ বৰ্ষৰ বাবে অনুমানিক খচৰা বাজেট দাখিল কৰা হয়। সৃষ্টি ক্লাষ্টাৰ লেভেল প্ৰাইমাৰী কোঅ'পাৰেটিভ ছ'চাইটী লিমিটেডৰ দ্বিতীয় বাৰ্ষিক সাধাৰণ সভাত ছয় শতাধিক সদস্যা উপস্থিত থকাৰ লগতে অডিটৰ ৰঞ্জিত চেতিয়া, ডিএফইৰ মণিকা বৰা, ধেমাজি ব্লক বিপিএম প্ৰণৱজ্যোতি দলে, বিচি ধ্ৰুৱজ্যোতি দত্ত আৰু সংগীতা দলে আদি ভালেসংখ্যক ক্লাষ্টাৰ সদস্যা উপস্থিত থাকে।




## দীপাংকৰ শইকীয়াক বিজেপি যুৱ মৰ্চাৰ সম্বৰ্ধনা তিতাবৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ৫ অক্টোবৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ তিতাবৰ সমষ্টিৰ অন্তৰ্গত যুব মৰ্চাৰ বৰহোলা মণ্ডলৰ উদ্যোগত ৪ অক্টোবৰত মেলামাটিৰ চকিয়াল গাঁৱৰ কৃতী গবেষক দীপাংকৰ শইকীয়াক ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ কাৰণে তেওঁৰ গৃহতে গৈ অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। এই উদেশ্যে ড° শইকীয়াৰ ঘৰৰ চোতালত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ আঁত ধৰে বিজেপি তিতাবৰ সমষ্টিৰ গ্ৰাম্য মণ্ডলৰ সাধাৰণ সম্পাদক ৰুবুল তামুলীয়ে। সম্বৰ্ধনা সভাত ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলাৰ উপ-সভাপতি তথা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ কুমুদ কছাৰী, বিজেপিৰ সামাজিক মাধ্যম বিভাগৰ যোৰহাট জিলাৰ আহ্বায়ক শৰৎ কুমাৰ গগৈ, বিজেপিৰ বৰহোলা মণ্ডলৰ উপ-সভাপতি ৰবীন বৰা, যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ দত্ত, অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভাপতি হেমন্ত কুমাৰ গগৈ, যুৱ মৰ্চাৰ উপ-সভাপতি বকুল শইকীয়া আৰু অতিথি হিচাপে তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড° দীপাংকৰ শইকীয়াৰ কৃতিত্বৰ সম্পৰ্কত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ কুমুদ কছাৰী আৰু তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই অভিনন্দনসূচক বক্তব্য প্ৰদান কৰে। দীপাংকৰ শইকীয়াক এখন ফুলাম গামোচা আৰু এখন প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ড° শইকীয়া চকিয়াল গাঁৱৰ দেৱকান্ত শইকীয়া আৰু অণিমা শইকীয়াৰ জ্যেষ্ঠ সন্তান। বিহাৰৰ ড° ৰাজেন্দ্ৰ প্ৰসাদ কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয়ৰ পৰা ড° এ কে সিঙৰ তত্ত্বাৱধানত A study on job involvement job performance and job satisfaction among the faculty members of RPCAU, Pusa Bihar. বিষয়ত গৱেষণা কৰিছিল।

## কৈটাসিদ্ধি সত্ৰত গুৰুজয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পলাশবাৰী, ৫ অক্টোবৰ ঃ** বঙৰাস্থিত শ্ৰীশ্ৰী কৈটাসিদ্ধি সত্ৰত কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ ৫৭৪সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰা হয়। কালি সন্ধিয়া সত্ৰাধিকাৰ ৰজনীকান্ত নাথ প্ৰমুখ্যে সত্ৰৰ ভকতবৃন্দই বন্তি প্ৰজ্বলনেৰে গুৰুজয়ন্তীৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আজি ৰাতিপুৱা ৫ বজাত ঊষা কীৰ্তন, ৮ বজাত ভাগৱত স্থাপনৰ পিছত ১০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে বঙৰাৰ বঙৰাৰ শ্ৰীমন্ত শংকৰদেৱ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক গৌৰীকান্ত নাথে। ইয়াৰ পিছত ভাগৱত ভ্ৰমণ আৰু ভাগৱত পাঠৰ কাৰ্যসূচী সমাপন কৰা হয়। তদুপৰি ২.৩০ বজাত আয়তীসকলৰদ্বাৰা নাগাৰা নাম পৰিৱেশন কৰা হয়।



মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ ৫৭৪সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে যোৰহাটত ভাগৱত শোভাযাত্ৰা




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত্হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞিঁ